# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**No. 9**

The 19th March, 1997

Price—Rs. 38.00

# CONTENTS

## BUDGET SESSION

### No. 9

Dated, the 19th March, 1997


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—61 |
| 2. | Discussion During Zero Hour | 62—74 |
| 3. | Breach of Privilage Motion | 75—85 |
| 4. | Announcement from the Chair | 86—88 |
| 5. | Call Attention Notice | 89 |
| 6. | Matter Under Rule 301 | 90—96 |
| 7. | Motion for Election of Members to University Court | 97 |
| 8. | Introduction of Government Bill | 98 |
| 9. | General Discussion on the Budget | 99—134 |
| 10. | Adjourment | 136 |
| 11. | Annexures—I, to VIII. | 137—148 |


—x—

# CONTENTS

## BUDGET SESSION

No. 3

Dated, the 10th March, 1967


| | | Pages |
|---|---|---|
| 1. | Questions and Answers | 1—61 |
| 2. | Discussion During Zero Hour | 62—74 |
| 3. | Breach of Privilege Motion | 75—85 |
| 4. | Announcement from the Chair | 86—88 |
| 5. | Call Attention Notice | 89 |
| 6. | Matter Under Rule 304 | 90—96 |
| 7. | Motion for Election of Members to University Court | 97 |
| 8. | Introduction of Government Bill | 98 |
| 9. | General Discussion on the Budget | 99—134 |
| 10. | Adjournment | 135 |
| 11. | Annexures—I to VIII. | 137—148 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 19th March, 1997

The House met at 9 A. M of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker in the Chair,

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Now, Starred Question No. 141, Hon'ble Member Shri Bimolangshu Roy. Hon'ble Minister Power is to reply.

**Re : Requirement of Power.**

Shri Bimolangshu Roy asked :

* 141. Will the Minister Power be pleased to state.

(a) What is the actual requirement of power per day in Barak Valley ?

(b) What is being supplied presently as per records maintained in the Office of Superintending Engineer, A. S. E. B , Cachar ?

(c) What action Government proposes to take against the D L. E. F. for their failure to Commission the project in Bauskandi and Adamtillah ?

(d) Will the Government take proper steps for meeting the short-fall in Barak Valley ?

(e) If so, when ?

Shri Praffulla Kumar Mahanta ( Chief Minister ) replied

(a) & (b) Based on the records available for the perioc from 25 2-97 to 6-3-97, daily requirement of powe during peak load hours ( i. e. from 5 P. M. to 1( P. M. ) for Barak valley varies from 27 MW t 39 MW and the requirement of power durir

balance period of the day varies between 21 MW to 25 MW. Against these requirements 26 to 37 MW is supplied during the peak period and 21 to 25 MW during the remaining period of the day.

These records are maintained by the State load Despatch Centre, A. S. E. B., Kahilipara and not in the Office of the Superintending Engineer, Cachar.

(c) Due to Certain reasons there has been delay incompletion of the above two projects as compared to the original contractual schedule. These reasons are covered under Force Majoure Clause due to which the question of imposition of penalty on the party i. e. M/s. DLF does not arise.

(d) & (e) A Memorandum of Understanding has been signed between Assam State Electricity Board and NTPC which has come into effect on 7-3-97 which has enabled Assam State Electricity Board to draw about 100 MW during the peak period (from 5 P. M. to 10 P. M.) and 50 MW during the remaining period of the day.

As a result of this arrangement, the power supply situation in the state as well as in Barak Valley has improved. The first Unit of 3 MW capacity in the 9 MW Adamtilla power Project is expected to be commissioned within April, 1997. The balance Units of this project and all the units of 15.5. MW Banskandi project are expected to be commissioned within June, 1998. Once commissioned both the power stations would be

able to meet the power shortage in Barak Valley to a large extent.

* **Shri Bimalangshu Roy:** Hon'ble Speaker, Sir. I am afraid that Hon'ble Chief Minister has been misled by the officers in supplying incorrect information because there is acute shortage of power in Barak Valley and yesterday also while I contacted the authorities of local Dailies— 'Sonar Cachar' and 'Yuga' they confirmed that they are facing serious problems for short supply of power. There is definitely some pilferages somewhere and that is why I asked this question and requested the Minister to bring records from Superintending Engineer, Cachar but unfortunately that could not be done. Anyway, will the Chief Minister be pleased to state the duration of power cut in Silchar everyday?

* **Shri Prafulla Kumar Mahanta** (Chief Minister): Hon'ble Speaker, Sir, records are maintained by the State Load Despatch Centre. Sir, We have entered into an agreement / directly with NTPC on 7. 3. 97 because Central Government took a decision that they would not be able to give any money to us for power supply. We expect that after completion of Adamtilla and Banskandi Power Projects power position of Barak Valley will improve.

* **Shri Bimalangshu Roy:** What was the time limit for completion of Banskandi and Adamtilla projects as per agreement?

* Speech not corrected

* **Shri Prafulla Kumar Mahanta** (Chief Minister): As per agreement they will not be able to complete the projects. So, we are pressing now to complete the works as early as possible.

* **Shri Bimalangshu Roy**: Hon'ble Speaker Sir, definitely there is some time limit. Will the Chief Minister be able to supply the information after consulting the agreement. My next question is it a fact that the progress of work in Banskandi is virtually zero ?

* **Shri Prafulla Kumar Mahanta** (Chief Minister): Hon'ble Speaker, Sir, as per our information Adamtilla Power Project is going to be completed within April, 1997 and the balance units of this project and all the units of 15 5 MW Banskandi Project are expected to be completed within June, 1997.

* **Shri Misbahul Islam Laskar**: Hon'ble Speaker, Sir, recently ONGC has drilled well in Bhubandar where they found huge quantity of gas. This gas can be utilised for generation of power. May I know from the Chief Minister whether the Government has got any thinking in setting up a project there for power generation in addition to Adamtilla and Banskandi ?

* **Shri Prafulla Kumar Mahanta** (Chief Minister): Sir, Petroleum Ministry informed us that the gases are not available to construct any other project, So, we are trying to set up a Mini-Hydel project. Adamtailla and Banskandi Project are

---

* Speech not corrected

expected to be commissioned in April, 1997 and June, 1998.

* **Shri Sukhendu Shekhar Dutta** : Regarding delay in commissioning Adamtilla and Banskandi Power Projects there is an international conspiracy. It is being delayed because there is another project in Bangladesh, very close to Adamtilla border. If this Adamtilla Project is commissioned in that case Bangladesh project is not likely to come up and that is why there is a conspiracy. May I know from the Chief Minister whether Government is aware of that international conspiracy and if so what action Government is contemplating to take ?

* Shri **Prafulla Kumar Mahanta** ( Chief Minister ) : We have not received any such information. Adamtilla project is expected to be commissioned in April, 1997 and Banskandi Project is expected to be commissioned within June, 1998.

**Mr. Speaker** : Now, Starred Question No. 142, Hon'ble Member Shri Etuwa Munda, Hon'ble Minister Power is to reply.

বিষয় ঃ বিদ্যুৎ প্ৰকল্প নিৰ্মাণ।

শ্ৰীএতোৱা মুণ্ডাই সুধিছে :

* ১৪২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আমগুৰি বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

(খ) উক্ত প্ৰকল্প নিৰ্মাণৰ দায়িত্ব কাক দিয়া হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) আৰু (খ) আমগুৰি বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কাৰণে ইং ১০-৬-৯৩ তাৰিখে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অসম পাৱাৰ পাৰ্টনাৰ

* Speech not corrected

( a consortium of American Companies ) ৰ মাজত সম্পাদিত হোৱা MOU খন বাতিল কৰি ১৯৯৬ চনৰ জুন মাহত NTPC ক নিৰ্মাণৰ বাবে দায়িত্ব দিয়া হৈছে। এই প্ৰকল্পটো নিৰ্মাণৰ বাবে NTPC য়ে শক্তি আৰু পেট্ৰোলিয়াম মন্ত্ৰণালয়ৰ সৈতে গেছ Linkage ৰ বাবে যোগাযোগ কৰি আছে।

* শ্ৰীএতোৱা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শক্তি দপ্তৰৰ মন্ত্ৰী তথা মুখ্য মন্ত্ৰী মহোদয়ে জনাইছে যে আমগুৰি বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কাৰণে ইং ১০-৬ ৯৬ তাৰিখে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অসম পাৱাৰ পাৰ্টনাৰ ( a Consertium of American Comparies ) ৰ মাজত সম্পাদিত হোৱা এম, অ, ইউ খন বাতিল কৰি ১৯৯৬ চনৰ জুন মাহত এন. টি. পি. চি. ক নিৰ্মাণৰ বাবে দায়িত্ব দিয়া হৈছে। আমাৰ সদনৰ মাননীয় সদস্য সকলে জানে যে আমাৰ ৰাজ্যখনত বিদ্যুতৰ কেনেকুৱা ধৰণৰ নাটনি হৈছে। মোৰ প্ৰথম প্ৰশ্ন হ'ল—কি কি কাৰণত আমেৰিকান কোম্পানীৰ চুক্তিখন বাতিল কৰি এন, টি. পি, চিৰ লগত চুক্তি কৰা হৈছে। মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল—কিমান পৰিমানৰ পুঁজি এই আচনি খনৰ কাৰণে ধাৰ্য্য কৰা হৈছে আৰু মোৰ তৃতীয় প্ৰশ্নটো হৈছে--বিদ্যুতৰ নাটনিৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰকল্পটোৰ কাম শেষ কৰাৰ কাৰণে কিমান সময়ৰ প্ৰয়োজন হব মাননীয় শক্তি দপ্তৰ তথা মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আগতে যিটো কোম্পানীৰ লগত চুক্তি হৈছিল সেই কোম্পানীটোৱে কোনো কাম আৰম্ভ কৰা নাছিল। পেট্ৰোলিয়াম মন্ত্ৰণালয়ে জনাইছে যে এই প্ৰকল্পটো নিৰ্মাণৰ কাৰণে গেছ নাই। কিন্তু আগৰ এটা ৰিপোৰ্ট আছিল গেছ আছিল। গেছ এভেইলেবুল নোহোৱাৰ কাৰণে যদি কাম কৰিব নোৱাৰে তেতিয়াহলে অসম গভৰ্ণমেণ্টে ক্ষতিপূৰণ দিব লাগিব। এই সম্পৰ্কে পেট্ৰোলিয়াম মন্ত্ৰনালয়ৰ লগত যোগাযোগ কৰি থকা হৈছে। এই প্ৰকল্পটোৰ বাবে আবণ্টিত ১.৫ নিযুত ঘন মিটাৰ গেছৰ ( প্ৰতিদিনে ) লিংকেজ, এন. টি. পি, চিৰ নামত

* Speech not corrected

পুনৰ আবণ্টন কৰিবলৈ অসম চৰকাৰে কৰা অনুৰোধত পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ে সন্মতি দিছে। সেই কাৰণেই এন, টি, পি, চি ক এই প্ৰকল্পটো নিৰ্মাণৰ দায়িত্ব দিয়া হৈছে।

* শ্ৰীএতোৱা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটা পৰিপূৰক প্ৰশ্নৰ উত্তৰ মাননীয় শক্তি দপ্তৰ তথা মুখ্যমন্ত্ৰী মহোদয়ক দিবলৈ অনুৰোধ জনালো। সেই প্ৰশ্ন দুটা হ'ল – এই প্ৰকল্পটো নিৰ্মাণৰ কাৰণে কিমান পুঁজি ধাৰ্য্য কৰা হৈছে আৰু এই প্ৰকল্পটোৰ নিৰ্মাণৰ কাম কেতিয়া শেষ কৰা হব ?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : প্ৰকল্পটো নিৰ্মাণৰ কাম আমি এন, টি, পি, চিক দিছো আৰু গেছ লিংকেজৰ মেটাৰটো চেটেল হোৱাৰ লগে লগে এন, টি, পি, চিয়ে কাম আৰম্ভ কৰিব।

**Mr. Speaker:** Now, Starred Question No. 143, Hon'ble Member Shri Sheikh Abdul Hamid, Hon'ble Minister Veterinary is to reply.

**Re: Veterinary Hospital and Sub-Centres.**

**Shri Sheikh Abdul Hamid asked:**

* 143. Will the Minister of Veterinary & Animal Husbandry be pleased to state :

(a) No. of Veterinary Hospital and Sub-Centres within No. 45 Baghbar L. A. C. ? ( Please furnish the names with employees working ).

(b) How many Hospital / Sub-Centres are running and how many are closed ? ( please furnish the names and causes of closure ).

**Shri Surendra Nath Medhi ( Minister ) replied :**

(a) There is one Block Veterinary Dispensary at Mandia. In addition. there are 4 ( four ) First-Aid-Centres each at Kachumara Char, Baghbar, Bonghugi and Uzirar Char within No. 45 Baghbar L. A. C.

---

* Speech not corrected

### Position of empioyees

| | |
|---|---|
| (i) Block Veterinary Dispensary at Mandia | E. O. ( Vety. I ) (Dr. Abdul Kalam Azad ) |
| (ii) Bagbhar First-Aid-Centre | V. F. A—2<br>1. ( Md. Rahman Ali )<br>2. ( Hain Ali ) |
| (iii) Kachumara Char First-Aid-Centre | V. F. A.—1<br>( Md. Taser Ali )<br>Grade—IV—2<br>(Md. Forman Ali)<br>( Shri Saiten Ojha)<br>M. R. worker—1<br>( Smti. Nomi Bala Das ) |
| (iv) Uzirar Char First-Aid-Centre<br>(v) Bonghugi First-Aid-Centre | No post has been created as yet as the construction of the Firts-Aid-Centres buldings is yet to be completed. |

(b) Block Veterinary Dispensary at Mandia and First-Aid Centres at Baghbar and Kachumara Char are functioning. The First-Aid-Centres at Uzirar Char and Bonghugi are not funtcioning as the First-Aid-Centre buildings are still under construction.

শ্ৰীশ্বেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কচুমাৰা চৰৰ যিটো কথা কৈছে সেই চৰটো চেঙা সমষ্টিত পৰে। বনমুখী চৰৰ যিটো কথা কৈছে সেইটো জনীয়া সমষ্টিত

পৰে। মইনুডুবী চৰৰ কথাও আছে। মই এইখিনিতে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে উজিৰৰ চৰৰ ফাষ্ট এইড্ চেন্টাৰটো চেনচন হোৱাৰ পিচত নিৰ্ম্মাণৰ কাম কেতিয়া আৰম্ভ কৰা হৈছে, এই নিৰ্ম্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ কৰা হব আৰু ইয়াৰ কাৰণে যি কেইটা পদৰ আৱশ্যক হব সেই কেইটা কেতিয়া সৃষ্টি কৰিব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই দুটা চেন্টাৰত কনষ্ট্ৰাকচনৰ কাম আৰম্ভ কৰা হৈছে কিন্তু এতিয়ালৈকে অৰ্থৰ অভাৱত সম্পূৰ্ণ হোৱা নাই। যিমান খিনি সম্ভৱ হয় সম্পূৰ্ণ কৰিব পৰা যাব।

শ্ৰীশেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৯ চনত এ, জি পি চৰকাৰৰ দিনত কাম আৰম্ভ কৰা হৈছিল আৰু উজিৰৰ চৰৰ চেন্টাৰটোৰ কাৰণে চাবডিভিজনেল প্লেনিঙত ৮৫ হেজাৰ টকা দিয়া হৈছিল আৰু নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ হৈছিল। কিন্তু আৰম্ভ কৰাৰ পিচতো নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ নকৰাকৈ ঠিকাদাৰে টকা-পইচা লৈ গৈছে। কামটো এতিয়াও আধা হৈ আছে। এইটো কিয় সম্পূৰ্ণ কৰিব নোৱাৰিলে তাৰ এটা অনুসন্ধান কৰিব লাগে আৰু পদ সৃষ্টি কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পঃ আৰু পঃ চঃ মন্ত্ৰী): ১৯৮৯ চনত নিৰ্মাণ কাৰ্য্য আৰম্ভ হোৱা বুলি কলে কিন্তু কি কাৰণত ইমান দিনে সম্পূৰ্ণ হোৱা নাই এই তথ্য মোৰ হাতত নাই। আমাৰ কথা হ'ল— যিমান সোনকালে পৰা যায় এই চেন্টাৰ দুটা সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা লম।

শ্ৰীশেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৯ চনৰ পৰা টকা পইচা দিয়াৰ পিচতো কামটো কিয় সম্পূৰ্ণ কৰা নহল এই সম্পৰ্কত কিবা ব্যৱস্থা লব নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পঃ আৰু পঃ চিঃ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰায় ৬ বছৰ কাল হ'ল এই বিষয়ে কোনেও তদন্ত কৰা আৰু সোধাও নাই। এই বিষয়ে যিহেতু অভিযোগ উত্থাপন কৰিছে সেয়েহে মই তদন্ত কৰাৰ ব্যৱস্থা ল'ম।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰৰ বিটো চেণ্টাৰ সেইটো সম্পূৰ্ণ কৰিব? ১৫ পাৰচেণ্ট ডিচপেনচেৰীত ডাক্তৰ নাই, ভি. এফ. এ নাই। মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি কিমান ডিচপেনচেৰীত ডাক্তৰ আৰু ভি, এফ, এ ৰ পদ খালী আছে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পঃ আৰু পঃ চিঃ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমি অলপতে কিছু ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিছো আৰু ইতিমধ্যে আমাৰ প্ৰচেচ্ চলি আছে। মই ভাবো ১ মাহ মানৰ ভিতৰত যিবিলাক ডিচপেনচেৰীত ডাক্তৰ নাই তাত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : প্ৰপোৰচন মতে দিব নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পঃ আৰু পঃ চিঃ মন্ত্ৰী) ঃ যিবিলাক ডিচপেনচেৰীত পদ খালি হৈ আছে তাত দিয়াৰ ব্যৱস্থা কৰা হব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, খালি থকা পদ কেইটা পূৰণ কৰাৰ ক্ষেত্ৰত এতিয়াকৈ যিখিনি বেকলগ আছে সেইখিনি ফিল আপ কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পঃ আৰু পঃ চিঃ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ১০ বছৰতকৈ বেছি বেকলগ থাকিলে বেকলগ পূৰণ কৰাৰ ক্ষেত্ৰত অসুবিধা হয়। বেকলগ নিয়ম অনুযায়ী ফিলাপ কৰাৰ ব্যৱস্থা কৰা হব।

Mr. speaker : Now, I request Ho'nble Member Shri Karuna Du'ta.

বিষয় : পুনৰ সংস্থাপন পৰিয়ালৰ সংখ্যা।

শ্ৰীকৰুণা দত্তই সুধিছে :

* ১৪৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ গড়াখহনীয়া ভূমিহীন পৰিয়ালক পুনৰ সংস্থাপনৰ অবিষয়তে মাজুলী মহকুমাত কিমান পৰিয়ালক পুনৰ সংস্থাপন দিয়া হৈছে?

(খ) ১৯৯১ চনতে গড়াখহনীয়া কবলৰ পৰা উদ্ধাৰ কৰি পুনৰ সংস্থাপনৰ

* Speech not corrected

উদ্দেশ্যেৰে দক্ষিণ আহতগুৰি চৰত শিবিৰ পাতি ৰখা শতাধিক পৰিয়ালক আজি পৰ্যান্তও পুনৰ সংস্থাপন দিয়া নাই সচাঁনে ? চৰ চাপৰিৰ চৰকাৰী ভূমিতে উক্ত পৰিয়ালবৰ্গই পুনৰ সংস্থাপন বিচাৰিছে, এই পৰিয়াল বৰ্গক পুনৰ সংস্থাপন দিয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি ?

(গ) যদি হৈছে, কেতিয়া কেনে পৰ্যায়ত পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

(ঘ) ইয়াৰ উপৰিও গড়াখহনীয়াত সৰ্বশ্ৰান্ত হোৱা বহুতো পৰিয়াল এতিয়াও মাথাউৰীৰ ওপৰত শিবিৰ পাতি আছে চৰকাৰ অবগতনে ? তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি ?

ড° জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) এতিয়ালৈ দিয়া হোৱা নাই ।

(খ) দক্ষিণ আহত গুৰিত কোনো পৰিয়াল বৰ্তমান সাহায্য শিবিৰত নাই । চৰ চাপৰীৰ চৰকাৰী ভূমিত পুনৰ সংস্থাপন দিয়াৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

(গ) এতিয়াই সঠিককৈ কব পৰা অৱস্থা পোৱাহি নাই ।

(ঘ) হয়, অৱগত । বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে

শ্ৰীকৰুণা দত্ত : মাননীয় অধ্যক্ষ মহোদয়, আজি বহু বছৰ ধৰি মাজুলীত বানপানী আৰু গড়া-খহনীয়াত পৰি সহস্ৰ সংখ্যক পৰিয়াল ৰাস্তাৰ ওপৰত, মঠাউৰীৰ ওপৰত বসবাস কৰি আছে এইলোক সকলৰ আজিলৈকে কোনো সংস্থাপনৰ ব্যৱস্থা নহ'ল । মন্ত্ৰী মহোদয়ে উত্তৰত জনাইছে দিয়া হোৱা নাই, সেয়ে মই অনুৰোধ জনাইছো এইলোক সকলক পুনৰ সংস্থাপন দিয়াৰ ক্ষেত্ৰ মাননীয় মন্ত্ৰী ডাঙৰী-য়াই নিজেই ভালৈ গৈ এটা তদন্ত কৰি তেওঁলোকৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব নে ?

ড° জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ পৰা এই যিসকল লোক গড়াখহনীয়াৰ কবলত পৰি নিঃসহায় হৈছে

সেই সকলক পুনৰ সংস্থাপন দি আহিব লাগিছিল কিন্তু দিয়া হোৱা নাই। অঁাহতগুৰি আৰু চৰ-চাপৰিত কিমান মানুহক পুনৰ সংস্থাপন দিয়া হৈছিল সেইটো অনুসন্ধান কৰি গোটেই খিনি জনাব। পিচত বিতংকৈ কব পৰা হব।

**শ্ৰীকৰুণা দত্ত :** মাননীয় অধ্যক্ষ, মহোদয় বন্দস্ত কৰি ইয়াৰ এটা সুব্যৱস্থা লবনে ?

**ড° জয়নাথ শৰ্ম্মা (ৰাজহ মন্ত্ৰী) :** মাননীয় বিধায়ক ডাঙৰীয়াৰ সংগত একেলগে গৈ তাত কি ধৰণৰ ব্যৱস্থা ললে ভাল হব সেই বিষয়ে চাই-চিতি ব্যৱস্থা লম।

Mr. Speaker : Now, I request Hon'ble Member Shri Hema Prava Saikia.

বিষয় : মাটিৰ পট্টা

**শ্ৰীমতী হেমপ্ৰভা শইকীয়াই সুধিছে :**

* ১৪৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী মহানগৰীৰ অন্তৰ্গত পাহাৰ ভৈয়াম উভয় অঞ্চলৰ চৰকাৰী মাটিত একেৰাহে ১৫ বছৰ বসবাস কৰি থকা লোকসকলক মাটিৰ পট্টা দিয়াৰ প্ৰক্ৰিয়া বন্ধ হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) প্ৰক্ৰিয়াটো কি কাৰণত বন্ধ হৈ আছে জনাবনে ?

(গ) চৰকাৰে এনে লোকসকলক মাটিৰ পট্টা দিয়াৰ প্ৰক্ৰিয়া কেতিয়াৰ পৰা আৰম্ভ কৰিব জনাবনে ?

**ড° জয়নাথ শৰ্ম্মা, (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :**

(ক) পট্টা দিয়াৰ প্ৰক্ৰিয়া বন্ধ হৈ থকা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

* **শ্ৰীমতী হেমপ্ৰভা শইকীয়া :** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো পূৰ্বৰ চৰকাৰৰ দিনত কিমান মানুহক এনে ধৰণৰ পট্টা দিয়া হৈছিল, জনাবনে ?

* **ড° জয়নাথ শৰ্ম্মা (ৰাজহ মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো

* Speech not corrected

হৈছে যোৱা ১৫ বছৰ আগেয়ে এই যিসকল লোকে গুৱাহাটী বিভিন্ন অঞ্চলত মাটি বেদখল কৰি আছি তাত বস-বাস কৰি আহিছে সেই সকল লোকক মধ্যে-মধ্যে চোৱা-চিতা নকৰাকৈ ঘপকৈ মাটি দিলে বা পট্টা দিলে ইয়াৰ দ্বাৰা ৰাইজক উচতনি দিয়াৰ নিচিনা হব। মই গোটেই বিষয়টো চাইছো তাত যিসকলে ১৫ বছৰ ধৰি বেদখল কৰি আছে বুলি জনাইছে সেই সকলৰ ভিতৰত বহুতো লোক আছে সেই সকলে ৫ বছৰো তাত নাই বা আৰু কম সময় আছে, তেওঁলোকে তাত ১৫ বছৰ নাথাকিবও পাৰে। এই গোটেই কথা বিলাক চাবলগীয়া আছে।

* শ্ৰীমতী হেমপ্ৰভা শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, পূৰ্ব্বৰ চৰকাৰে ১৯৮৫ চনতে আইন সংশোধন কৰি যিসকল লোকে ১৫ বছৰৰ ওপৰত সেই মাটিত বসবাস কৰি আছিল সেই সকলক মাটি দিয়াৰ ব্যৱস্থা কৰিছিল আৰু তাৰ পিচৰ চৰকাৰে শাসন কৰিছিল যে বিনামূলীয়াকৈ মাটি পট্টন দিয়া হব। পূৰ্ব্বৰ চৰকাৰৰ দিনত এই ক্ষেত্ৰত চাৰ্ভে কৰি যিবিলাক কেচ সম্পূৰ্ণ কৰিছিল আৰু কিছুমান কেচ এতিয়াও চাৰ্ভে ডিমাৰ্টমেণ্টত পৰি আছে, সেই কেচবিলাকৰ ভবিষ্যত কি হব ? আগৰ যিটো নীতি লৈছিল সেই নীতিৰ পৰা আঁতৰি অহা হৈছে নেকি ? গতিকে মই জানিব পাৰোনে সেই পৰি থকা ফাইল বিলাক কেতিয়া মুকলি কৰা হব ?

* ড° জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ১৫ বছৰ আগতে মাটি বেদখল কৰিলে পূৰ্ব্বৰ প্ৰচলিত ভূমি নীতি অনুসৰি পট্টন দিয়া হৈছে, কিন্তু এই বিষয়টো চাবলগীয়া হৈছে যদি পুংখান, পুংখ ৰূপে এই কেচ বিলাক চোৱা নহয় তেতিয়া বহু ধৰণৰ খেলিমেলি হব পাৰে। সেইকাৰণে এই কেচ বিলাক তন্ন তন্নকৈ চাব লাগিব। ডি, এ. আৰ বিভাগত ২টা সঞ্চালকৰ প্ৰস্তাৱ আছিল। বহু ক্ষেত্ৰত দেখা যায় কিছুমান দৰ্খাস্ত পোৱা গৈছে তাত লিখা আছে ১৫ বছৰৰ ওপৰত থকা বুলি কোৱা হৈছে কিন্তু কাৰ্য্যক্ষেত্ৰত বিচাৰিলে তাত এজনো মানুহ পোৱা নাযায়। গতিকে এই কেচবিলাক পুংখান পুংখৰূপে পৰীক্ষা নকৰাকৈ গুৱাহাটী চহৰত মধ্যে

* Speech not corrected

মধে এই বেদখলকাৰীক মাটি পট্টন দিলে গুৱাহাটী চহৰত মুকলি মাটি নাইকিয়া হব। আমি ভাবিছো কিছুমান এনজিঅ' কৰি পাহাৰৰ মাটি মেইনটেইন কৰি তাত গছ-গছনি কুই পাহাৰত এটা সুন্দৰ সুস্থ পৰিবেশ গঢ়ি তুলিব পৰা হব। কিন্তু তাকে নকৰি জধে-মধে মাটি দিলে আমাৰ উশাহ-নিশাহ লবলৈ অবকাশ নাথাকিব। এই বিলাক কাৰণতেই মই এনে ধৰণৰ প্ৰায় ১০০ টা ফাইল তলা মাৰি বন্ধ কৰি থৈছো। কিয়নো বহু ঠাইত দেখিছো দৰ্খাস্তকাৰীৰ ঠিকনা নাই। আগৰ চৰকাৰে কি পাইছে সেই-বিলাক পুনৰ পৰীক্ষা কৰাৰ প্ৰয়োজন আছে বুলি মই আগতে কৈছো।

* শ্ৰীমতী হেমপ্ৰভা শইকীয়া : মোৰ প্ৰশ্নটো চমুকৈ উত্তৰ দিলে ভাল পালোহেতেন। সেইটো হ'ল ১৫ বছৰৰ ওপৰত বাস কৰা লোক সকলক মাটি পট্টন দিয়াৰ যি নীতি আছিল সেই নীতি বাতিল কৰা হৈছে নেকি ?

* ড° জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাতিল কৰা হোৱা নাই, কিন্তু বাতিল কৰা হব নে নহয় সেইটোহে বিবেচনা কৰি থকা হৈছে।

* শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : এনে ধৰণৰ বেদখল কেবল গুৱাহাটীতেই হোৱা নাই, সমগ্ৰ অসমতে এনে ধৰণৰ বেদখলকাৰী আছে, গতিকে এই বেদখলকাৰীক বেদখলকাৰী বুলি বা বেদখলকাৰী হিচাবে বিবেচনা কৰি আইন প্ৰণয়ন কৰিব নেকি ?

* ড° জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) : এইযে বেদখলকাৰী সকলক অৰ্থাৎ যিসকল লোকে ১৫ বছৰ বেদখলকৰি মাটিত বহি আছে আৰু তেওঁলোকক যদি মাটি পট্টন দিয়া হয় তেতিয়াহলে অকল গুৱাহাটী-তেই নহয় সমগ্ৰ অসমত ই এটা সুদূৰ প্ৰভাৱ পেলাব পাৰে। আগৰ চৰকাৰে যি কৰিছে কিন্তু সেই বুলি পৰীক্ষা নিৰীক্ষা নকৰাকৈ যধে-মধে মাটি পট্টন দিয়াত থিক নহয়।

Mr. Speaker : Now, I request Hon'ble Member Shri Bhima langshu Roy and Hon'ble Chief Minister will reply

---

* Speech not corrected

**Re : Number of G, P. S, S.**

**Shri Bhimananda Tanti** asked :

* 146, Will the Minister of Co-operation be pleased to state :

(a) What is total number of G. P. S. S. ( Gaon Panchayat Samabai Samiti ) in Assam ?

(b) What is total amount sanctioned and released to G. P. S. S. by the Government as grant and loan during 1995-96 and 1996-97 ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replid :

(a) 707 G. P. S S.

(b) A sum of Rs. 353. 50 lakhs was sanctioned and disbursed to 707 G. P. S S. as Working Capital Loan during 1995-96. In 1996-97, Celling for Rs. 13 lakhs is issued as financial assistance to G. P S. S,

* শ্ৰীভিমানন্দ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, তদৰ্থ কমিটি নিৰ্দ্ধাৰণ কৰা ক্ষেত্ৰত কি নীতি গঠন কৰা হৈছে। দ্বিতীয়তে এই কথাটো সচাঁ নেকি যে বিধায়ক সকলৰ মতামত নোলোৱাকৈ এই তদৰ্থ কমিটি বিলাক গঠন কৰা হৈছে? তৃতীয়তে এই কমিটি বিলাকৰ কাৰ্য্যকাল বৃদ্ধি নকৰি নিৰ্বাচনৰ ব্যৱস্থা কৰিব নেকি।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : মাননীয় সদস্য গৰাকীৰ কথা খিনি এই প্ৰশ্নটোৰ লগত কোনো সম্পৰ্ক নাই।

* শ্ৰীগৌতম ৰয় : এই গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ তদৰ্থ কমিটি কিমান দিন চলিব নিৰ্বাচন কেতিয়া কৰিব ?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : এই বছৰতে।

শেখ আব্দুল হামিদ : আগৰ চৰকাৰে জনপ্ৰিয় পলিচি লৈছিল আৰু ছুটকীয়া চাউল সমবায় সমিতিৰ জৰিয়তে দিয়া হৈছিল। সমবায় সমিতি সমূহত ছুটকীয়া চাউলত যিমান টকা খৰচ কৰিলে সেই টকা চৰকাৰে দিয়া ব্যৱস্থা কৰিছে নেকি আৰু কিমান টকা দিব লগা আছে ?

---

* Speech not corrected

মাননীয় অধ্যক্ষ : এইটো বেলেগ প্ৰশ্ন।

Mr. Speaker : Now, I request Hon'ble Member Shri Jyotish Das.

( Starred Question No. 147 could not been taken up for disposal as the Questioner was not present in the House However the said question deemed to have been lapsed )

বিষয় : জনজাতি বসতি অঞ্চলৰ মাটি পট্টন।

শ্ৰীজ্যোতিষ দাস, বিধায়ক।

* ১৪৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত বহুতো জনজাতি বসতি অঞ্চলৰ বাসিন্দাৰ আজি পৰ্য্যন্ত মাটি পট্টন হোৱা নাই, বিভাগীয় মন্ত্ৰী মহোদয়ে অৱগতনে ?

(খ) এই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

ড: জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সত্য নহয়।

(খ) ব্যৱস্থা লৈ থকা হৈছে।

* শ্ৰীজ্যোতিষ দাস : মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাত জনজাতীয় মানুহ যুগ যুগ ধৰি বসবাস কৰি আছে মাটিৰ পট্টন পোৱা নাই। গোৱালপাৰা পশ্চিম সমষ্টিত ৰেলৰে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ পোৱাৰ কাৰণে যথেষ্ট কষ্ট কৰিব লগা হৈছে। আনকি আইনৰ আশ্ৰয় লব লগা হৈছে। যুগ যুগ ধৰি বসবাস কৰা লোক সকলক বেদখলকাৰী নাম দি জনজাতীয় লোক সকলক বঞ্চিত কৰা হৈছে যাৰ কাৰণে তেওঁলোক পাহাৰ মুখী হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই জনজাতীয় লোক সকলক মাটি পট্টন দিয়া ব্যৱস্থা কৰিব নেকি ?

* ড° জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) : চৰকাৰৰ ভূমিনীতি অনুসৰি ৰাজ্যখনৰ সকলো বিলাকে জনজাতীয় লোকক মাটিৰ পট্টন দি থকা হৈছে। গোৱালপাৰা জিলাত ২ হাজাৰ ৪ শ ৮ বিঘা মাটি পট্টন দিয়া হৈছে। নিম্নতন চাহিদা অনুযায়ী ১০২৮ টা পৰিয়ালক ঘৰ সাজিব

* Speech not corrected

দিছে। বাকী ক্ষতিগ্ৰস্ত সকলক চিলিং উৎবিত্ত মাটিত সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলাত এতিয়া ২০৬৯ বিঘা মাটি চিলিং উৎবিত্ত হৈছে। ১৫৯৫০ বিঘা মাটি আবণ্টন দিয়া হৈছে। ৪৬৬৯ বিঘা মাটি চৰকাৰৰ অধিনত বিভিন্ন লোকক পট্টন দিব পৰা হৈ আছে।

* শ্ৰীজ্যোতিময় দাস : চিলিং উৎবিত্ত মাটিৰ যিটো কথা কৈছে সেইটো আচলতে তথ্যপাতিহে চৰকাৰৰ দখলত গৈছে। মাটিৰ মালিক বিলাকে এতিয়াও ভোগ দখল কৰি আছে। গতিকে মন্ত্ৰী মহোদয়ে চৰজমিনে তদন্ত কৰি সেই মাটি চৰকাৰৰ দখলত অনাৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীজয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) : চিলিং উৎবিত্ত এৰিয়া নাই সম্পৰ্কত যিটো কৈছে এই সম্পৰ্কত নিৰ্দ্দিষ্ট অভিযোগ পালে ব্যৱস্থা লব পাৰিম।

* শ্ৰীএটোৱা মুণ্ডা : বিভিন্ন জিলাৰ কথা কৈছে যেতিয়া মই ডিব্ৰুগড় জিলাৰ কথা উল্লেখ কৰিব বিচাৰিছো। কিংখং সমষ্টিৰ ১০৭ নং গ্ৰাণ্টৰ আৰু ১৮২ গ্ৰাণ্টৰ ৬/৭ হাজাৰ বিঘা মাটি বৃটিছৰ দিনত লিজত দিয়া আছিল। তাত জনজাতীয় মানুহ বসবাস কৰি আছে। এতিয়া সেই মাটিৰ পৰা চৰকাৰেও টেক্স নাপায়। গতিকে জৰীপ কৰি সেই জনজাতী সকলক মাটি পট্টন দিয়া ব্যৱস্থা কৰিব পাৰি নেকি ?

* ডঃ জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) : তেখেতে যিখিনি কথা কলে লিখিত ভাবে অৱগত কৰিলে টোকাৰ ওপৰত ভিত্তি কৰি আজিয়েই ব্যৱস্থা লবপৰা হব।

* শ্ৰীগিৰিণ বৰুৱা : শ শ বছৰ ধৰি সত্ৰ দেৱালয়ৰ মাটি যিসকলে ভোগ দখল কৰি আছে তেওঁলোকে ম্যাদি পট্টা পোৱা নাই আৰু সেই লোক সকল হাৰাশাস্তি হব লগা হৈছে। ১৯৮৫/৯০ চনত অসম গণপৰিষদ চৰকাৰৰ যি নীতি আছিল সেইমতে সত্ৰ দেৱালয়ৰ মাটিবিলাক পৰ্য্যাক্ৰমে ম্যাদি পট্টা দিয়া ব্যৱস্থা কৰিব নেকি।

* ড° জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) : গুৱাহাটীৰ মাজমজীয়াত টকোবাৰীত ভূমি কোনোবা সত্ৰৰ আছিল। বহু বছৰ ধৰি বসবাস কৰি আছে

---

* Speech not corrected

মাটিৰ পট্টা দিয়া নাই। গোটেই অসমত সত্ৰ দেৱালয়ৰ মাটি যিয়ে দখল কৰি আছে তেওঁলোকক দখল কৰা স্বত্ত দিয়াটো পুনৰ পৰীক্ষা কৰা হব।

Mr. Speaker : Now, I request Ho'nble Member Shri Kaliranjan Deb.

Re : Paying of Compensation.

**Shri Kaliranjan Deb asked :**

* 149. Will the Minister of Forest be pleased to state :

(a) Is it a fact that the Government use to pay compensation ( Ex-gratia ) Rs. 5000 /-( Five thousand ) for each person killed by wild elephants, whereas Governments use to pay Rs. 1,00,000.00 ( one lakh ) for a person killed by insurgents ?

(b) If so, why discrimination ?

(c) Will the Government be pleased to consider to increase the rate of compensation for the person, killed by wild elephants to Rs. 1,00,000 00 ( one lakh )

(d) If not, why ?

Shri Nagen Sarma, ( Minister ) replied .

(a) Yes.

(b) The matter is under active consideration of the Government.

(c) Does not arise.

* শ্ৰীকালিৰঞ্জন দেব : চৰকাৰী আইন মতে হাতীয়ে মৰা জীৱনৰ মূল্য ৫ হাজাৰ টকা। গুলি কৰি মাৰিলে ১ লাখ টকা পায়। এই বৈশম্যটো আঁতৰ কৰা ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) : এইটো আজিৰ কথা নহয়। বহু দিনৰ পৰা চলি আহিছে। বঢ়াব পাৰি নেকি সক্ৰিয় বিবেচনা কৰি থকা

* Speech not corrected

হৈছে। ১৩ লাখ মানুহ টবেকো খায় যবে তেওঁলোকেটো ক্ষতি পূৰণ নাপায়।

* শ্ৰীকান্তিৰঞ্জন দেব : কাছাৰ জিলাত বহুতো মানুহক হাতীয়ে মাৰিছে। গতিকে ৰেটটো বঢ়াই দিব নেকি ?

* শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) : এই সম্পৰ্কত বিবেচনাধীন হৈ আছে।

Mr. Speaker : Now, I request Hon'ble Member Shri Sukur Ali.

বিষয় : কপিলি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ।

শ্ৰীশুকুৰ আলিয়ে সুধিছে :

* ১৫০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৫০ মেগাৱাটৰ ল'ৱাৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ ( Lower Kopili H. E. Project ) নিৰ্মাণৰ কাম নেপকোক ( NEEPCO ) হস্তান্তৰ কৰাটো সঁচানে ?

(খ) যদি সঁচা, কি কি কাৰণত উক্ত প্ৰকল্পৰ নিৰ্মাণৰ দায়িত্ব নেপকোক দিয়া হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) বৰ্তমান উক্ত প্ৰকল্পটোৰ নিৰ্মাণৰ কাম নেপকোক ( NEEPCO ) হস্তান্তৰ কৰা এতিয়াও হোৱা নাই। কিন্তু কিছু চৰ্ত্ত সাপেক্ষে ল'ৱাৰ কপিলী জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ নেপকোৰ দ্বাৰা সম্পূৰ্ণ কৰাৰ বাবে অনুমোদন জনোৱা হৈছে।

(খ) যাৱতীয় পুঁজিৰ অভাৱৰ বাবে উক্ত প্ৰকল্পটো নেপকোক হস্তান্তৰ কৰাৰ বাবে মনস্থ কৰা হৈছে।

* শ্ৰীশুকুৰ আলী : মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে কিছু চৰ্ত্ত সাপেক্ষে লোৱাৰ কপিলি জলবিদ্যুৎ প্ৰকল্পৰ কাম নেপকোক দিয়া হৈছে। মোৰ প্ৰশ্নটো হ'ল (ক) কি কি চৰ্ত্ত সাপেক্ষে লৱাৰ কপিলি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ নেপকোক অনুমোদন দিয়া হৈছে। (খ) ৰাজ্যিক বিদ্যুত পৰিষদে কিমান শতাংশ কাম সম্পূৰ্ণ কৰিছে ? সেই টকা এ. চি, এ বিক ঘূৰাই দিব নে নাই ? (গ) নেপকোক হস্তান্তৰ কৰাৰ ফলত কি লাভ হোৱা ধাৰণা কৰা হৈছে।

* Speech not corrected

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ): ভাৰত চৰকাৰে এই ক্ষেত্ৰত ফুল ফাণ্ডিং কৰিব আৰু বিয়ামবাৰ্চ কৰা হৈছে এ, ই, চি, বিৰ সকলো লায়েবিলিটি। এচ, ই, বিৰ বাহি হোৱা চিভিল ইঞ্জিনিয়াৰক ডেপুটেচনত দিয়া পৰামৰ্শ দিয়া হৈছে। নেপকোক ড্ৰাফ প্ৰপোজেল দিবলৈ কোৱা হৈছে।

* ডঃ অৰ্ধেন্দু কুমাৰ দে ঃ কাৰবী লাংপি প্ৰজেক্টৰ কাৰণে প্লেনত কিমান টকা ধৰা হৈছে ?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) ঃ এইটো এটা বেলেগ প্ৰশ্ন।

* ডঃ অৰ্ধেন্দু কুমাৰ দে : মুখ্য মন্ত্ৰীয়ে একে প্ৰশ্নৰ উত্তৰত কৈছে ১৯৯৭ চনত ২৬'৩৫ টকা ধৰা হৈছে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ): এইটো লোৱাৰ কপিলিৰ প্ৰশ্ন। কাৰবীলাংপিৰ নহয়।

* শ্ৰীচিত্ৰভিউছ কন্দপান : অসমত বিদ্যুত উৎপাদনৰ কাৰণে ব্ৰহ্মপুত্ৰৰ দাতীৰ জিলাত হেডকোৱাৰ্টাৰ হিচাবে কেন্দ্ৰ কৰি মিনি হাইডেল প্ৰজেক্ট কৰাৰ কাৰণে ব্যক্তিগত খণ্ড আহ্বান কৰা কথা চিন্তা কৰিব নেকি ?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) ঃ ইতিমধ্যে ২৩ টা চিনাক্তকৰণ কৰা হৈছে। প্ৰাইভেট চেক্টৰত মিনি হাইডেল প্ৰজেক্ট দিব পৰা যাব।

Mr. Speaker : Now, I request Hon'ble Member Shri Dilip Kumar Saikia.

## বিষয় : মথাউৰি পূৰ্ণ নিৰ্মাণ

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

* ১৫১। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত যোৱা বছৰ বানপানীয়ে বিস্তৰ ভাৱে ক্ষতি কৰি যোৱা জিলা সমূহত মথাউৰি সমূহৰ পূৰ্ণ নিৰ্মাণৰ বাবে কিমান টকা আবণ্টন দিয়া হৈছে, জিলা ভিত্তিত তালিকা দাখিল কৰিব ?

(খ) বানপানীৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা ধেমাজি মহকুমা, উত্তৰ লক্ষীমপুৰ মহকুমা, ঢকুৱাখানা মহকুমা আৰু মাজুলী মহকুমাৰ

* Speech not corrected

মথাউৰি সমূহৰ কিমান শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হ'ল জনাবনে ?

(গ) এই মথাউৰি সমূহ পূৰ্ণ নিৰ্মাণ ও মেৰামতিৰ কাম বাৰিষাৰ আগতে সম্পূৰ্ণ কৰিবনে ?

শ্ৰীপ্ৰমোদ গগৈ ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সৰ্ব্বমুঠ ১২,০০ কোটি টকা আবন্টন পোৱা হৈছে। জিলা ভিত্তিত আবন্টনৰ তালিকা সন্নিবিষ্ট কৰা হ'ল।

( See the Annexure – I )

(খ) আঁচনি ভিত্তিক অগ্ৰগতিৰ তালিকা সন্নিবিষ্ট কৰা হ'ল।

( See the Annexure—I )

(গ) সম্পূৰ্ণ কৰাৰ সকলো প্ৰচেষ্টা হাতত লোৱা হৈছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : ইতিমধ্যে কাৰেং চাপৰিত ৪০ শতাংশ কাম হৈছে। জিয়াধলত শতকৰা ২ ভাগ কাম হৈছে। বাৰিষাৰ আগে আগে কাম যে হব মোৰ সন্দেহ আছে। ইয়াত টকা ধাৰ্য্য কৰা হৈছে ১৪'৯৯ লাখ। মাৰজিনেল এমবেংমেণ্ট ৮'৪২২ লাখ টকা। কাম হৈছে শতকৰা ১০ ভাগ। কিন্তু মই জনামতে কাম আৰম্ভ হোৱা নাই। উত্তৰ লক্ষিমপুৰৰ বিশেষকৈ এফ, ডি, আৰ বন্তৰিৰ পৰা জামুগুৰিলৈ টকা ধৰা হৈছে ১০'৮২ লাখ। কাম আৰম্ভ হোৱা নাই। ইয়াৰ পাচত এফ, ডি, আৰ চিচিকল ঘৰৰ পৰা ভেকেলি ফুটালৈ টকা ধৰা হৈছে ২৪ লাখ। কাম আৰম্ভ হোৱা নাই। ঠিক তেনেকৈ মাজুলীত এফ, ডি, আৰ হালধীবাৰীৰ পৰা বেচামৰালৈ টকা ধৰা হৈছে ৫'২৪ লাখ কাম আৰম্ভ হোৱা নাই। এফ, ডি, আৰ চুমৈমাৰীত ৩'৮৬ লাখ টকা ধৰা হৈছে কিন্তু কাম আৰম্ভ হোৱা নাই। এতিয়া মই কব বিচাৰিছো যে যিহেতু কাম থিনি আৰম্ভ হোৱা নাই সেয়ে টকা থিনি জমা ৰখাই ভাল। প্লেনিং বোৰ্ড'ৰ সিদ্ধান্ত মতে ৩৬ খন নাওঁ বনাবলৈ দিছে।

* শ্ৰীপ্ৰমোদ গগৈ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে আমাৰ অসমত যিমান বিলাক মথাউৰী চিগিলে সেই বিলাক মেৰামতি আৰু বন্ধ কৰা প্ৰয়োজন ১৯

* Speech not corrected

কোটি টকা। ৰাজহ বিভাগে আবণ্টন দিছে ১২ কোটি টকা। সেই কাৰণে আটাই বিলাক চিপা বন্ধ কৰাৰ আচনি লব পৰা নাই। সেয়ে ১২ কোটি টকাৰ ভিতৰত আঁচনি আবদ্ধ কৰিব লগা হৈছে। দ্বিতীয়তে ৰাজহ বিভাগে নতুন আইনৰ ব্যৱস্থা কৰিছে সেইমতে যেতিয়ালৈকে আচনি বিলাকত অনুমোদন নিদিয়ে তেতিয়ালৈকে কাম আৰম্ভ কৰিব নোৱাৰে। ৰাজহ বিভাগে অনুমোদন কৰি দিয়াৰ পাচত ৬ কোটি টকা দিছে। ৬ কোটি টকাৰ সৰহভাগ কাৰেং চাপৰিত ধাৰ্য্য কৰা হৈছে। এতিয়া কাম আৰম্ভ কৰাৰ নিৰ্দ্দেশ দিছো। আচলতে কবলৈ হলে ২ কোটি টকাহে ১২ কোটি টকাৰ ভিতৰত পাইছিলো। বাকীখিনি কালিহে পাইছো। এতিয়া প্ৰায় বিলাক আঁচনিৰ কাম আৰম্ভ হৈছে আৰু কিছুমানত আৰম্ভ হবলৈ বাকী আছে। যিমান পৰা যায় অপচয় কৰিবলৈ বিচৰা নাই। কাৰেং চাপৰিৰ গোটেইখিনি টকা উপায়ুক্তই জমা ৰাখিছে। চাই চিন্তি যিমান খিনি টকা হয় মুকলি কৰি দিব।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া :** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বিধান সভাত সত্য কথা কোৱাৰ কাৰণে ধন্যবাদ দিছো। কিন্তু দেখা গৈছে কাম মাত্ৰ ২ শতাংশহে হৈছে। তাত শুদ্ধ বালিহে আছে। গতিকে এই টকাটো আচলতে আমাৰ চৰকাৰৰ ঘৰত জমা ৰাখিব লাগে। খৰচ কৰি লাভ নাই, অপচয় হব।

* **শ্ৰীপ্ৰমোদ গগৈ ( বান বিভাগৰ মন্ত্ৰী ) :** মাননীয় অধ্যক্ষ মহোদয়, সিদিনা এই সম্পৰ্কত আলোচনা হওঁতে মাননীয় সদস্য প্ৰণতি ফুকন মহোদয়াই কৈছিল যে, তাত বৰষুণত শিল ভঙা নাই।

* **শ্ৰীআলী আকবৰ মিঞা :** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ দি, চিৰ অফিচ আৰু চাৰ্কিট হাউচৰ লগতে যিটো শিৱ মন্দিৰ আছে তাৰ পিচফালে যিটো মথাউৰি বন্ধা হৈছিল সেইটো ইতিমধ্যে ভঙা আৰম্ভ হৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, এই মথাউৰি সম্পৰ্কত এটা স্পেচিয়েল ব্যৱস্থা গ্ৰহণ কৰিবনে? তাৰোপৰি আমি জানিব পাৰিছো যে, এফ, ডি, আৰ আৰু বিশ্ব

* Speech not corrected

বেংকৰ ফালৰ পৰা ধুবুৰী জিলাৰ বাবে দি দুটা আঁচনি লোৱা হৈছিল সেই আচনি দুটা কাটি দিছে। গতিকে এই আচনি দুটা পুনৰ লোৱাৰ বাবে বিশেষভাৱে বিবেচনা কৰিবনে ?

* শ্ৰীপ্ৰমোদ গগৈ ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ প্ৰশ্নটো হৈছে ধেমাজী, উত্তৰ লক্ষীমপুৰ, ঢকুৱাখানা আৰু মাজুলী সম্পৰ্কত। গতিকে আজি মই ক'ত কিমান টকা আৱন্টন দিয়া হৈছে সেইটো কব পাৰিম। এইটো মই কব বিচাৰিছো যে : ডিব্ৰুগড়ত ৭'১৭২ লাখ, শিৱসাগৰত ৫১'৭৯৪ লাখ, যোৰহাটত ৮২'১৭৭ লাখ, গোলাঘাটত ১৬'০৩৯ লাখ, ধেমাজিত ৩৭৮'৩৮৬ লাখ, লক্ষীমপুৰত ১২৫'১৮ লাখ, শোনিতপুৰত ২'৩১ লাখ, নগাওঁত ১০'৪৬২ লাখ, মৰিগাওঁত ৩ ৬৮০ লাখ, বৰবেটাত ৫৬'১৯১ লাখ, দৰঙত ১০৯'২৩ লাখ, নলবাৰীত ৬৯'২৭১ লাখ, কামৰূপত ১৮৬'১০৭ লাখ, ধুবুৰীত ২৮'১০৯ লাখ, গোৱালপাৰাত ৩৭ ৭১৩ লাখ, কোকৰাঝাৰত ৭'৫৩৫ লাখ, বঙাইগাৱঁত ১৬'১৮ লাখ, কাছাৰত ৫'৩২৮ লাখ, কৰিমগঞ্জত ৩'৭৪৩ লাখ, হাইলাকান্দিত ৩ ৬২৪ লাখ মুঠ ১২ কোটি টকা। যিবিলাক জিলাৰ মথাউৰি চিঙিছে বা বেয়াকৈ গঢ়া খহনীয়া হৈছে সেইবিলাকত এই টকাটো আৱন্টন দিয়া হৈছে।

* শ্ৰীগহীন দাস : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নগাও জিলাত যি কেইটা বান্ধ ভাঙি গৈছে তাত এই ১০ কোটি টকাৰে কি হব ?

* শ্ৰীপ্ৰমোদ গগৈ ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক হৈছে এফ, দি, আৰৰ টকা। অন্যান্য আচনিত আৰু আছে।

* শ্ৰীকৰুণা দত্ত : মাননীয় অধ্যক্ষ মহোদয়, মই মাজুলী সম্পৰ্কত এটা প্ৰশ্ন কৰিম বুলি ভাবিছো। মন্ত্ৰী মহোদয়ে বিৱৰণী দিছে আৰু ইতিমধ্যে মোৰ এই স্পৰ্শকাতৰ বিষয়টো আলোচনা কৰাও হৈছে। গতিকে মাজুলী সম্পৰ্কত কি ব্যৱস্থা লোৱা হৈছে জনাবলৈ অনুৰোধ জনালো।

* শ্ৰীপ্ৰমোদ গগৈ ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) : মাজুলীত আমি এফ, দি, আৰৰ ফালৰ পৰা ২ টা আঁচনি লৈছো। ইতিমধ্যে

---

* Speech not corrected

কাম আৰম্ভ কৰাৰ বাবে বিভাগক নিৰ্দেশ দিয়া হৈছে। মই মাননীয় সদস্য গৰাকীৰ লগতো আলোচনা কৰিছো। গোটেই মাজুলীৰ গড়া খহনীয়া সংৰক্ষণ কৰাৰ কাৰণে ব্ৰহ্মপুত্ৰ বোৰ্ডকো অনুৰোধ কৰা হৈছে। মাষ্টাৰ প্লেন কৰাৰো সিদ্ধান্ত লোৱা হৈছে। মাজুলীত মডেল টেষ্টৰ কাৰণে ৬০.৬৫ লাখ টকা ধাৰ্য্য কৰা হৈছে। এই বছৰৰ পৰা মদেল টেষ্টৰ কাম আৰম্ভ হব।

**Mr. Speaker :** Now, I request Hon'ble Member Shri Nizamuddin Khan.

বিষয় : বিজুলী যোগান ধৰা গাওঁ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

* ১৫২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কিমান ৰাজহ গাৱঁলৈ বিজুলী যোগান ধৰা হৈছে ?

(খ) প্ৰতিখন গাৱঁলৈ বিজুলী যোগানৰ ব্যৱস্থা কৰিবনে ?

(গ) যদি কৰে গাওঁ নিৰ্বাচনৰ ক্ষেত্ৰত ভিত্তি কি লোৱা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) ৩১/৩/৯৬ পৰ্য্যন্ত তাৰিখলৈ পিয়লভূক্ত ১৮,৮৬৯ গাৱঁলৈ বৈদ্যুতিকৰণ কৰা হৈছে।

(খ) প্ৰয়োজনীয় পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে আটাইবোৰ গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ চৰকাৰে নীতিগত ভাৱে এটা দীৰ্ঘকালিন লক্ষ্য হিচাবে স্থিৰ কৰিছে।

(খ) বাকী থকা গাওঁ সমূহ পৰ্য্যায়ক্ৰমে আৰু প্ৰয়োজনীয় আবন্টন ধনৰ অনুমোদনৰ সাপেক্ষে কাৰিকৰী গুণাগুণ আৰু ৰাজহ বৃদ্ধিৰ ওপৰত অগ্ৰাধিকাৰ দি গাওঁ নিৰ্বাচন কৰা হব।

* শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মন্ত্ৰী মহোদয়ে কৈছে যে, পিয়লভুক্ত ১৮.৮৬৯ খন গাৱঁলৈ বৈদ্যুতিকৰণ কৰা হৈছে। মন্ত্ৰী মহোদয়ে জনাব নেকি যে, এখন ৰাজহ গাৱঁত কেইবাটাও চুবা থাকে আৰু সেই সকলোবিলাক চুবাকে কভাৰ কৰা হৈছে নেকি ? যদিহে হোৱা নাই সেইবিলাকত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

---

* Speech not corrected

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এখন গাৱঁত কেইবাটাও চুবুৰী থাকে। এতিয়া বৰপেটা জিলাত ১ হাজাৰ ৪৬ খন গাওঁ আছে। তাৰ ভিতৰত ৯৪১ খন গাৱঁত ইলেক্ট্ৰিফাইদ কৰা হৈছে। যিবিলাক চুবা আছে সেইবিলাক ইলেকট্ৰিফাইড কৰিলে যদি ৰেভিনিউ লোকচান নহয় তেনেহলে ব্যৱস্থা লোৱা হয়।

* শ্ৰীআলাউদ্দিন সৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, গাওঁখনত এটা চাকি বা বাটি জ্বলিলেও গাওঁখন ইলেকট্ৰিফাইদ কৰা হয় বুলি কয়নেকি?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় এটা চাকি বা বাটি জ্বলিলেও যদি ইলেকট্ৰিফাইড কৰা হয় তেনেহলে দেখা যায় এই সকলোবোৰ ইলেকট্ৰিফাইদ কৰা হৈছে। আচলতে বিজুলী বাটি জ্বলাৰ ব্যৱস্থা গাওঁৰ কমিটি বিলাকে কৰিছে আৰু তেওঁলোকে টকা জমা দিব লাগিব।

* শ্ৰীনিজামুদ্দিন খান: মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা কমিটি গঠন কৰা হৈছে নেকি? মই জনাত কোনো কমিটি নাই।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় বহুত গাৱঁত এনে কমিটি আছে। যদিহে কমিটি নাই তেনেহলে কমিটি কৰি বিজুলী বাটি জ্বলাৰ ব্যৱস্থা কৰিব লাগিব।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা: মাননীয় অধ্যক্ষ মহোদয়, গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিখন সংশোধন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছেনেকি? আৰু কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছে নেকি?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেনে কোনো প্ৰস্তাৱ নাই। কিন্তু চিষ্টেমটো ৰি ষ্ট্ৰাকচাৰ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীভীমানন্দ তাঁতী: মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগান সমূহত বিজুলী শক্তি সৰবাহ কৰাৰ বাবে কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

* মাননীয় অধ্যক্ষ: প্ৰশ্নোত্তৰ কাল শেষ হৈছে।

* শ্ৰীআলাউদ্দিন সৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা গুৰুত্বপূৰ্ণ

* Speech not corrected

প্ৰশ্ন শেষত আহিছে। যিহেতুকে আধাঘন্টা সময় আৰু আলোচনা কৰিব পাৰে তেনেহলে মোৰ প্ৰশ্নটো উত্থাপন কৰাৰ বাবে অনুমতি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** অপুনি এখন চেপাৰেট নটিছ দিব লাগিব।

(Starred Questions no 153 to 160 could not be taken up for disposal as the question hour was over. However the replies of the same Questions deemed to have been laid on the table of the House.)

**Mr. Speaker:** Now, I request Hon'ble Member Shri Mahendra Mohan Roy Choudhury.

বিষয় ঃ চোৰাং কাঠ জব্দ।

**শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :**

* ১৫৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : টংলা ৰেল ষ্টেচনৰ অসম ৰেল আৰক্ষী বাহিনীৰ তৎপৰতাত দৰং জিলাৰ খৈৰাবাৰী থানাই ২২ জানুৱাৰী' ৯৬ তাৰিখে তেলবাহী ৰেল গাড়ীৰ পৰা চোৰাং কাঠ জব্দ কৰা কথাটো সত্যনে ?

**শ্ৰীনগেন শৰ্ম্মা ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

সত্য।

**Mr. Speaker:** Now, I request Hon'ble Member Shri Hemanta Kalita.

বিষয় ঃ পৰ্য্যটকৰ বাবে নতুন আঁচনি।

**শ্ৰীহেমন্ত কলিতাই সুধিছে ঃ**

* ১৫৫। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমলৈ পৰ্য্যটকৰ আকৰ্ষণ বৃদ্ধিৰ বাবে কেনে নতুন আঁচনি গ্ৰহণ কৰিছে জনাবনে ?

(খ) অসমৰ ৰাজহ বৃদ্ধিৰ ক্ষেত্ৰত পৰ্য্যটক বিষয়টিক কেনে ধৰণৰ গুৰুত্ব আৰোপ কৰা হৈছে জনাবনে ?

(গ) পুৰণি কিৰ্ত্তী স্তম্ভ সমূহৰ লগতে অসমৰ মঠ-মন্দিৰ সমূহ পৰ্য্যটকৰ দৰ্শনৰ অৰ্থে বিশেষ উন্নয়ণৰ কেনে আঁচনি গ্ৰহণ কৰা হৈছে জনাবনে ?

* Speech not corrected

(ঘ) অসমৰ লোক ক'লা-লোক-সঙ্গীত সমূহ পৰ্য্যটকৰ দৰ্শনাৰ্থে বিশেষ উৎসৱ বা তেনে আঁচনি গ্ৰহণ কৰিব নোৱাৰিবনে? যদি কৰা হৈছে বিশদ ভাৱে জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) অসমলৈ পৰ্য্যটক আকৰ্ষণ কৰিবৰ বাবে অসম চৰকাৰৰ পৰ্য্যটন বিভাগে বিভিন্ন আঁচনি লৈছে। ইয়াৰ ভিতৰত বিভিন্ন প্ৰচাৰ পুস্তিকাত অসমৰ পৰ্য্যটন সম্পদ, বনজ সম্পদ, মঠ-মন্দিৰ আৰু লোক-সংস্কৃতিৰ বিৱৰণ দাঙি ধৰা হৈছে। ভাৰতৰ বিভিন্ন মহানগৰীত আয়োজিত পৰ্য্যটন মেলা সমূহত অংশ গ্ৰহণৰ দ্বাৰাও এই প্ৰচাৰ চলোৱা হৈছে। ইয়াৰ বাহিৰেও চাহ পৰ্য্যটন উৎসৱ আৰু ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ জৰিয়তে পৰ্য্যটক সকলক আকৰ্ষিত কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে।

(খ) পৰ্য্যটনক ইতিমধ্যে উদ্যোগ হিচাপে ঘোষণা কৰা হৈছে আৰু ইয়াৰ জৰীয়তে আশা কৰা হৈছে যে ই ব্যক্তিগত খণ্ডত পুঁজি বিনিয়োগকাৰীক পৰ্য্যটন উদ্যোগলৈ আকৰ্ষিত কৰিব পাৰিব।

বিভিন্ন প্ৰচাৰ মাধ্যম আৰু আঁচনিৰ জৰীয়তে অসমলৈ পৰ্য্যটকক আকৰ্ষিত কৰাৰ ব্যৱস্থা কৰা হৈছে যাতে পৰ্য্যটকৰ আগমনে ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰে।

(গ) কিছু মঠ মন্দিৰৰ সমীপত জিৰণী ঘৰ নিৰ্মাণৰ আঁচনি আছে।

(ঘ) ভাৰতৰ বিভিন্ন মহানগৰীবোৰত আয়োজিত হোৱা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটন মেলা আৰু প্ৰদৰ্শনীত অসমৰ লোক কলা আৰু লোক সংস্কৃতিৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

Mr. Speaker: Now, I request Hon'ble Member Shri Abdur Rouf.

বিষয়: সাহাৰ্য্য শিবিৰত থকা ব্যক্তিৰ সংখ্যা।

শ্ৰীআব্দুৰ ৰৌফে সুধিছে:

* ১৫৬। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯৩ চনৰ পৰা ১৯৯৬ ইং চনৰ ভিতৰত অসমৰ বিভিন্ন স্থানত

---

* Speech not corrected

হোৱা গোষ্ঠীগত সংঘৰ্ষ'ৰ বলি হৈ কিমান ব্যক্তি শিবিৰত আছে ?

(খ) সংঘৰ্ষ'পিৰীত ব্যক্তি সকলক প্ৰত্যাবৰ্ত্তন কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

(গ) যদি লোৱা নাই, তেনেহলে কিয় ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

(ক) মুঠ ১,১৮,২৬১ জন ব্যক্তি বিভিন্ন শিবিৰত আছে।

(খ) লোৱা হৈছে।

(গ) প্ৰশ্ন নুঠে।

Mr. Speaker : Now, I request Hon'ble Member Shri Jagannath Singha.

**Shri Jagannath Singha asked :**

**Re : Construction of Barak Dam**

* 157. Will the Minister of Flood Control be pleased to state :

(a) The present position of Barak Dam ?

(b) Whether the Government of Monipur has agreed to the proposal of Assam Government for construction of Barak Dam on the upper stream of River Barak ?

(c) Since the matter is pending for a pretty long time. Will the Government start construction of the Dam on the Tributaries of river Barak ?

**Shri Pramode Gogoi (Flood Control Minister) replied :**

(a) The Technical Advisory Committee of Minister of Water Resources on Irrigation and Flood Control had accorded Techno Economic clearance to the Tipaimukh Dam Project at an estimated cost of

* Speech not corrected

Rs. 2899 crores subject to Forest & Environmental clearance from Ministry of Environment & Forest. is kept in abeyance till the clearance from all 3 ( three ) ) states are available including Forest clearance from Manipur and Mizoram. Government of Manipur has expressed strong reservation against the construction of the dam mainly on three counts : (i) Rehabilitation and re-settlement plan prepared by Brahmaputra Board, (ii) Seismological consideration. and (iii) Environmental cansideration. Ministry of Water Resources has been persuing vigorously with the Government of Manipur to resolve these issues at the earliest.

(b) There is no such proposal for construction of the Barak Dam from Government of Assam to Government of Manipur on the upper stream on River Barak.

(c) There is no proposal for construction of dam on the tributaries of river Barak at present.

**Mr. Speaker.** Now, I request Hon'ble Member Smti Pranati Phukan.

বিষয় : বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ

শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে :

* ১৫৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত ঘিনাই কাবৈমাৰিত বিদ্যুতৰ Transformer দুটা দিয়াটো চৰকাৰৰ অৱগত নে ?

(খ) এই transformer দুটা আকৌ বিভাগে ঘূৰাই লৈ যোৱাটো সঁচা নে ?

(গ) যদি সঁচা, কিয় ঘূৰাই লৈ যোৱা হ'ল জনাবনে ?

---

* Speech not corrected

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) কাৰৈমাৰী গাৱঁৰ ট্ৰেন্সফৰ্মাৰটো উঠাই অনাটো সত্য। ঘিনাই গাৱঁৰ ট্ৰেন্সফৰ্মাৰটো উঠাই অনা নাই।

(গ) কাৰৈমাৰী গাৱঁৰ ট্ৰেন্সফৰ্মাৰটো বেয়া হোৱাৰ বাবে উঠাই অনা হয়। প্ৰয়োজনীয় মেৰামতি কৰাৰ পিচত বহুৱা হব।
ঘিনাই গাৱঁৰ ট্ৰেন্সফৰ্মাৰটো বৰ্ত্তমান চলি আছে।

Mr. Speaker : Now, I request Hon'ble Member Shri Atul Bora.

বিষয় : বনৰীয়া হাতী ধৰাৰ অনুমতি

শ্ৰীঅতুল বৰাই সুধিছে :

* ১৫৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বিভিন্ন জিলাত বনৰীয়া হাতী ধৰিবলৈ অনুমতি প্ৰদান কৰাৰ দৰে গোলাঘাট জিলাতো হাতী ধৰাৰ অনুমতি প্ৰদানৰ কথা চৰকাৰে বিবেচনা কৰিছেনেকি ? যদি কৰা নাই, কিয় কৰা নাই ?

(খ) জিলাখনত যোৱা পাচ বছৰত বনৰীয়া হাতীৰ আক্ৰমনত মৃত্যু হোৱা লোকৰ সংখ্যা কিমান ?

শ্ৰীনগেন শৰ্মা ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বিবেচনা কৰা হোৱা নাই। সেই হেতুকে গোলাঘাট জিলাৰ বন সংমণ্ডল বিষয়াৰ পৰা বনৰীয়া হাতী ধৰাৰ কোনো প্ৰস্তাৱ পোৱা হোৱা নাই।

(খ) ১১ জন।

Mr. Speaker : Now, I request Hon'ble Member Shri Allauddin Sarkar.

বিষয় : ভগনীয়া আদিবাসীৰ বাবে অস্থায়ী শিবিৰ।

শ্ৰীআলাউদ্দিন চৰকাৰে সুধিছে :

* ১৬০। মাননীয় সাহার্য্য পুনঃ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* Speech not corrected

(ক) ধুবুৰী জিলাত ভগনীয়া আদিবাসী সকলৰ বাবে কিমানটা অস্থায়ী শিবিৰ পতা হৈছে ? (অঞ্চলৰ সৈতে নাম উল্লেখ কৰিব)

(খ) শিবিৰ পৰ্যায়ত ভগনীয়া সকলৰ সংখ্যা কিমান ?

(গ) কিদৰে ভগনীয়া সকলৈ সহায় সাহায্য আগবঢ়োৱা হৈছে ?

(ঘ) নিজ নিজ ঠাইত ভগনীয়া সকলক পুনঃ সংস্থাপন কেতিয়াকৈ কৰা হব ?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) মুঠ ২ টা। ১ টা গোলোকগঞ্জ ৰাজহ চক্ৰৰ পেষ্টাৰ ঘাটত আৰু ১ টা বগৰীবাৰী ৰাজহ চক্ৰৰ বগৰীবাৰীত।

(খ) ৫৫২৩ টা।

(গ) ভগনীয়া সকলক চাউল, দালি, মিঠাতেল আৰু নিমখ আদি দিয়া হৈ আছে।

(ঘ) পূৰ্বতে সংৰক্ষিত বনাঞ্চলত অধিগ্ৰহণ কৰি বসবাস কৰি থকা ভগনীয়া সকলৰ বাহিৰে বাকী ভগনীয়া সকলক নিজ নিজ ঠাইত অতি সোনকালেই পুনৰস্থাপন কৰা হব।

## UNSTARRED QUESTIONS AND ANSWERS

### বিষয় : মাটিৰ খাজনা সংগ্ৰহ।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

* ৩১৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰে বছৰি কিমান টকা মাটিৰ খাজনা হিচাবে ৰাজহ সংগ্ৰহ কৰে ? যোৱা পাঁচ বছৰৰ এটা তুলনামূলক হিচাব দিব। ( See the Annexure—II )

(খ) অসমত বৰ্তমান কিমান ধৰণৰ মাটি আছে ?

(গ) অসমৰ চৰ অঞ্চলৰ মাটিৰ চাৰ্ভে সম্পূৰ্ণ কৰা হৈছেনে ? যদি হৈছে, তেন্তে কিমান হেক্টৰ মাটি স্বীকৃত চৰ অঞ্চলত পোৱা গৈছে।

(ঘ) যদি হোৱা নাই, কিমান দিনৰ ভিতৰত উক্ত চাৰ্ভেৰ কাম সম্পূৰ্ণ কৰা হব।

* Speech not corrected

ড° জয়নাথ শৰ্মা, ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম চৰকাৰে বছৰি গড়ে ৪,৫২৬ কোটি টকা মাটিৰ খাজনা হিচাবে ৰাজহ সংগ্ৰহ কৰে। যোৱা পাঁচ বছৰৰ এটা তুলনামূলক হিচাব ইয়াৰ লগত সংলগ্ন কৰা হ'ল।

(খ) অসমত বৰ্ত্তমান চহৰ আৰু গাওঁ মিলি মুঠ ৪৭ শ্ৰেণীৰ মাটি আছে।

(গ) অসমৰ চৰ অঞ্চল বিলাকত মাটিৰ চাৰ্ভেৰ কাম বৰ্ত্তমান চলি আছে কিন্তু সম্পূৰ্ণ হোৱা নাই। চাৰ্ভেৰ কাম সোনকালে সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট উপায়ুক্ত সকলক নিৰ্দ্দেশ দিয়া হৈছে। এই চাৰ্ভেৰ কাম সম্পূৰ্ণ হোৱাৰ পাচতহে স্বীকৃত চৰ অঞ্চলত থকা মাটিৰ পৰিমান জানিব পৰা যাব।

(ঘ) বন্দোবস্তী প্ৰাধীকাৰী সকলক অতি সোনকালে উক্ত চাৰ্ভেৰ কাম সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে।

বিষয় : সমবায় সমূহৰ তদৰ্থ সমিতি।

শ্ৰীমুনিন মহন্তই সুধিছে :

৩১৮। মাননীয় সমবায় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গাওঁ পঞ্চায়ত ভিত্তিত ( পূৰ্বৰ ) সমবায় সমিতি সমূহৰ তদৰ্থ সমিতি গঠন হওঁতে কি নীতি নিৰ্দ্ধাৰণ কৰা হৈছিল ?

(খ) এই অভিযোগ সত্য নেকি স্থানীয় বিধায়কসকলৰ মতামত নলৈ একপক্ষীয়ভাবে সমবায় সমিতি সমূহ তদৰ্থ কৰা হৈছিল ?

(গ) মৰিগাওঁ সমষ্টিৰ সমবায় সমিতি সমূহৰ কাৰ্য্যকাল বৃদ্ধি নকৰি নিৰ্বাচনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সমবায় আইন অনুসৰি যিবিলাক সমবায় সমিতিয়ে সমবায় বছৰ শেষ হোৱাৰ ৬০ দিনৰ ভিতৰত সাধাৰণ সভা পতা নাই তেনে ক্ষেত্ৰত পঞ্জীয়কে সমবায় আইনৰ ৩২ (৫) ধাৰা অনুযায়ী তদৰ্থ সমিতি গঠন কৰি দিছে।

(খ) সত্য নহয়। আইনমতে তদৰ্থ সমিতি গঠন কৰা হৈছে।

(গ) আইন অনুযায়ী ব্যৱস্থা লোৱা হব।

**Re : Planning Commission.**

**Sri Aub Saleh Najmuddin asked :**

319. Will the Minister of Flood Control be pleased to state :

(a) Is it a fact that the Planning Commission of India have approved the protection work at (i) Bhakarshal (ii) Kalibari in the district of Karimganj and instructed to complete the schemes within 1996-97 under C. L. A ?

(b) What amount was approved against the above mentioned schemes respectively ?

Shri Pramode Gogoi ( Minister ) replied :

(a) No

(b) Does not arise.

**বিষয় : কৰ্ত্তব্যত অনুপস্থিত বিষয়া।**

**শ্ৰীজ্যোতি প্ৰকাশ দাসে সুধিছে :**

৩২০। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ভূমি সংৰক্ষণ বিভাগৰ বকোত থকা বনাঞ্চলিক বিষয়া গৰাকী আজি বহু মাহ ধৰি কৰ্ত্তব্যৰ পৰা অনুপস্থিত হৈ আছে চৰকাৰ অৱগত নে ? কি কাৰণে অনুপস্থিত আছে জনাবনে ?

(খ) ১৯৯৪-৯৫ চনৰ আঁচনিত বকো সমষ্টিৰ ঢেকীয়া বড়ী নামৰ ঠাইত ১০ হেক্টৰ মাটিত Rubber Plantation ৰ বাবদ আঁচনিৰ জৰিয়তে ১০৪.০০'০০ টকা খৰছ কৰিছে, কিন্তু ইয়াৰ সুফল দেখা নাযায় সঁচানে ?

ঠিক তেনেদৰে উক্ত ঠাইতে ১৯৯৫-৯৬ চনত Maintenance ৰ বাবদ ৫৪,০০০'০০ টকা খৰছ কৰিছে সঁচানে ? ইয়াৰ এটা তদন্তৰ ব্যৱস্থা কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :**

(ক) অৱগত। এতিয়ালৈকে অনুপস্থিতিৰ কাৰণ জনা হোৱা নাই।

(খ) কাৰ্য্যালয়ৰ তথ্য ভিত্তিত ১৯৯৪-৯৫ চনত ঢেকীয়াবড়ী নামৰ ঠাইত D. C. P. Rubber Plantation ৰ বাবদ খেতিৰ কাৰণে ১,১৯,০০০'০০ হাজাৰ টকা খৰছ কৰা হৈছে। এই আঁচনি কিমান দূৰ সফল হৈছে সেই বিষয়ে অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

বিষয়ঃ সাংসদ তহবিলের কাজ

**শ্ৰীশম্ভু সিং মালাহ্ঃ সুধিছে :**

৩১১। মাননীয় পরিকল্পনা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) করিমগঞ্জ জিলার সাংসদ তহবিলের ১৯৯৪-৯৫ আর্থবর্ষের নিম্নোক্ত কাজগুলি এখন পর্য্যন্ত সম্পূর্ণ করা হয় নাই এবিষয়ে বর্ত্তমান সরকার অবহিত আছেন কি ?

(১) ইরালীগুল পূর্ত্তসড়ক থেকে সুদর্শন দের বাড়ীর নিকট দিয়ে কুঠেরবন্দ গ্রাম পর্য্যন্ত গ্রামীন পথ।

(২) ফাকুয়াগ্রাম ইউ, বি, আই এর নিকট থেকে কীর্ত্তি কোনো চাবাগান পর্য্যন্ত সড়ক নির্মাণ।

(৩) রাতা আলা এল, পি. স্কুল থেকে কাশিপুর গ্রাম হয়ে নয়া-বাজার পর্য্যন্ত সড়ক সহ (৫) টি কালবাট নির্মাণ কৰা।

(৪) বাজারঘাট জি, এস, কোৱাটারের নিকটবর্ত্তি একটি বাস শেড নির্মাণ।

(খ) করিমগঞ্জ জিলায় ১৯৯৩-৯৪ অর্থবর্ষে সাংসদ তহবিলের অর্থে নির্মিত বাত্তাৰিঘাট গ্রামোদ্যোগ সমিতির ছাদ লাগানো হয় নাই, নিচ প্লাষ্টার করা হয় নাই, ওয়ালের ভিতরও বাইরের রং করা হয় নাই এই বিষয়ে বর্ত্তমান তবহিত আছেন কি ? যদি না কেন, যদি হয় তাহলে বিশদ তথ্য সদনের মেঝে দাখিল করিবেন ?

(গ) উপরি উক্ত অসম্পূর্ণ কাজ গুলি শিগ্রই সম্পূর্ণ করার ব্যাপারে বিভাগীয় কর্তৃপক্ষ কি কি কার্য্যকরী ব্যবস্থা নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল করিবেন ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :**

ক) কৰিমগঞ্জ জিলাৰ সাংসদ তহবিলৰ ১৯৯৪-৯৫ অৰ্থ বৰ্ষৰ আঁচনিৰ প্ৰশ্ন নং (ক)-(১), (২) আৰু (৩) ত উল্লেখ কৰা আঁচনি তিনিটাৰ

ৰূপায়ণৰ কাম সম্পূৰ্ণ হৈছে আৰু

(ক) (৪) ত উল্লিখিত ৰূপায়ণৰ কাম হাতত লোৱা হৈছে।

(খ) উক্ত আঁচনিৰ ৰূপায়ণ অনুমোদিত প্লেন আৰু এষ্টিমেট অনুযায়ী সম্পূৰ্ণ কৰা হৈছে।

(গ) আঁচনি ৰূপায়ণ সম্পূৰ্ণ কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে।

বিষয় : ডিপলোঙা বনাঞ্চলত হাতীৰ উপদ্ৰৱ।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে :

৩২২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চতিয়া সমষ্টিৰ অন্তৰ্গত ডিপলোঙা বনাঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱত বছৰি বহুতো কৃষকৰ খেতি নষ্ট হয়, এই বিষয়ত চৰকাৰে কিবা ব্যৱস্থা লবনে ?

(খ) কৃষকৰ ক্ষতিপূৰণৰ আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে কিবা ব্যৱস্থা লবনে ?

(গ) উক্ত সমষ্টিৰ হাতীৰ উপদ্ৰৱত বহুতো কৃষকৰ মৃত্যুও হৈছে, চৰকাৰ অৱগত নে ? যদি অবগত বৰ্ত্তমানলৈকে এনে ধৰণৰ মৃত্যুৰ সংখ্যা কিমান ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ব্যৱস্থা লোৱা হৈছে।

(খ) কৃষকৰ খেতি-বাতি নষ্ট হোৱাৰ বাবে ক্ষতিপূৰণৰ কোনো চৰকাৰী ব্যৱস্থা নাই ? প্ৰতিৰোধৰ ব্যৱস্থা লৈ থকা হৈছে।

(গ) চৰকাৰ অৱগত। বৰ্ত্তমানলৈকে এই সমষ্টিত মুঠ ২২ জন লোকৰ বনৰীয়া হাতীৰ উপদ্ৰৱত মৃত্যু হৈছে।

**Re : Sanctioning amount for mothla-maijan-nagaghuli erosion Project.**

**Shri Prithibi Majhi** asked :

323. Will the Minister of Flood Control be pleased to state ?

(a) What amount has been sanctioned by the Central Government for the protection of Mothla-Maijan Nagaghuli erosion project of Dibrugarh district ?

(b) Whether all the amount allotted for the protection schemes has been kept in Revenue Deposit ?

**Shri Promod Gogoi** ( Minister ) replied :

(a) The Planning Commission Government of India has issued investment clearance for Rs. 10. 74 crores.

(b) No amount is kept in Revenue deposit for the said scheme.

বিষয় : তৃপ্তি বনস্পতি প্ৰকল্প ।

**শ্ৰীমাজিবুল উমৰে সুধিছে :**

৩২৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তৃপ্তি বনস্পতি প্ৰকল্পৰ বিত্তীয় পৰিস্থিতি বৰ্ত্তমান কেনে জনাবনে ?

(খ) তৃপ্তি বনস্পতি প্ৰকল্পই যোৱা কেইটামান বছৰত কেইবা কোটিও লোকচান ভৰাটো সঁচানে ?

(গ) এই প্ৰকল্পটোৰ উন্নয়নৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) তৃপ্তি বনস্পতি প্ৰকল্পৰ বিত্তীয় পৰিস্থিতি বৰ্ত্তমান সন্তোষজনক নহয় ।

(খ) হয়, সঁচা ।

(গ) এই প্ৰকল্পটোৰ উন্নয়নৰ বাবে বনস্পতি উদ্যোগটোৰ আধুনিকীকৰণৰ ব্যৱস্থা আৰু মূলধনৰ বাবে সমিতিয়ে ভাৰতীয় ষ্টেট্ বেংকৰ পৰা ঋণ লোৱাৰ বাবে যোগাযোগ কৰিছে ।

Re : Rehabilitation to the evicted people

**Shri Derhagra Mochahary asked :**

325. Will the Minister of Forest be pleased to state :

(a) Whether Government is aware that many houses have been burnt down and both men and women had been put to Jail during eviction on encrosachers in forest land in Sonitpur district in the year. 1996–1997 ?

(b) If so, whether Governmont have taken any decision to rehabilitate thet evicted public ?

Shri Nagen Sarma ( Minister ) asked .

(a) Yes, Government is aware of the eviction of encroachers from the Forest land of Sonitpur district. During the eviction some people were arrested. Government is not aware of burning of many houses during the eviction.

(b) Responsibility of rehabilitation of evicted persons is not of Forest department as they evict only the encroachers whose act of encroachment is an illegal one.

বিষয় : মাষ্টাৰ ৰোল শ্ৰমিকৰ সংখ্যা

শ্ৰীআবুবক্কৰ ছিদ্দিক জোতদাৰে সুধিছে :

৩২৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বন বিভাগৰ মাষ্টাৰ ৰোল শ্ৰমিকৰ মুঠ সংখ্যা কিমান ?

(খ) বন বিভাগৰ মাষ্টাৰৰোল শ্ৰমিকৰ এখন তালিকা বিত্ত বিভাগত দাখিল কৰা হৈছেনে ?

(গ) বন বিভাগৰ মাষ্টাৰৰোল শ্ৰমিকক দৈনিক হাজিৰা নিম্নতম কিমান টকা দিয়া হয় ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বন বিভাগত কোনো মাষ্টাৰ ৰোল শ্ৰমিক নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

বিষয় : চুমুনী বান্ধ

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৩২৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চুমুনী বান্ধটোৰ বৰ্ত্তমানে কিমান কাম সম্পূৰ্ণ হৈছে ?

(খ) বৰ্ত্তমানে উক্ত বান্ধটোৰ কাম কাজ কোনে কোনে চোৱাচিতা কৰি আছে ? ( পদ মৰ্যাদা অনুযায়ী নাম দিব )

(গ) বাৰিষাৰ আগে আগে বান্ধটোৰ কাম সম্পূৰ্ণ কৰিব পৰা হবনে ? যদি নহয় তেন্তে চৰকাৰে Alternative কি ব্যৱস্থা চিন্তা কৰিছে ?

**শ্ৰীপ্ৰমোদ গগৈ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :**

(ক) মথাগুৰীৰ কাম ৮৭ শতাংশ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

(খ) অতিৰিক্ত মূখ্য অভিযন্তা. উজনি অসম শ্ৰীশচীন শৰ্মা।

অধিক্ষক অভিযন্তা —শ্ৰীব্ৰজকান্তি দাস।

কাৰ্য্যবাহী অভিযন্তা— শ্ৰীপান্নালাল মিত্ৰ মজুমদাৰ।

সহকাৰী কাৰ্য্যবাহী অভিযন্তা—শ্ৰীগুনিন কলিতা।

খণ্ড বিষয়া ( Sectional Officer )

শ্ৰীপ্ৰবোধ চন্দ্ৰ হাজৰিকা. শ্ৰীবিমল ভট্ট, শ্ৰীপ্ৰভাত বড়ো, শ্ৰীদেবেন চেতিয়া।

(গ) বাৰিষাৰ আগতে সম্পূৰ্ণ কৰাৰ প্ৰচেষ্টা চলি আছে।

## Re ; Sattlement of Tea & Ex-Tea Tribe Persons

328. Question is to be asked by Shri Dileswar Tanti, MLA. will the Minister of Revenue be pleased to State :

(a) Whether the Government is aware the Tea & Ex-Tea Tribe persons enjoying occupation of Ceiling Surplus Lands in Tinsukia District for last many long years are yet to get allotment of lands and these matters are lying pending years after years ?

(b) What steps is going to take for settlement of these lands to the tenants ?

**Dr. Zoii Nath Sarma** ( Minister ) replid :

(a) Yes-

(b) Occupency tenants are entitled to settlement under the Ceiling Act and Government instructions to this effect are already there.

বিষয় : পক্ষী উদ্যান

শ্ৰীৰচিদুল হকে সুধিছে :

৩২৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বন বিভাগৰ অধীনত অসমত মুঠ কিমান পক্ষী উদ্যান আছে ?

(খ) প্ৰস্তাৱিত পক্ষী উদ্যানৰ সংখ্যা কিমান ?

(গ) লক্ষীমপুৰ জিলাৰ ঢকুৱাখানা মহকুমাৰ ঘিলামৰাৰ ওচৰত থকা বৰদৈবাম পক্ষী উদ্যানৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ২ খন পক্ষী উদ্যান আছে ।

(খ) বৰ্ত্তমান প্ৰস্তাৱিত কোনো পক্ষী উদ্যান নাই ।

(গ) অসম চৰকাৰে ইতিমধ্যে বৰদৈবাম-বিলমুখ অঞ্চলক পক্ষী উদ্যান হিচাবে ঘোষণা কৰিছে ।

**Re : Precautionary measures and Schemes for Flood Control**

**Shri Sukhendu Shekhar Dutta asked :**

330. Will the Minister of Flood Control be pleased to state.

(a) Whether the Government has any scheme to project Karimganj Town and its vicinity from the grip of erosion caused by the river Kushiara ?

(b) If yes, what precautionary measures and schemes will be taken and when ?

**Shri Promode Gogoi ( Minister ) replied :**

(a) Yes.

(b) There are 3 ( three ) Nos. of schemes. Out of 3 schemes, works of one of scheme is continuing. The remaining 2 ( two ) Nos. of schemes are under active consideration of Government.

বিষয় ঃ কাঠৰ আবণ্টন

ডাঃ নজৰুল ইছলামে সুধিছে ঃ

৩৩১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমানৰ চৰকাৰে বিভিন্ন শিক্ষানুস্থান আৰু ধৰ্মীয় অনুস্থানক কাঠৰ আবণ্টন দি থকাটো সত্যনে ?

(খ) যদি সত্য, কাঠৰ আবণ্টন পোৱা শিক্ষানুস্থান আৰু ধৰ্মীয় অনুস্থানৰ নামবোৰৰ তালিকা সদনৰ মেজত দাখিল কৰিব ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, সত্য।

(খ) মাননীয় বিধায়ক মহোদয়ে কোন সময়ৰ পৰা কাঠৰ আবণ্টন দিয়া হৈছে সেই বিষয়ে প্ৰশ্ন নকৰা হেতুকে প্ৰশ্নৰ যথাযথ উত্তৰ দিব পৰা নহ'ল।

## বিষয় : মাষ্টাৰ ৰোল শ্ৰমিক

শ্ৰীহেমেন দাসে সুধিছে :

৩৩২। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান পশু পালন বিভাগত মাষ্টাৰ ৰোল শ্ৰমিক কিমান জন আছে ?

(খ) তেওঁলোকৰ চাকৰি নিয়মীয়া কৰা হবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১১৬২ জন

(খ) অহ'তা আৰু জ্যেষ্ঠতাৰ ভিত্তিত পৰ্য্যায়ক্ৰমে আৰু পুঁজি সাপেক্ষে খালী পদৰ বিপৰীতে শ্ৰমিক সকলৰ চাকৰি নিয়মীয়া কৰিব পৰা যাব।

## Re: Karbi Langpi Hydro Electric Project

**Shri Ardhendu Kumar Dey** asked:

333. Will the Minister of power be pleased to state.

(a) Whether Government has taken any step to assess the assets of proposed Karbi Langpi Hydro Electric Project Schemes ?

(b) What step Government has taken for revival of the project ?

**Shri Prafulla** Kumar **Mahanta** ( Chief Minister ) replied :

(a) No assesment of the assets of the Karbi Langpi Hydro Electric Project has been made after taking over by the Government on 30.11.96.

(b) As per clauses No. 6 (1) 6 (2) and in chapter III under the Act, No. 1 of 1997 the Government of Assam has vested the Karbi Langpi Hydro Electric Project with Assam State Electricity Board. The Assam State Electricity Board has proposed Rs. 26.35 Crores for the project in the annual plan 1997-98.

(c) The Government of Assam has not started any formal negatiation with Neepco or any other Central Organisation for the said Project.

বিষয় : বিদ্যুৎ সংকট দূৰ।

শ্ৰীৰাজেদ আলি চৌধুৰীয়ে সুধিছে :

৩৩৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চেয়াৰমেন শ্ৰীবি, কে মিশ্ৰই অলপতে এক প্ৰেছ সাক্ষাতত ৰাজ্যখনত দেখুৱাই দিয়া বিদ্যুৎ সংকট তিনিবছৰৰ ভিতৰত দূৰ কৰা হব বুলি কোৱাটো সত্যনে ?

(খ) যদি সত্য, বিদ্যুৎ সংকট তিনিবছৰৰ ভিতৰত দূৰ কৰিবৰ বাবে কি কি ব্যৱস্থা হাতত লোৱা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চেয়াৰমেনৰ মতে এই শতিকাৰ অন্তত অসম ৰাজ্য বিদ্যুতৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হোৱাৰ সম্ভাৱনা আছে।

(খ) তিনি বছৰৰ ভিতৰত বিদ্যুৎ সংকট দূৰ কৰিবৰ বাবে তলত দিয়া ব্যৱস্থা সমূহ হাতত লোৱা হৈছে।

গেছ ভিত্তিত ৯ মেগাৱাটৰ আদম টিলা আৰু ১৫.৫ মেগাৱাটৰ বাচঁকান্দি এই প্ৰকল্প দুটাৰ কাম পূৰ্ণ গতিত আছে। এই প্ৰকল্প দুটা ১৯৯৭-৯৮ চনৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠাৰ আশা আছে। ১00 মেগাৱাটৰ কাৰ্বি লাং পি জল বিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য্য নৱম পৰিকল্পনাৰ ভিতৰত সম্পূৰ্ণ হব পাৰে বুলি আশা কৰা হৈছে। ২০ মেগাৱাট সামৰ্থ্যৰ ধনশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য্যও নৱম পৰিকল্পনাৰ ভিতৰতে সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

২৯১ মেগাৱাট সামৰ্থ্যৰ কঠালগুৰি গেছ ভিত্তিক প্ৰকল্পৰ ৬ টা গোট ইতিমধ্যে কাৰ্য্যক্ষম হৈ উঠিছে। বাকী তিনিটা Waste Heat গোট ১৯৯৭-৯৮ চনৰ ভিতৰত উৎপাদনক্ষম হৈ উঠিব।

১০০ মেগাৱাট সামৰ্থ্যৰ কপিলী সম্প্ৰসাৰণ জলবিদ্যুৎ প্ৰকল্প, ৭৫ মেগাৱাটৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্প আৰু ৪০৫ মেগাৱাট সামৰ্থ্যৰ ৰঙানদী জলবিদ্যুৎ প্ৰকল্প বৰ্ত্তমান নিৰ্মিয়মান অৱস্থাত আছে। এই কেইটা প্ৰকল্পৰ পৰা অসমে নিজৰ অংশ লাভ কৰিব।

বিষয়ঃ মালৌ পথাৰ দুগ্ধ পাম আঁচনি।

**শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ**

৩৩৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দেৰগাওঁ সমষ্টিৰ অন্তৰ্গত বাঙ্কনিজান অঞ্চলত থকা 'মালৌ পথাৰ দুগ্ধ পাম সমবায় সমিতি বৰ্ত্তমান অৱস্থাৰ বিষয়ে চৰকাৰ অবগত নে ?

(খ) উক্ত পামখনত বৰ্ত্তমান কিমান খিৰতীগাই আছে আৰু দৈনিক কিমান গাখীৰ উৎপাদন হয় জনাবনে ?

(গ) বৰ্ত্তমান পামখনৰ কৰ্মচাৰী আৰু পৰিচালনাৰ ক্ষেত্ৰত হোৱা খৰচ আৰু গাখীৰৰ পৰা হোৱা উৎপাদনৰ মাজত সামঞ্জস্যতা আছেনে ?

(ঘ) যদি নাই অধিক উৎপাদনৰ জৰিয়তে চৰকাৰৰ ৰাজহ শিতানক শক্তিশালী কৰাৰ কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰিবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :**

(ক) হয়, অবগত।

(খ) খিৰতী গাই গৰু ৬ ( ছয় ) জনী আৰু খিৰতী ম'হ ৬ ( ছয় ) জনী : দৈনিক গাখীৰৰ উৎপাদন পৰিমাণ ১২ ( বাৰ ) লিটাৰ।

(গ) হয়, আছে।

(ঘ) প্ৰশ্ন নুঠে।

Re : People Killed by the wild Elephant.

**Shri Dinesh Prasad Goala asked :**

336. Will the Minister of Forest be pleased to state :

(a) Whether Government is aware that wild elephants have created a havoc in the district of Cachar ?

(b) How many people have been killed by wild elephant in Cachar district ? ( The list of the deceased with address may kindly be furnished ).

(c) What is the total number of houses dameged ?

(d) What is the total amount of cropses damaged ?

(e) Will the Government take immediate positive stap to protect life and property of the people by the wild elephants ?

**Shri Nagen Sarma ( Minister ) replied :**

(a) Yes.

(b) 10 persons have been killed from 1996 to 17-2-1997.

(c) 138 Nos. of house during same period.

(d) Crops warth Rs. 1,50 000/- have been damaged.

(e) Anti depredation measures have been taken round the clock for scaring away the Wild-Elephants by engaging Koonkies and Anti-Depredation squads involving local villagers. Steps to kill

elephants is also taken if the elephant becomes rouge. Two such elephant in Cachar district have already been killed recently.

**Re : Sub Divisional Judicial Court Buildjng at Hatsingimari.**

**Shri Aminul Islam asked :**

337. Will the Minister of Law be pleased to state :

Whether the Government have taken any decision to start the construction works of Sub-Divisional Judicial Court Building at Hatsingimari, the Head Quarter of South Salmara Mankachar Civil Sub-Division, during 1997-98 financial year :

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) replied :

No decision has been taken so far construction of Judicial Court Buidings at any place during 1997-98 Financial Year.

**বিষয় ঃ ভূমিহীন পৰিয়ালক ভূমি পট্টন ।**

**শ্ৰীমোস্তাফা শ্বহীদুল ইছলামে সুধিছে :**

৩৩৮ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ অন্তৰ্গত বেলতলা মৌজাৰ নটবমা নিচানপুৰ কাহিলীপাৰা জতিয়াৰ দাগ নম্বৰ ২,১৪৪ আৰু ৩০৭ ত আজি বহু বছৰ ধৰি ভুমিহীন কিমান ঘৰ পৰিয়ালে ঘৰ দুৱাৰ সাজি বসবাস কৰি আছে ?

(খ) বসবাস কৰা পৰিয়ালৰ নাম, সদনৰ মেজত দাখিল কৰিব ?

(গ) এই পৰিয়াল সমূহক আজি পৰ্যন্ত ভূমি পট্টন নিদিয়াৰ কাৰণ কি ?

(ঘ) চৰজমীন তদন্ত কৰি অতি সোনকালে ভূমি পট্টন দিয়াৰ ব্যৱস্থা কৰিবনে ?

**ডঃ জয়নাথ শৰ্মা** ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ২২ টা পৰিয়ালে ৫ ৰ পৰা ১০ বছৰ ধৰি বসবাস কৰি আছে।

(খ) তালিকা সংলগ্ন কৰা হৈছে।

( See the Annexure – III )

(গ) পৰিয়াল সমূহ বেদখলকাৰী আৰু ইতিমধ্যে কেবাবাৰো উচ্ছেদ কৰা হৈছিল।

(ঘ) চৰজমিন তদন্ত মৰ্মে চৰকাৰৰ ভূমি-নীতি অনুযায়ী পৰিয়ালসমূহ গুৱাহাটীত পট্টন পোৱাৰ যোগ্য নহয়।

বিষয়ঃ বনাঞ্চল হিচাপে ঘোষিত মাটি।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

৩৩৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান অসমত কিমান হেক্টৰ মাটি বনাঞ্চল হিচাবে ঘোষিত হৈ আছে ?

(খ) এই বনাঞ্চলৰ মাটি কোন কোন কেটেগৰীত অন্তৰ্ভূক্ত হৈ আছে ?

(গ) চৰকাৰৰ বিধি নিয়ম মতে সৰ্বমুঠ মাটিৰ কিমান ভাগ মাটি বনাঞ্চল হৈ থাকিব লাগে ? সেই অনুপাতে অসমৰ বনাঞ্চলত প্ৰতিফলিত হৈছেনে ?

(ঘ) যদি হোৱা নাই, ইয়াৰ প্ৰতিফলন ঘটোৱাৰ আঁচনি চৰকাৰে কেনেদৰে গ্ৰহণ কৰিব খোজে ?

শ্ৰীনগেন শৰ্মা ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ২২,৩২,১০৯ হেক্টৰ

(খ) (১) সংৰক্ষিত বনাঞ্চল

(২) প্ৰস্তাৱিত বনাঞ্চল

(গ) ভৌগলিক মাটি কালিৰ এক তৃতীয়াংশ। সেই অনুপাতে অসমৰ বনাঞ্চলত প্ৰতিফলিত হোৱা নাই।

(ঘ) বনাঞ্চলৰ অনুপাত বৃদ্ধিৰ কিছু প্ৰস্তাৱ চৰকাৰৰ হাতত আছে।

বিষয়ঃ মহকুমা পৰিকল্পনা আৰু উন্নয়ণ বোৰ্ড গঠন।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

৩৪০। মাননীয় পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মহকুমা পৰিকল্পনা আৰু উন্নয়ণ বোৰ্ড সমূহ বিভিন্ন মহকুমাত কেনেদৰে গঠন কৰা হয় ?

(খ) বে-চৰকাৰী সদস্যয়ে মহকুমা পৰিকল্পনা আৰু উন্নয়ণ বৰ্ড সমূহত নিৰ্বাচিত হয়, কি ভিত্তিত নিৰ্বাচন হয় ?

(গ) মৰিগাওঁ মহকুমা পৰিকল্পনা আৰু উন্নয়ণ বোৰ্ডৰ বে-চৰকাৰী সদস্য সকল কোন কোন ?

(ঘ) উক্ত সদস্য সকলৰ নাম, শিক্ষাগত অৰ্হতা আৰু কি গুণৰ ভিত্তিত সদস্য নিৰ্বাচিত কৰা হ'ল জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম পঞ্চায়তীৰাজ আইন ১৯৮৬ চনৰ অধীনত মহকুমা পৰিকল্পনা আৰু উন্নয়ণ পৰিষদ গঠন কৰা হয়।

(খ) সংশ্লিষ্ট অধ্যক্ষৰ পৰামৰ্শৰ ভিত্তিত চৰকাৰৰ দ্বাৰা মনোনীত কৰা হয়।

(গ) মৰিগাওঁ মহকুমা পৰিকল্পনা আৰু উন্নয়ণ পৰিষদৰ বে-চৰকাৰী সদস্য সকলৰ নাম তলত উল্লেখ কৰা হ'ল।

১। শ্ৰীজিতেন্দ্ৰ কুমাৰ ডেকা, জাগীৰোড।

২। শ্ৰীনলিন বৰা, মৰিগাওঁ।

৩। মঃ আব্দুল জলিল, প্ৰাক্তন বিধায়ক, লাহৰিঘাট।

৪। শ্ৰীধনেশ্বৰ বৰা, মুৰব্বী অৰ্থনীতি বিভাগ, মৰিগাওঁ কলেজ।

৫। ডঃ হৰেকৃষ্ণ দেৱ শৰ্মা, মুৰব্বী, অৰ্থনীতি বিভাগ, জাগীৰোড কলেজ।

(ঘ) মৰিগাওঁ মহকুমা পৰিষদ আৰু উন্নয়ণ পৰিষদৰ বেচৰকাৰী সদস্য সকলৰ নামৰ বিপৰীতে শিক্ষাগত অৰ্হতা আদি তলত উল্লেখ কৰা হ'ল।

সমাজ সেৱক— ১। শ্ৰীজিতেন ডেকা, বি, এ,
২। শ্ৰীনলিনী বৰা, উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ

বিষয়ঃ অসম্পূৰ্ণ বিদ্যুৎ যোগান আঁচনি।

শ্ৰীহেমন্ত কলিতাই সুধিছে :

৩৪১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিতাবৰত অসম্পূৰ্ণ হৈ থকা বিদ্যুৎ যোগান আঁচনি সমূহ কিমান দিনৰ ভিতৰত কাৰ্য্যক্ষম হৈ উঠিব জনাবনে ?

(খ) আধা কাম হৈ থকা গাওঁ সমূহত বিজুলী যোগানৰ বাবে চৰকাৰে নতুন আঁচনি গ্ৰহণ কৰিবনে ?

(গ) তিতাবৰ সমষ্টিত নতুনকৈ কিমানখন গাওঁত বিজুলী যোগানৰ ব্যৱস্থা কৰা হৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) তিতাবৰত ১৯৯৫-৯৬, ১৯৯৬-৯৭ চনৰ বৈদ্যুতিকৰণ কৰিবলৈ লোৱা কাম সমূহ ১৯৯৭ চনৰ এপ্ৰিল মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

(খ) আধা কাম হৈ থকা গাওঁ সমূহলৈ বিদ্যুৎ সম্প্ৰসাৰণ কৰিবৰ বাবে অৰ্থ প্ৰাপ্তি সাপেক্ষে পৰ্য্যায়ক্ৰমে গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিত অন্তৰ্ভুক্ত কৰা হব।

(গ) তিতাবৰ সমষ্টিত ১৯৯৫-৯৬ আৰু ১৯৯৬-৯৭ চনৰ গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত মুঠ সাতখন নতুন গাৱঁত বৈদ্যুতিকৰণ কৰিবলৈ আৰু ৮ খন গাৱঁলৈ বিদ্যুৎ সম্প্ৰসাৰণৰ কাম হাতত লোৱা হৈছে। গাওঁ সমূহৰ নামৰ তালিকা গাঠি দিয়া হ'ল।

( See the Annexure – IV )

বিষয়ঃ বিজুলীৰ বাবদ ৰাজহ সংগ্ৰহ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৩৪২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯৫-৯৬ বিত্তীয় বৰ্ষত বিজুলী যোগান বাবদ কিমান ৰাজহ সংগৃহীত হৈছে ?

(খ) যোগান অনুসৰি ৰাজহ আদায় পাবলৈ বাকী থকা কথাটো সঁচানে ?

(গ) যদি সঁচা, কিমান ৰাজহ পাবলৈ বাকী আছে ?

(ঘ) ৰাজহ পাবলৈ বাকী থকা টকাৰ পৰিমাণ নিম্নলিখিত ধৰণে জনাবনে ?

(১) গাঁৱলীয়া ব্যৱস্থাৰ বাকী

(২) নগৰত ব্যৱহাৰ হোৱা বাকী

(৩) চহৰত ব্যৱহৃত বাকী

(৪) ব্যৱসায়ী ব্যৱহৃত বাকী

(৫) ব্যক্তিগত খণ্ডৰ উদ্যোগৰ বাকী

(৬) ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বাকী

(৭) কৃষি খণ্ডৰ ব্যৱহৃত বাকী

(৮) চাহ শিল্পত ব্যৱহৃত বাকী

(৯) অন্যান্য শিতানত ব্যৱহৃত বাকী

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৯৫-৯৬ বিত্তীয় বৰ্ষত বিজুলী যোগান বাবদ সংগৃহীত মুঠ ৰাজহৰ পৰিমান ৩৮৫'১৪ কোটি টকা।

(খ) সঁচা।

(গ) ১৯৯৫-৯৬ বিত্তীয় বৰ্ষৰ শেষত আদায় পাবলৈ বাকী থকা মুঠ ৰাজহৰ পৰিমাণ ১৮৫'০০ কোটি টকা।

(ঘ) ৰাজহ পাবলৈ বাকী থকা টকাৰ পৰিমাণ নিম্নলিখিত ধৰণৰ :

(১) গাঁৱলীয়া ব্যৱহাৰ বাকী —

গাঁৱলীয়া আবাসিক— ১০'১৬ কোটি টকা।

গাঁৱলীয়া ব্যৱসায়িক— ১'৫২ কোটি টকা।

গাঁৱলীয়া উদ্যোগ— ০'৯৩ কোটি টকা।

১২ ৬১ কোটি টকা।

(২) আৰু (৩) নগৰ / চহৰত ব্যৱহাৰৰ বাকী :

| | | |
|---|---|---|
| (৩) | আবাসিক | — ১৫'৪৩ কোটি টকা |
| (৪) | ব্যৱসায়িক বাকী | — ১১'৭৬ কোটি টকা |
| (৫) | ব্যক্তিগত খণ্ডৰ উদ্যোগৰ বাকী | — ১৪'৬০ কোটি টকা |
| (৬) | ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বাকী | — ১৮'৬৫ কোটি টকা |
| (৭) | কৃষি খণ্ডৰ বাকী | — ২৩'৭২ কোটি টকা |

(৮) চাহ শিল্পত ব্যৱহৃত বাকী — ৫'৯৫ কোটি টকা

(৯) অন্যান্য শিতানত বাকী — ৮২'২৮ কোটি টকা

## Re : EX-GRATIA.

**Shri Bimalangshu Roy asked :**

343. Will the Minister, Relief and Rehabilitation be pleased to state :

(a) Is it a fact that in persuance of notification of Relief and Rehabilitation Department No. RR. 82/95/6 dated 25-04-91 5000 ex-gratia grant of Rs. ( five thousand ) only is granted to the next of kins of a person killed in police firing or in police custody ?

(b) Is it a fact that while in case of a person died / killed in extremists violence as per provisions of office memorandum No. RR. 69/95/10 dated 29-07-95 the amount has been raised from Rs. 5000/- to Rs, One lakh but in case of a person killed in police firing or in police firing the quantum of compensation of Rs. 5000/- has not been enhanced ?

(c) Is it a fact that in relation to cases of Custodial death of Brigu Malakar in Malugram police outpost under Cilchar police station on 24-08-96 and death of two boys in police firing on the following day only cum of Rs. 5000/- has been paid to the next of kins of these poor Schedule Caste and Muslim boys in spite of demand of the agitating people and recommendation of the Deputy Commissioner, Cachar for payment of Rupees two lakh ?

(d) Will the Government enhance the quantum of compensation from Rs. 5000/- to Rs. one lakh in police custody or police firing and pay them accordingly ?

**Shri Praffulla Kumar Mahanta** ( Chief Minister ) replied :

(a) Yes.

(b) Yes.

(c) Yes.

(d) The matter is being examined.

**Re : EROSION OF BRAHMAPUTRA RIVER.**

**Shri Sheikh Abdul Hamid asked :**

344. Will the Minister of Flood Control be pleased to state.

(a) Is it a fact that heavy erosion by Brahmaputra has caused impending danger to Palampam, Manikpur Baghbar, Moinbari under No. 45 Baghbar L. A C ?

(b) If so, the stept taken by the Government to control erosion ?

(c) Whether Government has made survey of probable loss of property, land and public institution ?

**Shri Promod Gogoi** ( Flood Control Minister ) replied :

(a) Yes.

(b) The erosion is under observation.

(c) Yes.

**বিষয় ঃ পট্টা দিয়াৰ ব্যৱস্থা ।**

**শ্ৰীকৰুণা দত্তই সুধিছে :**

৩৪৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ ভূমি আইনৰ জৰিয়তে ভূমি সমূহ জোখ-মাখ কৰি পট্টা দিয়াৰ ব্যৱস্থা লোৱা হৈছে নেকি ?

(খ) যদি হৈছে, মাজুলী মহকুমাৰ কিমান মাটি জোখ-মাখ কৰি পট্টা দিয়া হৈছে জনাবনে ?

(গ) অৱশিষ্ট মাটিৰ জোখ-মাখ কৰি ম্যাদী পট্টা দিয়াৰ কিবা ব্যৱস্থা কৰিবনে ? আৰু এই পট্টা দিয়াৰ নিৰ্দ্দিষ্ট সীমা ধাৰ্য্য কৰি দিবনে ?

ডঃ জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম ভূমি ৰাজহ আইনৰ আধাৰত অসম চৰকাৰৰ ভূমিনীতিত ভূমি সমূহ জোখ-মাখ কৰি ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা আছে আৰু সেই অনুযায়ী ব্যৱস্থা লৈ থকা হৈছে ।

(খ) ৬৩৫৪ টা আবণ্টন পত্ৰ দিয়া হৈছে আৰু এই আবণ্টিত ভূমি সমূহৰ বাবে পট্টা দিয়াৰ ব্যৱস্থা অব্যাহত আছে ।

(গ) ব্যৱস্থা লৈ থকা হৈছে । নিৰ্দ্দিষ্ট সময়সীমা ধাৰ্য্য কৰা হোৱা নাই ।

বিষয় : চিলিংৰ মাটি অধিগ্ৰহণ ।

শ্ৰীজ্যোতিষ দাসে সুধিছে :

৩৪৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলাত কিমান বিঘা মাটি চিলিং উদ্বৃত্ত হৈ আছে ? এই মাটিবোৰ আচলতে চৰকাৰৰ দখলত আছে নে ?

(খ) যদি নাই, এই মাটিবোৰ চৰকাৰে অধিগ্ৰহণ কৰিবলৈ কিবা আঁচনি লৈছে নে ?

ডঃ জয়নাথ শৰ্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ২০,৬১৯ বিঘা ৩ কঠা, ১৬ লেচা । উক্ত জমীৰ ১৫,৯৫০ বিঘা ৩ কঠা ৫ লেচা আবণ্টন দিয়াৰ পাচত ৪,৬৬৯ বিঘা ० কঠা ১১ লেচা জমী চৰকাৰৰ অধীনত আছে ।

(খ) প্ৰশ্ন নুঠে ।

বিষয় : জব্দ কৰা কাঠ বিষ্ট ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

৩৪৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

পূব গুৱাহাটী আৰু পশ্চিম গুৱাহাটী বন সংমণ্ডলে বিভিন্ন সময়ত

জব্দ কৰা (চোৰাং কাঠ) সমূহ বন বিভাগৰ কাৰ্য্যালয়তে পচি যোৱা কথাটো সত্য নে ?

শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) য়ে উত্তৰ দিছে :

আংশিক ভাবে সত্য ।

বিষয় : উৰিয়াম গুৰি বান্ধ ।

শ্ৰীমতী প্ৰণতী ফুকনে সুধিছে :

৩৪৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নাহৰকটীয়া সমষ্টিৰ উৰিয়ামগুৰি বান্ধটোত কিমান টকা আবন্টন দিয়া হৈছে ?

(খ) বান্ধৰ কিমান পৰিমাণৰ কাম কৰা এতিয়ালৈকে হৈছে ?

(গ) কিমান পৰিমানৰ কাম হৈছে সেই অনুপাতে টকা Release কৰা হৈছে নে বেছি কৰা হৈছে ?

শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত ২৭৫ লাখ ধাৰ্য্য কৰা হৈছে ।

(খ) প্ৰায় ৪০ (চল্লিশ) শতাংশ সম্পূৰ্ণ কৰা হৈছে ।

(গ) কামৰ অগ্ৰগতি আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে পোৱা বিত্তীয় মঞ্জুৰী অনুক্ৰমে টকা মোকলাই দিয়া হৈছে ।

বিষয় : গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে সংমণ্ডল আৰু উপ-সংমণ্ডল ।

শ্ৰীআব্দাউদ্দিন সৰকাৰে সুধিছে :

৩৪৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী জিলাৰ গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে কিমানটা সংমণ্ডল আৰু তাৰ অন্তৰ্গত কিমানটা উপ সংমণ্ডল আছে ? (সংমণ্ডল-সহ উপ-সংমণ্ডলৰ নাম উল্লেকিয়াব)

(খ) উপ-সংমণ্ডলৰ পৰ্য্যায়ত কিমানখন গাওঁ বৈদ্যুতিকৰণৰ বাবে আঁচনি যুগুতোৱা হৈছে ? (গাওঁবোৰৰ নামৰ তালিকা দিব)

(গ) উক্ত আঁচনি সমূহ কাৰ্য্যকৰী কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(ঘ) বিজুলী সৰবৰাহ নিয়মীয়া কৰাৰ বাবে মুঠ কিমানটা

Sub-Station স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে ? ( উপ-সংমণ্ডল পর্য্যায়ত )

(ঙ) উক্ত Sub-Station বোৰ নিৰ্মাণৰ অৱস্থাত আছেনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদত বৰ্ত্তমান গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে কোনো আছুতীয়া সংমণ্ডল আৰু উপ-সংমণ্ডল নাই।

(খ) গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি জিলা ভিত্তিতহে কৰা হয়, উপ-সংমণ্ডল ভিত্তিত কৰা নহয়। ১৯৯৬-৯৭ চনৰ আঁচনিত অন্তৰ্ভুক্ত কৰা ধুবুৰী জিলাৰ গাওঁ সমূহৰ তালিকা এখন পৰিশিষ্ট (ক) ত গাঠি দিয়া হৈছে। এই আঁচনিৰ ভিতৰত ১৯৯৫-৯৬ চনত বৈদ্যুতিকৰণ কৰিবলৈ লোৱা গাওঁ সমূহৰ নাম ও অন্তৰ্ভুক্ত কৰা হৈছে।

( See the Annexure – V )

(গ) উক্ত আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ যথেষ্ট পৰিমানৰ ধনৰ প্ৰয়োজন। গ্ৰাম্য বৈদ্যুতিকৰণ নিগমৰ পৰা উপযুক্ত পৰিমানৰ ঋণ সাহায্য লাভ কৰিবলৈ চেষ্টা চলাই থকা হৈছে।

(ঘ) ধুবুৰী জিলাখনত বিজুলী সৰবৰাহ নিয়মীয়া কৰাৰ বাবে ১৩২/৩৩ কেঃ ভি ১০ এম, ভি, এ সামৰ্থ্যৰ মুল উপকেন্দ্ৰ এটা মাটিয়াবাগ ( গৌৰীপুৰ ) ত স্থাপন কৰা হৈছে। তাৰোপৰি ৩৩/১১ কেঃ ভি ৰ দুটা উপকেন্দ্ৰৰ গৌৰীপুৰ ( ২ × ২'৫ এম, ভি. এ সামৰ্থ্যৰ ) আৰু আমবাগান ধুবুৰী ( ১ × ৫ এম, ভি, এ সামৰ্থ্যৰ ) স্থাপন কৰা হৈছে।

(ঙ) উক্ত চাবষ্টেচন কেইটাৰ ভিতৰত মাটিয়া বাগত এটা ১৩২/৩৩ কেঃ ভি ৰ ১০ এম, ভি, এৰ ট্ৰেন্সফৰ্মাৰ আৰু আমবাগানত ৩৩/১১ কেঃ ভি ৰ ৫ এম. ভি, এ সামৰ্থ্যৰ ট্ৰেন্সফৰ্মাৰৰ নিৰ্মাণ আৰু কাৰ্য্যক্ষম কৰা কাম চলি আছে।

**Re : Relief camps**

**Shri Prithibi Majhi** asked :

350. Will the Minister, Relief & Rehabilitation be pleased to srate :

(a) How many Relief camps are their in Kokrajhar

and Bongaigaon district till date ?

(b) How many relief camps have been withdrawn ?

(c) What is the total number of people still living in various camps ?

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) replied :

(a) There are 39 relief camps & 21 Rehabilitaion shed in Kokrajhar district and 5 relief camps in Bongaigaon district.

(d) 17 relief camps in Kokrajhar district and 5 relief camps in Bongaigon district have withdrawn.

(c) 1, 18. 161 numbers of people still linivg in various relief camps.

**Re World Wide Fund.**

**Shri Nazibul Umar** asked :

351. Will the Minister of Forest be pleased to state :

What is the total number of projects in regard to environmental education, protection of wild life and protected areas, wetlands, forests, data management and preparation of biodiversity profiles under world wide Fund for Nature India ?

**Shri Nagen Sarma** ( Minister ) replied :

World Wide Fund for Nature—India has not undertaken any project in regard to environmental education, Protection of Wild life, Protected areas, Wetlands, forests, data management and preparation of biodiversity profiles in Assam.

**Re : Allotment of land.**

**Shri Derhagra Mochahari** asked ;

352. Will the Minister. Reuenue be pleased to state :

(a) Whether Government have proposed to give

allotment of land to the families who have been evicted from the forest area ?

(b) If so, when ?

(c) If not, why ?

**Dr. Zoii** Nath Sarma (Minister) replied :

(a) No such policy decision has been taken.

(b) Does not arise.

(c) Does not arise.

Re : Number of Protection Schemes.

**Shri** Abu Saleh Najmuddirn asked :

353. Will the Minister of Flood Control be pleased to state.

(a) How many protection schemes are under taken during the year 1996-97 under Central Loan Assistance Scheme in Assam, within the sanctioned Amount of Rs. 24 crores ?

(b) How many schemes are sanctioned under C. L. A in the District of Karimganj ?

**Shri** Promode Gogoi (Minister) replied :

(a) No Central Loan Assistance (C.L.A.) has been granted during the year 1996-97.

(b) Does not arise.

বিষয় : চাকৰী নিয়মীয়াকৰণ ।

শ্ৰীহেমেন দাসে সুধিছে :

৩৫৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান বন বিভাগত মাষ্টাৰ ৰোল শ্ৰমিকৰ সংখ্যা কিমান ?

(খ) তেওঁলোকৰ চাকৰি নিয়মীয়া কৰা হবনে ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) বন বিভাগত কোনো মাষ্টাৰ ৰোল শ্ৰমিক নাই ।

(খ) প্ৰশ্ন নুঠে ।

বিষয় : নাগ শংকৰ পশু চিকিৎসালয়

শ্ৰীপদ্ম হাজৰিকাই সুধিছে :

৩৫৫। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শোণিতপুৰ জিলাৰ চতিয়া সমষ্টিত অৱস্থিত নাগ শংকৰ পশু চিকিৎসালয় আৰু কুসুমতোলা কৃত্ৰিম গো প্ৰজনন কেন্দ্ৰ যে আছে সেই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয় অৱগতনে ?

(খ) নাগ শংকৰ পশু চিকিৎসালয়ৰ মেৰামতিৰ বাবে কিবা ব্যৱস্থা লব নে :

(গ) কুসুমতোলা গো প্ৰজনন কেন্দ্ৰৰ বাবে কিমান টেকা ধাৰ্য্য কৰা হৈছিল ? এই প্ৰজনন কেন্দ্ৰৰ দুৰ অৱস্থাৰ দূৰীকৰণৰ বাবে বৰ্ত্তমান কিবা আঁচনি লৈছে নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, নাগ শংকৰ পশু চিকিৎসালয়ৰ ক্ষেত্ৰত অৱগত। কিন্তু কুসুমতোলা কৃত্ৰিম প্ৰজনন কেন্দ্ৰ নামৰ অনুষ্ঠানৰ বিষয়ে অৱগত নহয়। "কাচ'ন তলা" কৃত্ৰিম প্ৰজনন কেন্দ্ৰ নামৰ অনুস্থান এটাহে আছে।

(খ) হয়, ৯ম পৰিকল্পনাৰ বাবে প্ৰস্তাৱিত ধনৰ আবণ্টন পালে মেৰামতিৰ ব্যৱস্থা হাতত লব পৰা যাব। এই দিশত ৯ম পৰিকল্পনাত আঁচনি লোৱাৰ ব্যৱস্থা কৰা হৈছে।

(গ) কুসুমতোলা কৃত্ৰিম প্ৰজনন কেন্দ্ৰ নামৰ কোনো অনুস্থান নাই। "কাচ'নতলা" নামৰ কৃত্ৰিম প্ৰজনন কেন্দ্ৰ এটাহে আছে। পুঁজিৰ অভাৱত মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই।

বিষয় : পৰিকল্পনাৰ ধন ব্যয়।

শ্ৰীহেমন্ত কলিতাই সুধিছে :

৩৫৬। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পৰিকল্পনা আৰু উন্নয়ন বিভাগে মহকুমা পৰিকল্পনা সমিতিলৈ দিয়া বিভিন্ন বিভাগৰ টকা বহু বিভাগত অকল কৰ্মচাৰীক দৰমহা দিওতেই শেষ হয়, এনে ক্ষেত্ৰত উন্নয়নৰ দিশত খৰছ কৰিবলৈ টকা নাথাকেই, এই কথা সঁচানে ?

(খ) যদি সঁচা তেনে বিভাগৰ উন্নয়নৰ বাবে কেনে ধৰণৰ চিন্তা কৰা হৈছে ?

(গ) এনে ধৰণে প্ৰকৃততে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ বাস্তৱ ৰূপ দিব জানো ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কৰ্মচাৰীৰ দৰমহা পৰিকল্পনাৰ আঁচনিৰ এটা অংশ। সেয়েহে পৰিকল্পনাৰ আঁচনি বিকেন্দ্ৰীকৰণৰ লগত দৰমহাৰ অংশ বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অন্তৰ্ভুক্ত হৈ আছে। কোনো বিভাগৰ বিকেন্দ্ৰীকৃত কৰা আঁচনিত কৰ্মচাৰীৰ দৰমহাৰ অংশ বেছি।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয় : বান প্ৰতিৰোধৰ ব্যৱস্থা।

শ্ৰীকৰুনা দত্তই সুধিছে :

৩৫৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰ অৱগত নে, অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু সোঁৱনশিৰি নদীৰ বানপানীয়ে অশেষ ক্ষতি কৰিছে। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰীয়ে যি আৰ্থিক মঞ্জুৰী দিছে, উক্ত টকাৰে খহনীয়া আৰু বান প্ৰতিৰোধৰ বাবে কেনে ব্যৱস্থা লৈছে জনাবনে ?

(খ) মাজুলী মহকুমাত তেনে খহনীয়া প্ৰতিৰোধৰ কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লৈছে এই আঁচনি কেতিয়াৰ পৰা ৰূপায়িত হব আৰু কেনে ধৰণে ৰূপায়িত হব জনাবনে ?

(ঘ) এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত কিবা যোগাযোগ হৈছে নেকি ? যদি হৈছে কেন্দ্ৰীয় চৰকাৰৰ কেনে সহাৰি পাইছে জনাবনে ?

শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় অৱগত, কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে আৰ্থিক মঞ্জুৰী অনুমোদন পত্ৰ যোগে পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৫০০ কোটি টকাৰ এখন আঁচনিৰ তালিকা প্ৰস্তুত কৰি বিবেচনাৰ বাবে পঠোৱাৰ ব্যৱস্থা কৰি থকা হৈছে।

বিষয় : বিদ্যুৎ ট্ৰেন্সমিটাৰ।

**শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :**

৩৫৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

দৰং জিলাৰ মঙ্গলদৈ সংমণ্ডল আৰু ওদালগুৰি সংমণ্ডলৰ অন্তৰ্গত ইতিমধ্যে বিজুলী যোগান হৈ যোৱা গাওঁ সমূহ থকা সকলোবোৰ ট্ৰেন্সমিটাৰ কাৰ্য্যক্ষম অৱস্থাত আছেনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) যে উত্তৰ দিছে :**

দৰং জিলাৰ মঙ্গলদৈ আৰু ওদালগুৰি সংমণ্ডলৰ মুঠ ১১৮৩ টা ট্ৰেন্সফৰ্মাৰৰ ভিতৰত বৰ্ত্তমানে ১৬৯ টা ট্ৰেন্সফৰ্মাৰ বিকল অৱস্থাত আছে। প্ৰয়োজনীয় পুঁজিৰ সাপেক্ষে এই ট্ৰেন্সফৰ্মাৰ সমূহ পৰ্য্যায়-ক্ৰমে বদলি কৰা হব।

## Re: Erosion at Telpani

**Shri Prithibi Majhi asked :**

359. Will the Minister of Flood Control be pleased to state :

(a) Whether the Government is aware of the erosion at Telpani in Dibrugarh District by River Buridihing ?

(b) If so, what are the schemes taken by the Government for its proteciton ?

(c) If not, reason thereof ?

**Shri Promod Gogoi ( Minister ) replied :**

(a) Yes.

(b) A scheme for construction of a retirement is proposed in the reach.

(c) Does not arise.

( UNSTARRED QUESTION NO. 360 WAS DEFFERRED )

বিষয় : উচ্চ ন্যায়ালয়ত গোচৰ।

শ্ৰীমুনিন মহন্তই সুধিছে :

৩৬১। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান উচ্চ ন্যায়ালয়ত অসম চৰকাৰৰ বিভিন্ন বিভাগৰ বিৰুদ্ধে কিমানটা গোচৰ চলি আছে জনাবনে ?

( বিভাগ হিচাবে কেন্দ্ৰীয় ভাৱে আৰু জিলা হিচাবে ভাগ ভাগ কৰি দিব )

(খ) উচ্চ ন্যায়ালয়ত এই গোচৰ সমূহ ঠিকভাৱে তদাৰক নোহোৱাত বহুত বিষয়াই যে ন্যায়ালত Contempt খাব লগা হৈছে, এই বিষয়ে চৰকাৰ অৱগত নে ?

(গ) যদি অৱগত, এই সমস্যা সমাধানৰ বাবে চিন্তা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মুঠ ১৮৫১৩ টা গোচৰ চলি আছে।

( এতিয়ালৈকে বিভিন্ন বিভাগৰ পৰা পোৱা তথ্যৰ ভিত্তিত কেন্দ্ৰীয় ভাৱে আৰু জিলা ভিত্তিত গোচৰৰ তালিকা লগত দাখিল কৰা হ'ল )।

( See the Annexu re— VI )

(খ) উচ্চ ন্যায়ালয়ৰ হুকুম অমান্য কৰিলেহে Contempt খাব লগা হয়। সঠিক তদাৰকৰ অভাৱত নহয়।

(গ) প্ৰশ্ন নুঠে।

বিষয় : কেন্দ্ৰীয় চৰকাৰৰ অনুদান।

শ্ৰীমাজিবুল উমৰে সুধিছে :

৩২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) প্ৰাকৃতিক দুৰ্যোগ শিতানত ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে মুঠ কিমান টকাৰ অনুদান পাইছে ?

(ক) উক্ত বিত্তীয় বছৰত প্ৰাকৃতিক দুৰ্যোগ শিতানত পোৱা টকা কোন কোন বিভাগক কিমান টকাকৈ আবণ্টন দিয়া হৈছে ?

ডঃ জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰাকৃতিক দুৰ্যোগ শিতানত ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা বৰ্ত্তমানলৈকে চাৰিটা কিস্তিত মুঠ ৩৭,৫১,০০,০০০ টকা ( সাতত্ৰিশ কোটি একাৱন লাখ ) আৰু অতিৰিক্ত হিচাপে ২১,০০,০০,০০০ টকা ( একৈশ কোটি ) সৰ্বমুঠ ৫৮,৫১,০০,০০০ টকাৰ ( আঠাৱন কোটি একাৱন লাখ ) অনুদান পোৱা হৈছে।

(খ) উক্ত বিত্তীয় বছৰত বিভিন্ন বিভাগক এতিয়ালৈকে আবণ্টন দিয়া ধনৰ পৰিমাণৰ তালিকা সদনৰ মেজত ৰখা হৈছে।

( See the Annexure – VIII )

বিষয় : ম্যাদি পট্টা।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে :

৩৬৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ম্যাদি পট্টা নোপোৱা জিলাৰ কৃষক সকলক ম্যাদি পট্টা দিয়াৰ বাবে চৰকাৰে কি আঁচনি হাতত লৈছে ?

(খ) শোনিতপুৰ জিলাৰ চতিয়া সমষ্টিৰ অন্তৰ্গত ন দুৱাৰ চক্ৰৰ অধীনত স্থায়ীভাৱে বসবাস কৰি অহা কৃষকক ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে ?

(গ) ন-দুৱাৰ ৰাজহ চক্ৰৰ অধীনত কিমান কৃষকক বৰ্ত্তমানলৈকে ম্যাদি পট্টা দিয়া হৈছে অনুগ্ৰহ কৰি জনাবনে ?

ডঃ জয়নাথ শৰ্মা ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম ভূলেখ্য অধিনীয়ম অনুযায়ী ম্যাদি পট্টা দি থকা হৈছে।

(খ) অসম ভূলেখ্য অধিনীয়ম অনুযায়ী উপযুক্ত সকলক ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা আছে।

(গ) বিতং তথ্য সংগ্ৰহ কৰি থকা হৈছে।

বিষয় : ভূমি সংৰক্ষণ আঁচনি।

শ্ৰীমহেন্দ্ৰমোহন ৰায় চৌধুৰীয়ে সুধিছে :

৩৬৪। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ভূমি সংৰক্ষণ বিভাগৰ জৰিয়তে নিৰ্মাণ কৰা শোনিতপুৰ সংমণ্ডলৰ

অন্তৰ্গত ( কলাই গাওঁৰ চিনাকোনো সীমাৰ ) চিনাকোনো উল্‌টা খন্দা আঁচনিখন বৰ্ত্তমান কি অৱস্থাত আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

বৰ্ত্তমান চিনাকোনো উল্‌টা খন্দা আঁচনিখন অচলাৱস্থাত আছে।

Re : People died in the Ethnical Clash.

Shri Prithibi Maji asked :

365. Will the Minister, Relief & Rehabilitation be pleased to state :

(a) How many people died in the ethnical Clash in Kokrajhar and Bongaigaon District till date ?

(b) How many people died in starvation in the relief camps till date ?

(c) What steps the Government is taking for Rehabilitation of people living in unhealthy atmosphere of relief camps ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

(a) 231 persons.

(b) No one died due to Starvation.

(c) There is no un-healthy atmosphere in the relief camps.

বিষয় : বনাঞ্চলৰ পৰা উচ্ছেদ সম্পৰ্কে।

শ্ৰীমুনিন মহন্তই সুধিছে :

৩৬৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট জিলাৰ মুৰফুলনি ৰিটৰ অধীনৰ দৈগ্ৰোং নামনি আৰু উজনী বনাঞ্চলত দখল কৰি থকা কৃষক সকলক উচ্ছেদ কৰা হৈছে নেকি ?

(খ) উচ্ছেদিত কৃষক সকলৰ একাংশক পুনৰ বসতিৰ বাবে সুবিধা দি

প্ৰশাসনে একাংশক খেদি পঠাবলৈ আৰু অত্যাচাৰ কৰি থকাতো সত্য নেকি ?

(গ) যদি সত্য হয়, এই ব্যৱস্থা বন্ধ কৰিবনে জনাবনে ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, হৈছে।

(খ) সত্য নহয়।

(গ) প্ৰশ্ন নুঠে।

## Discussion Durring Zero Hour.

**Mr. Speaker :** Now Question hour is over. I have received five zero Hour notices for today from Honourable Member Shri Hitendra Nath Goswami.

1. Shri Nizam Uddin Khan
2. Shri Sukhendu Sekhar Dutta
3. Shri Mahendra Mohan Roy Choudhury
4. Shri Prafulla Goswami
5. Shri Keshoram Bora
6. Dr. Ardhendu Kumar Dey.

Out of the 5 notices, I have releted three for raising in the House, Hon'ble Member Shri Hitendra Nath Goswami to raise his Zero Hour Notices which was published in the North East Times, Dated 15.3.97 under the Caption 'Toklai Experimental Station Heading Towards Uncertain Future.

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী :** মাননীয় অধ্যক্ষ মহোদয়, মই ১৫/৩/৯৭ তাৰিখে 'নৰ্থ ইষ্ট টাইমচ্‌' কাকতত প্ৰকাশিত 'টোকলাই এক্সপেৰিমেণ্ট ষ্টেচন হেডিং টুৱাৰ্ডচ্‌ আনচাৰ্টেইন ফিউচাৰ' শীৰ্ষক বাতৰিটোৰ

প্ৰতি সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু এইটো ৰক্ষা কৰা ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰক দৃঢ় ভূমিকা লবলৈ অনুৰোধ জনাব খুজিছো। এই গবেষণা কেন্দ্ৰটো ১৯১০ চনতে অসমত স্থাপন কৰা হৈছিল আৰু এইটো পৃথিবীৰ ভিতৰতে অতি পুৰণি আৰু ঐতিহ্যপূৰ্ণ গৱেষণা প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানটোৰ জৰিয়তে চাহৰ ওপৰত বহুতো গবেষণা কৰা হৈছে আৰু সেই গবেষণাৰ পৰা সমগ্ৰ পৃথিৱীতে চাহ উৎপাদনৰ বৃদ্ধিৰ ক্ষেত্ৰত কেন্দ্ৰটোৰ গুৰুত্ব লাভ কৰিছে। ১00 বছৰ পূৰ্ণ কৰিবলগীয়া এই অনুষ্ঠানটো যোৱা ১00 দিন ধৰি কৰ্মচাৰী সকলে কৰা ধৰ্মঘট আৰু হৰতালৰ বাবে বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। সেইকাৰণে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে সোনকালে হস্তক্ষেপ নকৰিলে এই গবেষণা কেন্দ্ৰটো বন্ধ হৈ যাব। টোকোলাই চাহ গবেষণা কেন্দ্ৰটো ১৯১১ চনৰ পৰা ১৯৬৪ চনলৈ ঠিকমতে চলি আছিল

ইণ্ডিয়ান টি এচোছিয়েচন অৰ্থাৎ আই, টি, এ এই সময়ছোৱাত কেন্দ্ৰটো সুন্দৰভাৱে তত্বাৱধান কৰিছিল। কিন্তু ইয়াৰ পাছত কেন্দ্ৰটো টি ৰিচাৰ্চ এচছিয়েচন অৰ্থাৎ টি, আৰ, এ আৰু কাউন্সিল অফ চায়েনটিফিক এণ্ড ইণ্ডাষ্ট্ৰীয়েল ৰিচাৰ্চ অৰ্থাৎ চি, এচ, আই, আৰ, এ যুটীয়া ভাৱে চলাবলৈ আৰম্ভ কৰে। এই ব্যৱস্থাত আই, টি, এ, ৰ সদস্য সকলৰ বৰঙণিৰ উপৰিও ইয়াৰ সদস্য নথকা বাগানসমূহেও টি, আৰ, এফ চাহ গবেষণাৰ বাবে নিৰ্দ্দিষ্ট পৰিমাণৰ বৰঙণি দিছিল আৰু মুঠ আৱশ্যকীয় টকাৰ ৫0 শতাংশ কেন্দ্ৰীয় চৰকাৰে চি, এচ আই, আৰৰ জৰীয়তে দিছিল। ১৯৯১ চনত চি, এচ, আই আৰৰ ঠাইত টি বোৰ্ডে ৫0 শতাংশ বৰঙণি দিয়াৰ দায়িত্ব লয়। কিন্তু তেতিয়াৰ পৰা টোকোলাই কেন্দ্ৰৰ অৱস্থা বেয়াৰ ফালে ঢাল খায়। এতিয়া দক্ষিণ ভাৰততো এটা চাহ গবেষণা কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু সেইটো সেই অঞ্চলৰ চাহ বাগানৰ মালিকসকলে টকা পইচা যোগান ধৰি পৰিচালনা কৰি আছে। দক্ষিণ ভাৰতৰ কেন্দ্ৰটো গঢ়ি উঠাত টোকোলাইৰ কাম সিমিত হৈছে। এই গবেষণা কেন্দ্ৰটোৰ অসমৰ বাহিৰত ৮ টা উপকেন্দ্ৰ আছে আৰু সেই কেইটাৰ

পশ্চিম বঙ্গত ৩ টা, অসমত ৪ টা আৰু ত্ৰিপুৰাত ১ টা। এতিয়া পশ্চিম বঙ্গৰ নাগ্ৰাকাটাত থকা কেন্দ্ৰটো উন্নতি কৰি টোকোলাৰ মূল গৱেষণা কেন্দ্ৰটোৰ গুৰুত্ব কমাবলৈ বিচাৰিছে। আনহাতে টি, আৰ, এ, হেড অফিচ এতিয়াও কলিকতাতে আছে। গৱেষণা কেন্দ্ৰটোৰ কৰ্ম্মচাৰী সকলে যোৱা ১০০ দিন ধৰি হৰতাল চলাই আছে আৰু তাৰ মূল কাৰণ হৈছে এই গৱেষণা কেন্দ্ৰটোৰ কৰ্মচাৰী সকলৰ আজিলৈকে চাৰ্ভিচ ৰুল তৈয়াৰ হোৱা নাই আৰু দৰ্মহাৰ গাঠনি বি, এচ, আই, আৰৰ আৰ্হিত হোৱা নাই। আজি যিটো অৱস্থা হৈছে তাৰ দ্বাৰা গৱেষণা কেন্দ্ৰটোৰ কৰ্মচাৰী সকলক কলিকতা লবীৰ হেচাত চাটাই কৰাৰ এক পৰিকল্পনা চলিছে আৰু এই গৱেষণা কেন্দ্ৰটো পশ্চিমবঙ্গৰ নাগ্ৰাকাটাৰ পৰা পৰিচালনা কৰাৰ ষড়যন্ত্ৰ চলিছে। কৰ্মচাৰী সকলে আৰু এটা ডিমাণ্ড কৰিছে যে এই গৱেষণা কেন্দ্ৰটো নেচনেলাইজ কৰিব লাগে। নহলে এই অনুষ্ঠানটো মৃতপ্ৰায় হব। ইতিমধ্যে এই বিষটো লৈ বিৰোধী দলৰ পৰাও একজনে এই অধিবেশনত উদ্বেগ প্ৰকাশ কৰিছে। গতিকে মই ভাবো এই বিষয়ত এতিয়া অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বাণিজ্য দপ্তৰত হেচা প্ৰয়োগ কৰিব লাগে। যোৱা ১৬ মাৰ্চৰ 'টেলিগ্ৰাফ' কাকতত এনে এটা বাতৰি প্ৰকাশ পাইছে যে কেন্দ্ৰীয় চৰকাৰে চাহৰ গৱেষণা চলাই থকাৰ স্বাৰ্থত শেহতীয়া ভাবে এটা চেচ প্ৰয়োগ কৰা কথা কৈছে আৰু এই টকাটো টোকোলাই গৱেষণা কেন্দ্ৰ দক্ষিণ ভাৰতত স্থাপন হোৱা কেন্দ্ৰটো চলোৱাৰ কাৰণে খৰচ কৰা হব বুলি কৈছে। গতিকে চাহৰ ওপৰত আৱশ্যকীয় কৰ লগোৱাৰ ব্যৱস্থা কৰি হলেও এই অনুস্থানটো অসমতে ৰখাৰ কাৰণে অসম চৰকাৰে দৃঢ়তাৰে পদক্ষেপ লৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব লাগে। সেই কাৰণে এই বিষয়টো মই 'জিৰো' আৱাৰ নোটিছ হিচাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো। এই চাহ গৱেষণা কেন্দ্ৰটো অসমতে ৰখাৰ ব্যৱস্থা কৰাৰ কাৰণে আমাৰ উদ্যোগ মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে। সেই বিষয়ে পবিত্ৰ সদনক জনাব।

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই যিটো প্ৰস্তাৱ সদনত উত্থাপন কৰিছে এইটো মই সমৰ্থন কৰিছো আৰু যিহেতু বৰ্তমান টি এচোছিয়েচনে চাহৰ গৱেষণাৰ ওচৰত গুৰুত্ব কমাই দিছে। গতিকে চৰকাৰে চাহৰ ওপৰত অতিৰিক্ত কৰ বহুৱাই হলেও টোকোলাই চাহ গবেষণা কেন্দ্ৰটো ৰক্ষা কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীগুণিন হাজৰিকা ( উদ্যোগ মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, টোকোলাই চাহ গবেষণা কেন্দ্ৰটো দেশৰ ভিতৰতে এটা পুৰণি গবেষণা কেন্দ্ৰ। এইটো ওৱেষ্ট বেঙ্গল কোঅপাৰেভিট চচাইটি এক্ট মতে গঠন কৰা হৈছিল আৰু তাৰ বৰ্তমান সদস্য সংখ্যা হ'ল ২১ টা। ইয়াৰে ৪ জন টি বোৰ্ডৰ আৰু ১৭ জন টি ইণ্ডাষ্ট্ৰীৰ ফালৰ পৰা থাকে। মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে সেই বিষয়ত যোৱা ১০০ দিন ধৰি গবেষণা কেন্দ্ৰটোৰ কৰ্মচাৰী সকলে যি আন্দোলন চলাই আছে সেই সমস্যাটো সমাধানৰ সম্পৰ্কত মেনেজমেণ্টৰ ফালৰ পৰাই হওক বা আন্দোলনকাৰী সকলৰ ফালৰ পৰাই হওক ৰাজ্য চৰকাৰৰ ওচৰত পোনপটীয়া যোগাযোগ কৰা নাই। তথাপি আমি এই ক্ষেত্ৰত নিশ্চয় বহি থাকিব নোৱাৰি। এই অনুষ্ঠানটো চলোৱাৰ কাৰণে ৭.৫ কোটি টকাৰ বছৰি প্ৰয়োজন হয়। তাৰে ২.১ কোটি টকা টি বোৰ্ডে, আৰু বাকী টকা টি ইণ্ডাষ্ট্ৰীৰ ফালৰ পৰা খৰচ কৰে। তাৰ যিজন চেয়াৰমেন আছিল তেওঁৰ তিনি বছৰীয়া কাৰ্য্যকাল ইতিমধ্যে শেষ হৈ বৰ্তমান তেওঁ এক্সটেনচনত আছে। অৰ্থাৎ দাবী জনোৱা বিষয়সমূহ I T A ৰ সভাপতি শ্ৰীকৃষ্ণ কুমাৰে চোৱা চিতা কৰি আছে। ইয়াৰ অনুষ্ঠান কাউন্সিল অৱ চাইণ্টিফিক আৰু ইণ্ডাষ্ট্ৰিয়েল ৰিচাৰ্চএ সময়ত ইয়াৰ তত্বাৱধান ( C S I R ) লৈছিল।

শ্ৰীগুণিন হাজৰিকা ( উদ্যোগ মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, চি, এচ, আই, আৰৰ নিয়ম অনুসৰি দৰমহা দিয়া হৈছিল। কিন্তু ১৯৯০ চনৰ পৰা চি, এচ, আই, আৰ T R A ৰ দায়িত্ব এৰিলে। টি, আৰ, এ কৰ্মীসকলে CSIR ৰ হাতত কৰ সহ দিব লাগে বুলি দাবী কৰিছে। চাহ কোম্পানীয়ে Subcription দিয়ে যদিও যথেষ্ঠ হোৱা নাই।

টি, আৰ, এৰ পৰা টি গাৰ্ডেনে নিয়ম অনুসৰি সদস্য অন্তৰ্ভুক্ত কৰিব পাৰে। সেই নিয়ম অনুসৰি যিবিলাক চাহ বাগিছাই ২ লাখ কে, জিৰ ওপৰ চাহ উৎপাদন কৰে তেওঁলোকে প্ৰতি কেজিত ৬ পইচাকৈ, যিবিলাক বাগিছাই ২ লাখৰ পৰা ৪ লাখ কে, জি চাহ উৎপাদন কৰে তেওঁলোকে প্ৰতি কে, জিত ৮ পইচাকৈ আৰু যিবিলাক বাগিছাই ৪ লাখ কেজিৰ ওপৰত উৎপাদন কৰে তেওঁলোকে প্ৰতি কেজিত ১০ পইচাকৈ দিব লাগে। সেইটো হৈছে তেওঁলোকৰ ভলেনটিয়াৰি কনট্ৰিবিউচন। কিন্তু এতিয়া দিয়াত হেমাহি কৰিছে। বৰ্ত্তমান ৰাজ্য চৰকাৰৰ তৰফৰ পৰাও টি বোৰ্ড আৰু কমাৰ্চ মিনিষ্ট্ৰীৰ ওচৰত দৃষ্টিগোচৰ কৰা হব। টোকোলাই গবেষণা কেন্দ্ৰটো অসমৰে নহয় পৃথিবীৰ ভিতৰতে পুৰণি প্ৰতিষ্ঠান। এই অনুষ্ঠানটো চলাই ৰখাটো আমাৰ কৰ্ত্তব্য। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তেওঁলোকৰ দাবীসমূহ কেন্দ্ৰৰ লগত যোগাযোগ কৰি আলোচনা কৰিম। টি বোৰ্ড আৰু কমাৰ্চ মিনিষ্ট্ৰীৰ লগত যোগাযোগ কৰি টোকোলাই গবেষণা কেন্দ্ৰটো বচাই ৰখাৰ কাৰণে ৰাজ্য চৰকাৰে দায়িত্ব পালন কৰিছে।

**Mr. Speaker :** I would call upon Mr. Sukhendu Shekhar Dutta to raise the matter.

**Shri Sukhendu Shekhar Dutta :** This is a discussion on "Karimganj Dacaity Bereche"—Police Niskriya". It is a serious matter due to many many reasons. It is not a simple case of docaity. What I understand, they have a planned designed behind these docaity cases during the period of March 4 to March 14. There are 14th cases of daring docaities committed and one in the house of Agriculture Extension Officer of the North Karimganj Develo-Pment Block. All over the District in all villages there have been serious type of dacoities, theft, etc. cases and as a result, people in the District feel

very much insecure. One person from Barigram appealed to the Hon'ble Chief Minister through me requesting him to protect life and property and to give compensation as his entire earnings have been taken away and now the question arises how he will survive. Nobody is secured, no life is secured, no daughters and sons are secured and all family members, even the children have been beaten up and some family members have been admitted in the Medical College Hospital, Silchar.

In this context, I would like to inform the august House that there is a serious gang in three stages. One group has taken up responsibility of militant activities, some are with ISI, some are with CIA. They have taken the responsibility to terrorise the people so that they can leave the villages. Below that there is a organised gang. Some have taken responsibility of theft and dacoities and some have taken responsibility of terrorism. A group is responsibility of terrorism. A group is responsible for protecting them. Below there is a ground force, in the top level the militants are operating, in the ground, dacoits are operating. So there are three forces, they are anti-national, and anti-social elements and they have terrorised the people of Karimganj. I am bound to think that there is leniency in the administration. I wonder if there is any administration, any police administration. I got the information from D. C.s office that some people entered into the D. C's chamber and threatened him

that on what authorty he could arrest the persons, That is the law and order situation in Karimganj now. There is no law and order and there is no administration. Government cannot run in this way. If there is no security of life and property nobody can move in the street. This is the position. That is why I bring the matter before the august House and to bring it to the notice of Chief Minister to see that Karimganj remains in peace and security is not threatened, life and property are not threatened. Protection of life and property must be guaranted by the administration. I bring this matter before the House so that Government may take proper action, otherwise security of Karimganj will be jeopardised.

**Shri Bimalangshu Roy :** Mr. Speaker Sir, while supporting Mr. Dutta on the matter, I would also like to speak a few words. A group of meletants numbering 200/250 have culected into Cachar few days back with shopist-into N. C. Hills or coted weapons. They could not yet been traced out. God knows if they have sneaked are operating in Cachar District. A group of militants now again are tying to enter the District. Today again in News paper 'Agradoot' in headlines these news has come and so, that matter is brought to the House. This is a very serious matter concerning the security / intigrity is of the State, security of life and property of the people, of the state and particularly of the Barak Valley. So, I would like to draw the attention of the

Hon'ble Chief Minister in this regard. Regarding docaity and theft Sir, even the Chief Judicial Magistrate Silchar has been spared. The docaits ransacked his house and took away very valuable and precious articles. Few days back. this is the situation in Cachar district. Therefore, I request the Hon'ble Chief Minister to look into all these matters and take effective steps against such incidence of docaity theft. and militant activities.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীদত্ত ডাঙৰীয়া আৰু শ্ৰীৰয় ডাঙৰীয়াই শূন্য কালৰ সময়ত যি প্ৰশ্নটো আলোচনা কৰিছে সেইটোত দেখা গৈছে যে যোৱা ১৫-৩-৯৭ তাৰিখৰ 'দৈনিক সোণাৰ কাছাৰ' বাতৰি কাকতত প্ৰকাশিত 'কৰিমগঞ্জে ডাকাতি বেড়েছে। পুলিশ নিস্ক্ৰিয় ভূমিকায়' শীৰ্ষক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। চলিত মাৰ্চ মাহৰ সময়ছোৱাত কৰিমগঞ্জ জিলাৰ কৰিমগঞ্জ আৰু সেই এলেকাৰ আৰক্ষী থানাৰ এলেকাৰ, নীলাম বজাৰৰ কিছু কিছু অঞ্চলত চুৰি ডকাইটি বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। আমাৰ হাতত পৰা তথ্য মতে চলিত মাৰ্চ মাহত ৮ টা ডকাইটি আৰু এটা চুৰিৰ ( ৰবাৰীৰ ) ঘটনা সংঘটিত হয়। উক্ত চুৰি ডকাইটিৰ ঘটনাৰ সন্দৰ্ভত এতিয়ালৈকে মুঠ ১৯ জন লোকক আটক কৰিছে।

চুৰি ডকাইটিৰ দৰে ঘটনা ৰোধ কৰাৰ কাৰণে ইতিমধ্যে আৰক্ষীয়ে সম্ভৱপৰ সকলো ব্যৱস্থা হাতত লৈছে। ইতিমধ্যে আৰক্ষীয়ে সমগ্ৰ কৰিমগঞ্জ জিলাতে নিশাৰ ভাগত তহলদাৰী ব্যৱস্থা অধিক ক্ষীপ্ৰতৰ কৰি তুলিছে। তাৰোপৰি গাওঁৰক্ষী বাহিনী সমূহক অধিক সক্ৰীয় কৰি তোলা হৈছে।

বাতৰিত উল্লেখ কৰাৰ দৰে কৰিমগঞ্জৰ আৰক্ষীয়ে নিস্ক্ৰিয় ভূমিকা লোৱা নাই। সীমিত সংখ্যক আৰক্ষীয়ে কৰিমগঞ্জ জিলাত হঠাৎ বৃদ্ধি পোৱা চুৰি ডকাইটিৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ আৰু

---

* Speech not coraected

এই ঘটনা সমূহৰ লগত জড়িত দোষীলোকক ধৰা পেলাবলৈ সকলো ব্যৱস্থা লোৱা হৈছে। আৰক্ষীৰ সংখ্যা প্ৰয়োজন অনুসাৰে বৃদ্ধি নোপোৱাত আৰক্ষী বিভাগ বহু সময়ত অসুবিধাৰ সন্মুখীন নোহোৱাও নহয়। আমি আশা ৰাখিছো কৰিমগঞ্জ জিলত হঠাৎ বৃদ্ধি পোৱা চুৰি ডকাইটিৰ দৰে ঘটনা মোকাবিলা কৰিবলৈ আৰক্ষী বিভাগ সক্ষম হব। বিভিন্ন সামাজিক কাৰণতেই চুৰি ডকাইটিৰ দৰে ঘটনা বৃদ্ধি পাইছে বুলি ভবা হৈছে। বাতৰিত উল্লেখিত ডকাইতি চুৰি ঘটনা কেইটাৰ লগত জড়িত লোকক আটক কৰাৰ কাৰণে সকলো ধৰণৰ ব্যৱস্থা লবলৈ আৰক্ষীক নিৰ্দ্দেশ দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰয় ডাঙৰীয়াই উত্থাপন কৰিছে—বাংলাদেশৰ পৰা উগ্ৰপন্থী অসমত সোমাইছে। কাটিগৰা হন্দো-বাংলা বোৰ্ডাৰ ৰতনপুৰৰ ওচৰত বাংলাদেশৰ ভিতৰত ২০ কিলোমিটাৰ বাংলাদেশৰ ফালে কিছুমান উগ্ৰপন্থী থকাৰ সন্দেহ আৰক্ষী বিভাগে পায়। সেই সম্পৰ্কে ভাৰত চৰকাৰে জানে। আমাৰ সীমান্ত অঞ্চল শক্তিশালী কৰাৰ ব্যৱস্থা কৰা হৈছে। আৰু যিসকল আগতে সোমাইছিল সেই সকলক কৰায়ত্ব কৰিবৰ কাৰণে সেনা আৰু আৰক্ষীয়ে সকলো প্ৰকাৰৰ প্ৰচেষ্টা চলাইছে। মই আশা কৰিছো এই প্ৰচেষ্টাই এনে ধৰণৰ সমস্যাক বাধা দিয়াত সক্ষম হব পাৰিব।

**ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মহানগৰীত এনে কিছুমান ঘটনা ঘটিছে যদিও যিবিলাক আমাৰ বাতৰি কাকতত প্ৰকাশ হৈছে। প্ৰকৃততে যথেষ্টখিনি ঘটিছে যদিও কিছুমান ঘটনা বাতৰিত অহা নাই। সেয়ে জনসাধাৰণৰ ওচৰত প্ৰতিক্ৰীয়া হোৱা নাই। মই শূন্যকালত যিটো ঘটনাৰ কথা উত্থাপন কৰিছো এইটো এটা ডাঙৰ ঘটনা। আমি দেখা পাইছো প্ৰশাসনেই হওঁক বা অন্যাই হওঁক ঘটনা এটা গাপ দি ৰখাৰ ব্যৱস্থা কৰিছে—কথাটো হল বি বৰুৱা কেঞ্চাৰ হস্পিতালত যোৱা কেইমাহ মান ধৰি এনেকুৱা এটা বস্তু চুৰি হৈ গৈছে যিটো বস্তু যথেষ্ট প্ৰয়োজনীয় বস্তু। এটা ডাঙৰ বিপদ আমাৰ সন্মুখত দেখা দিছে। বি বৰুৱা

কেঞ্চাৰ হস্পিতালৰ পৰা চিচা জাতীয় লীড ২ বাৰ চুৰি হৈছে। এই লিড়ৰ আকাৰ এটা ইটাৰ সমান প্ৰায় ৭ কেজি ওজনৰ। এইটো ব্যৱহাৰ কৰা হয় তেতিয়া এজনক কবেল্টৰে দিয়া হয় তেতিয়া তাৰ পৰা ৰেডিয়েশ্যান যাতে বেলেগৰ ওপৰত নপৰে তাৰ কাৰণে ব্যৱহাৰ কৰা হয়। এই বস্তুটো 'লেব্ৰেটৰীৰ পৰা চুৰি হৈছে যিটো লেবৰেটৰী বাহিৰৰ ফালৰ পৰা টলা বন্ধ হৈ থাকে। দুবাৰো টলা বন্ধ হৈ থকা অৱস্থাত ভিতৰৰ পৰা এই বস্তুটো নোহোৱা হয়। ইয়াত চৰকাৰী আৰু বে চৰকাৰী ভাবে ১৩ জনৰ পৰা ১৫ জন পহৰাৰ ব্যৱস্থা আছে। ২৪ ঘন্টা পহৰা দি থকাৰ পিচটো এই লেড চুৰি হোৱাৰ কাৰণ আমি জানিব পৰা নাই। বিভাগীয় কৰ্তৃপক্ষই তদন্ত চলাই থকাৰ সময়টো সিদিনা চুৰি হল। এই লেড সাধাৰণতে ব্যৱহাৰ কৰা হয় কাৰ্টিজ, গ্ৰেনাইড আদি বনাওঁতে মই এই ঘটনাটো স্কেণ্ডেলৰ কথা কোৱা নাই। এই বস্তু বিলাকৰ দ্বাৰা মাৰনাস্ত্ৰ তৈয়াৰ কৰিব পাৰে তাৰেহে দৃষ্টি গোচৰ কৰিছো। চৰকাৰে এই বস্তুটো' গোপন কৰাৰ ব্যৱস্থা কৰিছে। সেই কাৰণে মই মাননীয় সদনত শূন্যকালত এই কেইবা লাখ টকীয়া চুৰি সংক্ৰান্তৰ ঘটনাটো মাননীয় বিভাগীয় মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো।

* ডাঃ কমলা কলিতা (মন্ত্ৰী), মাননীয় অধ্যক্ষ মহোদয়, শূন্য কালৰ সময়ত মাননীয় সদস্য ডাঃ অৰ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই যিটো বিষয়ে উত্থাপন কৰিছে সেই বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। ১৯৯২ চনত প্ৰায় ২৫৪ টুকুৰা লিড ক্ৰয় কৰা হৈছিল তাৰ মূল্য হ'ল প্ৰায় ২ লাখ টকা। এই লেপৰ সহায়ত ৰেডিয়েশ্যন এক্সপ্লজাৰ টেকনিচিয়ানক ৰক্ষণাবেক্ষন দিব পৰা যায়। ১৯৯৫ চনৰ জানুৱাৰী মাহত এই নিউক্লিয়াৰ ৰেডিয়াম বিভাগৰ পৰা ১৬১ টুকুৰা লিড় নোহোৱা হৈছিল। কিন্তু তেতিয়াও সেই কোঠাটোত বাহিৰৰ পৰা টলা লগোৱা আছিল। তাৰ পিচত যেতিয়া এই কথাটো কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ হল তেতিয়া এটা লগে লগে এনকুৱাৰী দিলে।

* ডাঃ কমলা কলিতা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি গোটেই

* Speech not corrected

বিষয়টো পুলিচৰ ওচৰত দিছো। পুলিচে তদন্ত কৰি এজন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে আৰু কৰ্মচাৰীজনৰ পৰা কোনো ধৰণৰ ফলপ্ৰসু ৰিজাল্ট নোপোৱাত কৰ্মচাৰীজন খালাচ দিছে। ইয়াৰ পিছত ১৯৯৬ চনৰ ডিচেম্বৰ মাহত আকৌ ১২ টুকুৰা লেড একে ক্ৰমৰ পৰা একে ধৰণেৰে অন্তৰ্ধান হ'ল। বিষয়টো আমাৰ দৃষ্টি-গোচৰ হোৱাৰ লগে লগে আমি পুনৰ বি, বৰুৱা কেনচাৰ ইনষ্টিটি-উতৰ পৰিপ্ৰেক্ষিতত গোচৰ তৰিছো। অনুসন্ধান কৰি থকা হৈছে। এই বিষয়টোৰ ওপৰত কিছু কিছু অনুসন্ধান কৰিছে। এই খিনি সময়ত গোটেইখিনি ক'ব পৰা অৱস্থাত নাই। ১৪/২/৯৭ তাৰিখে মেনেজমেণ্ট কাউঞ্চিলৰ কমিটি হৈছিল। এই মেনেজমেণ্ট কাউঞ্চিল কমিটিক এই বিষয়টো চিৰিয়াছলি লোৱা হৈছে। মেনেজমেণ্ট কাউঞ্চিল ইতিমধ্যে ডিৰেক্টৰ মেডিকেল এডুকেচন কাৰ্য্যালয়ক এই বিষয়টো অনুসন্ধান কৰিবৰ কাৰণে দিছে। ইনভেষ্টিগেচন হৈ আছে। বি, বৰুৱা কেনচাৰ ইনষ্টিটিউতৰ পহৰাদাৰৰ ব্যৱস্থা, যোৱা তিনি বছৰ আগতে এটা প্ৰাইভেট চিকিউৰিটি অৰ্গেনাইজে-চনৰ হাতত দিয়া আছে। তিনিবছৰ চলি আছে বাতিল কৰা হোৱা নাই। যিহেতু ইনভেষ্টিগেচন হৈ আছে এতিয়ালৈকে তেওঁলোকৰ চুক্তি বাতিল কৰা হোৱা নাই। চেণ্টিনেল কাকতৰ বাতৰিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা হৈছে। এই বাতৰিত ১৯৯৫ চনৰ জানুৱাৰীত ১৫১ আৰু ১৯৯৬ চনত ৯২ টুকুৰা দেখুৱা হৈছে। এটুকুৰা মাত্ৰ পুলিচৰ হাতত আছে। বি, বৰুৱা কোৱাল থেৰাপিত এটুকুৰা এলয় পোৱা গৈছে। এই গোটেই বিষয়টো চিৰিয়াছলি লোৱা হৈছে। বি, বৰুৱা কেনচাৰ ইনষ্টিউতত কোনোৱা এটা চক্ৰ থাকিব লাগিব। এটুকুৰা লেড বা এলয় কেনেকৈ নোহোৱা হ'ব পাৰে। যিখিনি ৰোগী আৰু চিকিৎসক তালৈ অহা যোৱা কৰে সকলোৰে বেগ সম্পূৰ্ণকৈ চেক কৰাৰ এটা নিৰ্দ্দেশ দিয়া হৈছে। পৰীক্ষা নিৰীক্ষা কৰিবলৈ দিয়া হৈছে। গোটেই কথাটোতে আমি সন্দেহ কৰিছো। আৰু অত্যন্ত গুৰুত্বপূৰ্ণ হিচাপে আমি লৈছো। এই সামগ্ৰীখিনি দুই লাখ টকাৰ। যিখিনি সামগ্ৰী ইতিমধ্যে চুৰি হৈছে। এই সামগ্ৰীখিনি কাৰ্টিজ, বুলেট আদি তৈয়াৰ

কৰিবৰ কাৰণে নিব পাৰে। ১৯৯০ চনত ভাবা এটোমিক কেন্দ্ৰই গামা কেমেৰা এটা দিছিল। টেকনিচিয়ান সকলো ৰেডিয়েচনৰ পৰা হাত সাৰিবৰ কাৰণে। গামা কেমেৰাটো ইনষ্টল হোৱা নাই। কেমেৰাটো কাৰ্য্যক্ষম হোৱা নাই। এইটো যদি আমি কাৰ্য্যক্ষম কৰিব লগা হয় তেতিয়া হলে তাৰ মেৰামতিৰ কাৰণে কিমান খিনি টকাৰ প্ৰয়োজন হ'ব। গামা মেচিনটো বেয়া হৈ আছিল আৰু ক্ৰমত তলা বন্ধ হৈ আছিল। ১৯৯৫ চনত ক্ৰম চেক কৰা হৈছে। ইয়াৰ পিছতে গোটেই লিড নোহোৱা হৈছে। গোটেই বিষয়টো অনুসন্ধান হৈ আছে। অনুসন্ধানৰ কথা চলি আছে। প্ৰাইভেট চিকিউৰিটি পূৰ্বাঞ্চলৰ তিনি বছৰ কনটেক্ আছিল। বিষয়টো ওপৰ পুলিচ আৰু আমাৰ বিভাগীয় দুয়োফালে তদন্ত হৈ আছে। আমি জানিব পাৰিছো এই ক্ষেত্ৰত তদন্ত আগবাঢ়ি আছে। মাননীয় সদস্যসকলে এই বিষয়ৰ সম্পৰ্কত যিটো আশংকা কৰিছে আমাৰ চৰকাৰৰ বিবৃতিত ইয়ানেই ঘোষণা কৰিছো।

* শ্ৰীগৌতম ৰয় : মাননীয় অধ্যক্ষ মহোদয়, মই বিধান সভাত এটা প্ৰিভিলেজ মোচন উত্থাপন কৰিছিলো আৰু সেইটোৰ ওপৰত আপোনাৰ ৰুলিং ৰিজাৰ্ভ ৰাখিছে। এইবাৰ আকৌ এটা নিউজ ওলাইছে— কোনো লবিয়ে ইনফ্লুয়েন্স কৰিছে বুলি। চাৰ, মই তিনিবাৰ ধৰি বিধায়ক হিচাবে নিৰ্বাচিত হৈ আছো যাঠি হাজাৰ ভোট পাইছো। কোনো ব্যক্তিৰ বিৰুদ্ধে অভিযোগ নাই। কিন্তু মাননীয় বিধায়ক দিলীপ কুমাৰ শইকীয়াই আলোচনা কৰাৰ সময়ত হাঁহি থকা কথা উঠাইছে। হাঁহি থকা ভাল। নাহাঁহিলে ভয় হয়। আমি কোনো লবি কৰা নাই। ইয়াৰ পিচত যাঠি হাজাৰৰ ঠাইত আশী হাজাৰ ভোট পাম।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ কেইজনমান মাননীয় সদস্যই এইটো দৃষ্টি আকৰ্ষণ কৰিছিল। পইণ্ট অব অৰ্ডাৰৰ ভিতৰত দুটামান কথা কব বিচাৰিছো। আপোনাৰ ৰুলিঙৰ প্ৰতি আমাৰ সন্মান আছে। ইয়াত লিখা

* Speech not corrected

এটা লাইনৰ কাৰণে আমি চিন্তিত হৈছো। ইয়াত লিখিছে 'প্ৰতিদিন কাকতক বিশেষাধিকাৰ ভঙ্গৰ কাঠগড়াত আনিবৰ কাৰণে যেহু ৰচনা কৰা হৈছে'। ইয়াৰ দ্বাৰা কংগ্ৰেছী দলৰ নহয় বিধান সভাৰ মৰ্যাদা হানি কৰা হৈছে। এইটো সদনত উত্থাপন কৰা হৈছে আৰু সেই ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মই ভাবো আমাৰ হাউচত যিসকল প্ৰেছৰ সদস্য আছে সেই সকলৰ দ্বাৰা প্ৰপাৰ ৰিপোৰ্ট হোৱা নাই। মই এই সম্পৰ্কত ক'ল এণ্ড প্ৰেকটিচৰ পেজ ২২৫ ৰ কেইটামান কথা উল্লেখিয়াব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, সিদিনা আপুনি বিষয়টো পৰীক্ষা কৰি সিদ্ধান্ত লম বুলি কৈছিল। ৰুলিং ৰিজাৰ্ভ ৰাখিছে। আমিও আটাইকেইখন বাতৰি কাকত পঢ়ি চাবলৈ সুবিধা নহয়। মই মাননীয় সদস্য সকলৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে এইটোৰ দ্বাৰা সদনৰ কাৰ্য্যবিৱৰণীৰ ভুল প্ৰকাশ হৈছে। এইটো চিৰিয়াচ কথা। ভৱিষ্যতে ৰিপোৰ্ট বিলাক সদনৰ কাৰ্য্যবিৱৰণী বিলাকে যাতে শুদ্ধ ভাবে প্ৰকাশিত আৰু পৰিবেশিত হয় সেইটো হব লাগে। লগে লগে আৰু এটা কথা কব খুজিছো: ইয়াত পেজ ৪২ ত কৈছে:

Publication of false or distorted Report of Debates. Each House has the power to control and if necessary to prohibit the publication of its debates and proceedings". Normally no restrictions are imposed on reporting the proceedings of the House. But when the debates are reported mala fide, that is, when a wilful misrepresentation of the debates arises, the offender is liable to punishment for committing a breach of privilege and contempt of of the House.

The publication of false or distorted, partial or injurious report of debates or proceedings of the House or its Committees or wilful misrepresentation or supression of speeches of particular

members, in an offence of the same character as the publication of liables upon the House its Committee or members, and the persons who are responsible for such publication are liable to be punished for a breach of privilege or contempt of the House.

মাননীয় অধ্যক্ষ মহোদয়ৰ স্ব'মোটো ক্ষমতা আছে। এনেকুৱা ধৰণৰ কথা প্ৰকাশ কৰা উচিত হোৱা নাই। আপোনাৰ ক্ষমতাৰে বিহিত ব্যৱস্থা লব লাগে। পুনৰ কৈছো যে সদনক অৱমাননা কৰাৰ প্ৰচেষ্টা হৈ আছে। এইটোৰ দ্বাৰা সুস্থ গণতান্ত্ৰিক ধাৰা ব্যাহত হবৰ উপক্ৰম হব। আমাক সমালোচনা কৰিবৰ অধিকাৰ আছে কিন্তু সদনৰ কাৰ্য্যবিৱৰণী এই ভাবে পৰিবেশন কৰিব নালাগে। মই ভাবো এই কথাত সকলো মাননীয় সদস্যই সহযোগ কৰিব। এইটো পৰীক্ষা নীৰিক্ষা কৰি সেই বিশেষ কাকতৰ ক্ষেত্ৰত কি ধৰণৰ ব্যৱস্থা লব পাৰি সেইটো বিহিত ব্যৱস্থা লব।

* শ্ৰীমতী প্ৰণতি ফুকন : মাননীয় অধ্যক্ষ মহোদয়, মই কালি এটা প্ৰশ্ন কৰিছিলো। প্ৰশ্নোত্তৰ কালত আৰু প্ৰশ্নটো আছিল অসম পেট্ৰোকেমিকেলচৰ ওপৰত। কিন্তু প্ৰতিদিন কাকতত প্ৰকাশ পাইছে প্ৰদূষণ ব্যৱস্থা বুলি। সম্পূৰ্ণ ভুল তথ্য বাতৰিত প্ৰকাশ কৰিছে। অসম পেট্ৰোকেমিকেল নামৰূপৰ যিটো অৱস্থা হৈছে সেইটো দুৰ্ভাগ্যজনক। সেইটো উদ্যোগ কি ভাবে ৰিভাইভ কৰিব পাৰি সেই সম্পৰ্কতহে প্ৰশ্ন আছিল কিন্তু ভুল তথ্য বাতৰিত পৰিবেশন কৰা হৈছে।

## Breach of Privilege Motion

Mr. Speaker : I have heard the point of order relating to a complaint of Breach of privilege brought by Hon'ble Member Shri Gautam Roy against the Editor. Printer, Publisher and Reporter of the 'Asomiya Praidin' on 14.3.97

* Speech not corrected

After hearing the Members who spoke on its admissibility. I reserved my rulling. But the next day the said paper published this news that the Speaker has referred the matter to the Privilege Committee which is sheer distortion of the proce-dings of the House. This is a very unfortunate and it prima facie appears to be deliberate.

The news item as appeared in the paper 'Asomiya Pratidin'. it is unfortunate that the news paper in a calculated way is trying to cast aspersion on the Hon'ble Members of the House and the House as whole lowering the prestige and dignity of the House in the estimation of the public.

With the unanimous decision of the House. I refer the matter to the Committee of Privileges for examination, investigation and report. the Committee should submit its report to the House within 31st March, 1997.

I have received another notices of complaint of Breach of privilege Motion under Rule 158 and 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly from the Hon'ble Members Shri Dilip Kumar Saikia and Shri Holiram Terang against Shri Ajit Kumar Bhuyan, Editor, Asomiya Pratidin, Shri Jayanta Barua, Publisher and Proprietor, Sadin Printers, Asomiya Pratidin and the Reporter of Asomiya Pratidin for publishing a deregatory news item in its issue dated 17.3.97 under the caption— "মিছা কোৱা বিধায়কক চি বি আইৰ চৰ" I now call upon the Hon'ble Members, Shri Dilip Kumar

Saikia and Shri Holiram Terang to speak about the admissibility of the camplaint of breach of Privilege Motion.

* **Shri Dilip Kumar Saikia :** Sir, under Rule 158 and 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I want to raise a matter regarding a news item published in Asomiya Pratidin. Sir, a news with the caption "মিছা কোৱা দিলীপক চি বি আইৰ চৰ" has been published in the Asomiya Pratidin in its issue dated 17.3 97 making serious imputations and libellant words against me. The writings of the said news item have reflected contempt on the House on the principle that such acts tend to obsyruct the House in the performance of its functions by diminishing the respect due to me as a Member of the House.

Theimputations published by the said news item against me are absolutely untrue, unfounded and baseless. The whole purpose of publishing the said news item is to malign and disrepute me in public esteem including the electorate of my constituency. I have enclosed a copy of the news item in original for perusal along with my formal application.

The said news item has lowered my prestige and reputation and the contents thereby amounted have amounted to breach of privilege.

I, therefore, request for its admission and for issuing notice to the following persons asking them to show cause as to why they should not be

---

* Speech not corrected

punished for breach of privilege of the Hon'ble House.

1. Shri Ajit Kumar Bhuyan, Editor, Asomiya Pratidin.
2. Shri Jayanta Barua, Publisher, Proprietor, Sadin Printers, Asomiya Pratidin, Sadin Printers, Chandmari, Guwahati.
3. Reporter, Asomiya Pratidin.

মাননীয় অধ্যক্ষ মহোদয়, এইটো অসত্য কথা পৰিবেশিত হৈছে। সেইদিনা ১৬ তাৰিখ দেওবাৰ আছিল। চি-বি-আইৰ হাষ্টেচ ফেড কমপ্লেক্সলৈ মোক মত্তা নাছিল। বাতৰিটোত প্ৰকাশ কৰিছে 'মিছা কথা কোৱা বাবে দিলীপৰ দুই চৰ'। এই কথাটো যদি প্ৰতিদিন কাকতৰ সম্পাদক, ৰিপোৰ্টাৰে প্ৰমাণ কৰিব পাৰে মই এক চেকেণ্ডৰ ভিতৰত পদত্যাগ কৰিম। আৰু যদি প্ৰমাণ কৰিব নোৱাৰে সম্পাদক ৰিপোৰ্টাৰে পদত্যাগ কৰক। অসমৰ ৰাইজৰ স্বাৰ্থত সদনৰ পবিত্ৰতাৰ নামত মই চেলেঞ্জ কৰিছো। মই এতিয়াই পদত্যাগ কৰিম যদি প্ৰমাণ কৰিব পাৰে। অধ্যক্ষ মহোদয়, এই সদনৰ মজিয়াত বিভিন্ন সমষ্ট মাননীয় সদস্যই বক্তৃতা ৰাখে। এতিয়া বিভিন্ন অঞ্চলৰ পৰা মোলৈ টেলিফোন আহিছে। অকল ধেমাজিৰ পৰাই প্ৰায় হাজাৰটা টেলিফোন আহিছে। যোৱা কালি ৰাতি বাৰ বজালৈকে টেলিফোন আহিয়েই আছে। বিভিন্ন প্ৰান্তৰ পৰা আহিছে মোৰ ওৱেলউইচাৰ্চৰ পৰা। মই কথাটো অসত্য বুলি কৈ আছো। আমাৰ ভাবমূৰ্ত্তি নষ্ট কৰিবৰ কাৰণে প্ৰতিদিন কাকতে আগতেও এটা এনে ধৰণৰ বাতৰি প্ৰকাশ কৰিছিল। তেতিয়া বিৰোধী দলৰ নেতা শ্ৰীযুত মহন্ত ডাওৰীয়া আৰু প্ৰবীণ গগৈ ডাওৰীয়া ১৯৯৪ চনত মোৰ লগত ধেমাজিলৈ গৈছিল। তাত মেলেৰিয়া হৈছিল সেইটো আমি পৰিদৰ্শন কৰিবলৈ গৈছিলো আৰু ৰাইজৰ মাজত কি কি সুবিধা পাইছে নাপাইছে চাবলৈ গৈছিলো। ৰাতি দলপতি শ্ৰীযুত মহন্ত ডাওৰীয়াৰ ঘৰত আলোচনা হৈ থকা সময়তে প্ৰতিদিন কাকতৰ সাংবাদিক এজন বহি আছিল। আন

দুজনো সাংবাদিক আছিল। কিন্তু পিচদিনা অসমীয়া প্ৰতিদিন কাকতত বাতৰি প্ৰকাশ কৰিছিল যে দিলীপ শইকীয়া পলাতক। মই ৰাইজৰ নিৰ্ব্বাচিত প্ৰতিনিধি। মই ধেমাজি সমষ্টিৰ পৰা তিনিবাৰ নিৰ্বাচিত হৈ আহিছো। ১৯৮৫ চন, ১৯৯১ চন আৰু ১৯৯৬ চনত মই ধেমাজিৰ পৰা নিৰ্বাচিত হৈ আহিছো ছয়ত্ৰিশ হাজাৰ ভোটত। কিন্তু প্ৰতিদিন কাকতে আজি এনে ধৰণে অসম বিধান সভাৰ মৰ্য্যাদাত যি ভাবে অৱমাননা কৰিছে এইটো সাংঘাতিক ধৰণে অৱমাননা কৰিছে। মই কিছুমান কথা জানো কিন্তু এই পৱিত্ৰ সদনত কবলৈ ইচ্ছা কৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, বিশেষাধিকাৰ সমিতিলৈ প্ৰেৰণ কৰাৰ কাৰণে এইটো এটা উপযুক্ত কেচ। আপোনাৰ বিৰুদ্ধে মাননীয় অধ্যক্ষই দাঁত উলিয়াই হাঁহিছে বুলি লিখিছে। মাননীয় অধ্যক্ষই হাঁহিব নোৱাৰে নেকি? আমি ৰাইজৰ প্ৰতিনিধি হোৱা কাৰণে হাঁহিব নোৱাৰো নেকি? আমাৰ ভুল হলে ৰাইজে বিচাৰ কৰিব। নিৰ্বাচনৰ আগতে বহু কথাই বাতৰি কাকতে মোৰ বিৰুদ্ধে লিখিছিল কিন্তু কি হ'ল? ৰাইজে মোক ৩৬ হাজাৰ ভোটত জিকাই পঠাইছে। সেয়ে মই কৈছো এইটো এটা ফিট কেচ। ইয়াক মই প্ৰত্যাহ্বান জনাইছো। চেলেঞ্জ কৰিছো। যদি প্ৰমাণ কৰিব পাৰে এতিয়াই এক চেকেণ্ডতে মই পদত্যাগ কৰিম। চি-বি-আইৰ বিষয়াক মাতক, প্ৰতিদিনৰ সাংবাদিকক মাতক সকলোকে মাতি আপুনি বিচাৰ কৰক। এই ক্ষেত্ৰত আপোনাৰ ৰুলিং বিচাৰিছো। ধন্যবাদ। মই আকৌ কব বিচাৰিছো। কিন্তু পেপাৰে ইতিমধ্যে দিলীপ শইকীয়াক অপৰাধী বুলি লিখিছে।

**Shri Holiram Terang :** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য ডাঙৰীয়াই যিটো কথা কলে তাৰ বিষয়তে মই কব বিচাৰিছো। Mr. Speaker Sir, A man is innocent till prove guilty by a Court of law আৰু আনটো, হল ইয়াত যিটো মোচন মাননীয় সদস্য গৌতম ৰয় আৰু হিতেন গোস্বামী ডাঙৰীয়াই আনিছে তাৰ লগতে মই এটা কথা সাঙুৰি কব বিচাৰিছো যে There is a section of the Press who have the

tendency of distorting facts, This has to be checked. Sir, until and unless we checked this distortion of facts then this democracy cannot run, The House cannot run. the society cannot run smoothly. Incidentally, in many of the cases where breach of privillege has, been brought. Sir, not only in this House in previous House also this particular paper has been publishing many materials which has become a matter of breach of privilege. So it is quite concern to us. I would not like to dwell much on this subject. Sir, since the matter has been brought and it relates the character and conduct of an Hon'ble Member of this House. I would request that the matter be taken up as a breach of privilege and be sent to the Committee.

**Shri Surendra Nath Medhi** ( **Minister** ) : Hon'ble Speaker Sir, Article 19 of the Constitution of India has given right of speech any expression and that right is enjoined by some restrictions, The Press cannot write anything or everything it likes and there are some reasonable restrictions and the Press is bound to confine its expression within such restrictions. Sir, we have heard both Mr. Dilip Saikia and Mr. Holiram Terang, Hon'ble Members Shri Dilip Saikia in the news item with the caption has been read out and has been supported by another Hon'ble Member Shri Holiram Terang and I do support it. It is a case where breach of privilege has been committed and the matter is a fit one be referred to the Privilege

Committee. Sir, one question may arise that the news item is not connected with the affairs of the House. But Sir, it is very much connected with the affairs of the House because this news item has lowered the prestige and reputation of the Hon'ble Member in the public estem and this will definitely affect him in the discharge of his duties as a Member of the House. Sir, on that point, I would like to refer to a passage of the Practice and Procedure of Parliament ( Third Edition ) by Shri M. N. Kaul and S. L. Shakdher at page 223. "Speeches and writings reflecting on the House or its committees or members are punished by the House as contempt on the principle that such acts 'tend' to obstruct the Houses in the performance of their functions by diminishing the respect due to them. Therefore Sir, some imputation have been made against the Member, although it may not be directly connected with the affairs of the House but it diminishes the respect due to him in public esteem which is connected with the affairs of the House.

So, this is a case where this point has arisen although it is not directly connected but it has lowers the prestige of the Hon'ble Member So, the matter should be referred to the Committee of Privileges for a just and proper decision. Your honour must have gone through the news item. I have read the news item. The basis is that the Press came to know from a person who was said to have been

present when the slap was given. The Press did not have a direct connection with the incident but they have heard from somebody, So, it is a very serious matter. A Hon'ble Members has been alleged to have been given slap by the CBI. on the basis of hevaray statement The Hon'ble Member has categorically denied this in the House. Therefore, my humble submission that the matter should be taken up very seriously and it should be sent to the Privilege Committee for a decision. Thank you.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ( কৃষি বিভাগৰ মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত যিটো বিষয় এতিয়া উত্থাপন কৰা হৈছে সেই বিষয়ৰ ওপৰত অপিনিয়ন দিব বিচাৰি মই থিয় হোৱা নাই। মাননীয় মেধি ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেইটো হাউচৰ বিষয় নহয়। বিষয় হওক-নহওক আমাৰ সদনৰ মাননীয় সদস্য এজনৰ লগত জড়িত বিষয় এটাৰ কথাহে মই কব বিচাৰিছো। আজি দুদিনমানৰ আগতে কাকতত ওলাইছে যে মাননীয় সদস্য এজনক ফেন্স দিব নোৱাৰাৰ কাৰণে একচন লৈছে বা চাচপেন কৰিছে। এই হাউচক অৱমাননা কৰি আনকি আপোনাৰ কলিঙকো অৱমাননা কৰি সদস্য জনে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ভোজমেলত গাহৰিৰ মাংস খুৱাইছে বুলি বাতৰিত দিয়াইছে। এইটো হাউচৰ বিষয় নহয় নেকি? নহলেও এইটো আমাৰ সদনৰ দলপতিৰ বিষয়। যদিহে ভৰত নৰহ ডাঙৰীয়াই এই কথা কোৱা নাছিল তেন্তে বাতৰি কাকত প্ৰিভিলেজ লৈ আহিব। যদিহে ভৰত নৰহে কৈছে তেতিয়াহলে ভৰত নৰহ নিজেই প্ৰিভিলেজত পৰিব। এই ক্ষেত্ৰত আমাৰ সদনৰ দলপতিৰ ক্ষেত্ৰত বিশেষাধিকাৰ ভঙ্গৰ কথাটো আহিব।

* **Shri Silvius Condpan** . Sir, in this connection, I would like to submit that the paper report as alleged to

* Speech not corected

have been made by Mr. Narah, a Hon'ble Member of this House, now under suspension has already been contradicted by the Hon'ble Chief Minister, and therefore, the public has come to know and the member has already been dealt with outside the House. So, Sir, it does not become a matter of privilege.

* **Shri Chandra Mohan Patowary** ( Minister Agriculture ) : Sir, it has been contradicted by the Chief Minister but it has not been contradicted by the Member concerned.

* **ড° জয়নাথ শৰ্ম্মা** ( ৰাজহ বিভাগৰ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো যি প্ৰসঙ্গত উত্থাপন হৈছে, সেই প্ৰসঙ্গটোৰ ওপৰত আপুনি নিশ্চয় আপোনাৰ ৰুলিং দিব। মই অন্য কেইটামান কথাৰ প্ৰতিহে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে হাউচত কোনো বিষয়ৰ কথা অধ্যক্ষ মহোদয়ে কাৰ্য্য বিৱৰণীৰ পৰা বাদ দিবলৈ কোৱাৰ পিচত পৰম্পৰাগত ভাৱে এই কথাবোৰ কোনো বাতৰি কাকত আদিত প্ৰকাশ কৰাটো নিষেধ। কিন্তু ২-১ খন বাতৰি কাকত পৰীক্ষা কৰি চালে আপুনি দেখিবলৈ পাব সদনৰ প্ৰচিডিং অধ্যক্ষ বা উপাধ্যক্ষ মহোদয়ে কেইটামান বিষয় বাদ দিয়াৰ পিচতো অতি কৌশলগত ভাৱে প্ৰকাশ কৰে যে" এইখিনি কথা কাৰ্য্যবিৱৰণীৰ পৰা বাদ দিয়া হৈছে" বুলি লিখি দিয়ে। আচলতে কথাটো উলিয়াইয়ে দিয়ে। বেচিক কথাটো ওলাই যায়। তেওঁলোকে এইখিনি জানি কৰে নে নাজানি কৰে আমি নাজানো। আমাৰ মাননীয় সদস্য আৰু অভিজ্ঞ আইনজ্ঞ মাননীয় মেধী ডাঙৰীয়াই কৈছে যে সংবিধানৰ ১৯ নং অনুচ্ছেদ বাতৰি কাকতৰ কি কি আৰু কিমানখিনি অধিকাৰ এই কথাখিনিত লিখা আছে। আৰু আমাৰ ব্ৰিটচ্ অব প্ৰিভিলেজত কথাটোও ১৮৪ নং আৰ্টিকেলত আছে। আমাৰ কি কি পাৱাৰ সেইটো মই কবলৈ ইচ্ছা কৰা

* Speecd not corrected

নাই কাৰণ সেইটো কোৰ্টত চেলেঞ্চ নহয়। এই বিষয়ে বহুতো আলোচনা বিলোচনা পাৰ্লিয়ামেন্টত হৈ গৈছে আৰু আমাৰ বিধায়ক সকল বা কোনোবা মন্ত্ৰী মহোদয়েও প্ৰিভিলেজত পৰে তেতিয়াহলে সংবিধানৰ ১৯৪ অনুচ্ছেদমতে আপুনি বিচাৰ কৰিব পাৰে, কৰবাত ভুল হৈ যাব পাৰে সেই ক্ষেত্ৰত আপুনিয়ে বিচাৰ কৰিব। কিন্তু তাৰ মানেই কথা নাই বতৰা নাই বিধায়ক এজনক আক্ৰমণ কৰি, কৰবাত এজন বিধায়কে ভুল কৰিলে সমগ্ৰ বিধায়কক বা ৰাজনীতিক সকলকে আক্ৰমণ কৰিব এইটো কেনেকুৱা কথা? অলপতে এখন কাকতে সদনক বহুৱা বুলি কৈছে—এইটো জানি কৈছে নে নাজানি কৈছে নাজানো। এইটো আচলতে সদনত প্ৰিভিলেজত পৰাৰ কথা কৈছে। মই অৱশ্যে তেখেতৰ নামটো উল্লেখ কৰিব খোজা নাই কাৰণ প্ৰসঙ্গক্ৰমেহে এই কথাটো উল্লেখ কৰিছো। আমি দেখিছো কিছুমান বাতৰি কাকতে ইচ্ছাকৃতভাৱে তেওঁলোকৰ অধিকাৰ ভঙ্গ কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ অসমত এটা পৰিবেশ আহিছে যি সময়ত সকলোৱে শান্তি বিচাৰিছে। কিন্তু থিক সেই সময়তো এটা সৰু-সুৰা ঘটনাকে এনেভাৱে বহলাই দিয়ে যে আমি এই ক্ষেত্ৰত মনে মনে বহি থকাটো ভুল হব। সেয়েহে মই আপোনাৰ ওচৰত এটা পৰামৰ্শ দাঙি ধৰিব বিচাৰিছো যে আপুনি কাকতৰ এডিটৰ, প্ৰতিনিধি আদি সকলোকে মাতক আৰু গোটেই বিষয়টোৰ ওপৰত এটা অৰিয়েন্টেল প্ৰগ্ৰেম কৰি কথাখিনি আলোচনা কৰি বুজাই দিয়ক। যিদৰে আমাৰ বিধায়ক সকলৰ ক্ষেত্ৰতো অৰিয়েন্টেল প্ৰগ্ৰেম হৈছিল এই প্ৰগ্ৰেমৰ পিচত আমাৰ সদনৰ ভালেখিনি কথা ভালদৰে উপলব্ধি কৰিছে। আপুনি কাকতৰ সম্পাদক, প্ৰতিনিধি সকলক আপোনাৰ কোঠালৈ মাতক আৰু তাতেই সকলো আলোচনা বিলোচনা কৰি কথাটোৰ ভালদৰে তেখেত সকলক বুজাই দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। সদায়ে আমি ব্ৰিটচ্ অৱ প্ৰিভিলেজ দি থাকিম এইটো দেখিবলৈ ভাল নহয়। আকৌ সদনক বহুওৱা বুলি কোৱাৰ পিচতো যদি আমি মনে মনে বহি থাকো তেতিয়া হলে আমি ৰাইজক প্ৰকৃত প্ৰতিনিধিত্ব কৰা নাই বুলি ৰাইজে আমাক অভিযোগ কৰিব।

সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, সময় থাকোতেই কাকতৰ সকলো সম্পাদকক মাতি আনি শুদ্ধ কথাটোৰ ওপৰত আলোচনা হোৱাটো প্ৰয়োজন।

* Shri Holiram Terang : One small submission Sir. Hon'ble Member and Hon'ble Minister Shri Zoii Nath Sarma have spoken few things which are very important. But I do not know whether it will be proper on the part of the Speaker to invite the Editors and Publishers of the news paper to have a discussion which amounts to our Orientation Programme. It will be proper to guide them to work as per the ethics of the Press Council of India. If there is a problem with the Press vis-a-vis the Assembly, I think, the Hon'ble Speaker can take up the matter with the Press Council of India. Incidentally, the Chairman of the Press Council of India is on tour to North East. If it is possible, the Hon'ble Speaker can have a discussion with the Chairman where the leaders of various groups of the Assembly could also remain present so that the matter can be discussed in an appropriate manner.

Mr. Speaker : Actually this is a different issue as referred by the Hon'ble Minister, Revenue. I have already had a talked with all the Hon'ble Editors some time back and I discussed with them on various issues and also the issues relating to the matter raised by the Hon'ble Minister, but it is a quite different issue from the issue now we are discussing in the

* Speech not corrected

House and the other day I met the Chairman of the Press Council of India who happened to be here at Guwahati and made a courtesy call to me and we also discussed on various issues. So my attempt has already been done. As regards to-day's motion relating to the privilege as I have heard the complaint of breach of privilege motion by the Hon'ble Members Shri Dilip Kumar Saikia and Shri Holiram Terang and as I have heard from Hon'ble Ministers and Members who spoke about the admissibility of the motion or otherwise complaint of breach of privilege against the Editor, Publisher, Printer and Reporter of the Asomiya Pratidin.

It has been observed that the news paper has been making deregatory remarks againts the House and its Members deliberately casting aspersions on the Hon'ble Members and the House as a whole. It is a fit case. I have therefore, referred this matter also to the Committee of Privileges for examination, investigation and report. The Committee will submit its Report within 31st March, 1997.

## Announcement from the Chair

I am to inform the House that I have received a petition from the Hon'ble Member, Shri Ismail Hussain belonging to All India Indira Congress (Tewari) informing that there is a merger in the original political party of All India Indira Congress (Tewari) in Assam with the Indian National

Congress both in National as well as in the State level. He has also informed me that the general meeting of the All India Indira Congress ( Tewari ) Assam Unit held on 31st December, 1996 at Howli in the District of Barpeta, Assam by a Resolution approved the merger of the party of the original party in Assam Unit with the Indian National Congress, a political party.

I have also perused the records to the effect that the President of the Assam Congress Committee (I) admitted Shri Ismail Hussain, M. L. A. in the Assam Pradesh Congress (I) Committee. Shri Silvius Condpan, M. L. A. and Leader of the Opposition in the Assam Legislative Assembly and the leader belonging to the Assam Congress (I) Legislature Party in Assam Legislative Assembly has also informed me that Shri Ismail Hussain, M. L. A. belonging to All India Indira Congress ( Tewari ) joined the Indian National Congress and its Legislature Party in Assam and he has also requested me to accept the merger and allot a seat to Shri Ismail Hussain, M. L. A. in the side of Congress (I) Legislature Party.

I have considered the petitition of Shri Ismail Hussain, a member belanging to All India Indira Congress ( Tewari ) in Assam and found that there was a merger in the All India Indira Congress ( Tewari ) a political party in Assam with the Indian National Congress.

I have also carefully examined the spirit of paragraph 4 of the Tenth Schedule to the Constitution of India for a merger of a political party, The All India Indira Congress (Tewari) has strength of one member in the Assam Legislative Assembly.

It appears to me that a Member of a House belonging to All India Indira Congress (Tewari) Party has made a claim that he has constituted a long group representing a political party which has arisen as a result of the merger in the political party and such group consists of not less than two third of the Members of the Legislature Party concerning for such merger, Here, the All India Indira Congress (Tewari) Party, a political party has only one member in the Assam Legislative Assembly.

The Resolution of the General Meeting of the All India Indira Congress (Tewari) held on 31st December, 1996 in Howli in the District of Barpeta (Assam) approving the merger with the Indian National Congress appears to be a proof of such merger of a political party.

Having been satisfied with the conditions required for a merger as stipulated under paragraph 4 of the Tenth Sehedule to the Constitution of India and in accordance with the provisions of the Members of the Assam Legislative Assembly (Disqualification on Grounds of Defection) Rules, 1986, I hereby, decide and order that Shri Ismail

Hussain, M, L. A. belonging to the All India Indira Congress ( Tewari ) Party In Assam has merged with the Indian National Congress ( I ) Legislature Party in Assam Legislative Assembly and he has become the member of the political party, the Indian National Congress. shall be deemed to be the political party to which he belongs from aforesaid date for the purpose of sub-rule (1) of paragraph 2 of the Tenth Schedule to the Constitution of India.

Henceforth Shri Ismail Hussain shall be known as a Member belonging to Indian National Congress and its Legislature Party in Assam.

## Call Attention Notice

* **Shri Holiram Terang :** Sir, whether any letter of communication has come from the Central Office of the Congress (1) allowing the concerned Member to join the Indian National Congrees and whether the matter was approved by the Central Committee.

**Mr. Speaker :** It is not necessary. There is Precedent. Now,

* **শ্ৰীমুনিন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত ১৯৯৬ চনৰ ১১ চেপ্তেম্বৰ তাৰিখৰ ‘অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত’ বিদ্যালয়লৈ যাব নালাগে, ঘৰতে দি যায়হি দৰমহা।” শীৰ্ষক বাতৰিটোৰ প্ৰতি মাধ্যমিক শিক্ষা মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান বাতৰিত যিখিনি কথা ওলাইছে সেইখিনি সন্দৰ্ভত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

---

* Speech not corrected

* শ্ৰীযতীন মালী ( শিক্ষা বিভাগৰ মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মহন্ত ডাঙৰিয়াই উত্থাপন কৰা বিষয়টোৰ সম্পৰ্কত চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই বিষয়ে যিখিনি কথা কোৱা হৈছে বিভাগে ইতিমধ্যে বিভাগৰ তৰফৰ পৰা একচন লোৱা হৈছে। আটাইতকৈ মন কৰিবলগীয়া কথা হৈছে 'বিদ্যালয়লৈ যাবই নেলাগে, ঘৰতে দি যায়হি দৰমহা।' মই যোৱা কালি কাগজ-পত্ৰ বিলাক চালো এডুকেচন বিভাগৰ তেনেকুৱা কোনো ইনষ্ট্ৰাকচন নাই। শিক্ষা বিভাগত তেনেকুৱা কোনো 'ইনষ্ট্ৰাকচন' নাই যে বিদ্যালয়লৈ যাবই নেলাগে, ঘৰতে দি যায়হি দৰমহা।' এনেকুৱা কথা হৈছে এই সম্পৰ্কত কাৰোবাৰ কিবা থাকিব পাৰে সেইবিলাক উত্থাপন কৰিবলৈ চেষ্টা নকৰাই ভাল। আমি আশাকৰো এই ঘটনাটো অৱসান ঘটিব। শিক্ষা বিভাগত নিয়ম মতে কাম-কাজ আৰম্ভ কৰিব। আমাৰ বক্তব্য এইখিনিয়েই।

# Matter Under Rule 301.

**Mr. Speaker** : Now, Hon'ble Member Shri Derhagra Muchahery to draw the attention of the House under Rule – 301.

* শ্ৰীদেৰহাগ্ৰা মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত 'আসাম ষ্টেট চুদ বি ডিক্লাৰ্দ এক্স ট্ৰাইবেল ষ্টেট' এই সম্পৰ্কে বিষয় এটি উত্থাপনৰ জৰিয়তে ভৈয়াম জনজাতি ও অন্যান্য পিচপৰা শ্ৰেনীসমূহৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, অসমত যিমান বিলাক জনগোষ্ঠী আছে এটা এটাকৈ সকলোৱে জনজাতিৰ স্বীকৃতি পাবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিছে। অন্ততঃ ভাৰত স্বাধীন আৰম্ভণীৰে পৰাই টি গাৰ্ডেন, এক্স টি গাৰ্ডেন ট্ৰাইব জনগোষ্ঠী লোকসকলক জনজাতি স্বীকৃতি দিব লাগে বুলি দাবি কৰি আহিছে। চুটিয়া,

* Speech not coraected

কছাৰী লোক সকলেও জনজাতি স্বীকৃতি হব লাগে বুলি আৱাজ দি আহিছে। টাই আহোম সকলেও জনজাতি স্বীকৃতি দিব লাগে বুলি কাগজে-পত্ৰই প্ৰকাশ কৰিছে। মৰাণ সকলেও তেনেকুৱা দাবি কৰি আহিছে আৰু কেই মাহ মান আগৰে পৰাই কোচ ৰাজবংশী সকলক জনজাতি স্বীকৃতি দিব পৰা পৰ্য্যায় আহি পৰিছে। প্ৰায় ৩ কোটি মানুহৰ আধাতকৈ বেচি ভাগে জনজাতি স্বীকৃতি পোৱাৰ কাৰণে দাবী কৰি আহিছে। সেই কালৰ পৰা এইটোকে সূচাইছে যে আজি নহলেও আহিবলগীয়া দিনবোৰত তেওঁলোকে এটাৰ পিচত এটাকৈ আন্দোলন কৰি গৈ জনজাতি স্বীকৃতি প্ৰাপ্ত হব। সেই কাৰণে অযথা আন্দোলনৰ ফালে ঠেলি নিদি অসমখন জনজাতি ৰাজ্য হিচাপে স্বীকৃতি দিয়াটোৱেই বিজ্ঞান সন্মত বুলি ভাবো। মই আৰু বেছি কবলৈ নেযাওঁ। এই ক্ষেত্ৰত যুক্তি যুক্ততাৰ ওপৰত বিবেচনা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, ৩০১ নম্বৰ নিয়মৰ অধীনত যি আলোচনা উত্থাপিত হৈছে সেই বিষয়ে কওঁ যে অসমৰ ৰাজ্যখন ৩৭১ নম্বৰ ধাৰামতে জনজাতি ৰাজ্য ঘোষণা কৰা সন্দৰ্ভতো আছে। ইয়াৰ ফলত ৰাজ্যখনৰ বিকাশৰ ক্ষেত্ৰত ৰাজনৈতিক ক্ষেত্ৰত আমাৰ অসমীয়া মানুহ সংৰক্ষিত হয় আৰু ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠী মানুহৰ যিবিলাক সমস্যা সেইবিলাক মীমাংসা হব পাৰে, গতিকে গোটেই বিষটোৰ পৰিস্কাৰ ভাৱে আলোচনা কৰি ঘোষণা কৰাৰ ব্যৱস্থা লোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন বাৰে বৰণীয়া বিভিন্ন জনগোষ্ঠীৰে গঠিত হৈছে। আজি টাই আহোম সকলেও জনজাতিকৰণৰ দাবী উত্থাপন কৰিছে। কোচ ৰাজবংশী সকলেও জনজাতি অন্তৰ্ভুক্তকৰণ হব লাগে বুলি দাবী কৰি আহিছে। যদি এইটো কৰা হয় গোটেই ৰাজ্যখনেই

* Speech not corrected

জনজাতিয়ে পৰিপূৰ্ণ হয। গতিকে ৩০১ নম্বৰ নিয়মৰ অধীনত যিটো প্ৰস্তাৱ আনিছে সেইটোৰ ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

* **Shri Devanand Konwar :** Mr. Speaker Sir, I would like to give my views on this Rule 301 notice that has been brought by Hon'ble Member, Shri Derhagra Mushari. Sir, he has brought under Rule 301. I think, this will be in the fitness of things if the Honour Member would rather move a resolution on the most important matter. It is a very very important subject matter Sir, during the time of the previous Government, these ethnic groups of Koch Rajbangshis and more than hunderd other tribes of different commu ities, the Ahoms, the Chutia, the Morans and the Mataks have been agitating for inclusion in the list of the Scheduled Tribes under the constitutional order. Now, Sir, they were also recommended by the Government of India. As a matter of fact, the Government of India was pleased to notify the Koch Rajbanshis under ordinance has alredy scheduled Tribes. In the meantime, various other groups from the Tea tribes which comprises hundered tea communities are demanding to be included in the S/T list.

Sir, there are order groups of different communites living in different parts of Assam and they are also demanding for inclusion in the lists of Scheduled Tribes. If all these communities are made one group togetherly, I think, they will be a very very important major communities. Sir, at

* Speech not corrected

the same time, the existing Scheduled Tribes people of both plains and Hills are opposion for inclusion of their communities in the list of Scheduled caste. Once, the Government of India has given the status of Scheduled Tribes to Koch Rajbongshi alone, this will lead to political distabilisation of the state of Assam becuase the other groups, including the Tea Tribes, the Ahom, the other tea tribes, the Ahoms, the Chutiyas, the Morans, the Motaks are now damanding for inclusion of there communities in the list of Scheduled Castes. Naturally, there may be demands from other tribes also. Just giving a statue of Scheduled Castes to Koch Rajbongshi is not at all a solution. It is a piecemeal solution. So, I would request that in the interest of the people of Assam, it will be fitness of things to discuss the matter in the floor of the August House. It is a very very important matter and the views of the Assam Legislative Assembly is highly essential. Sir, I will not question just for inclusion in the list of Scheduled Tribes, but my question is whether the other groups of socially and economically backward population of Assam would be together by made a particular group of including the minority communities of Assa would be given the status of Scheduled Tribe. The matter should be brought before the House and a thread bare discussion on this important matter is very much imperative. A resolution is to be brought in the House for discussion in a most comprehen-

sive manner. I would request the Hon'ble Member Shri Derhagra Mushahary to bring a resolution on the subject matter for giving an ample scope to discuss the matter in this August House, As this a very important and sensitive matter, this requires the exercise of minds because a large sizeable people of this State out of 2.20 crores population will be effected. So, in order to reach to a proper solution of the problem. I would request the Hon'ble Member, Shri Derhagra Mushahary for bringing a resolution in this August House for adequate discussion on such an important matter and I would request the Custodian of this August House to decide what would be deemed fit and proper. Sir, again I reiterate that this is a very very important matter and a discussion on this important and sensitive matter is the order of the day. Thank you, Sir.

**Mr, Speaker :** There is a pending discussion in this regard under Rule-50 which is under consideration. We can discuss the overall issue in this House in future. Now, Hon'ble Minister, WPT & BC to reply.

* **Shri Rajendra Mushahary :** Minister of State WPT & BC – Hon'ble Speaker Sir, question raised by Hon'ble Member, Shri Derhagra Mushahary under Rule–301 of Rules of procedures and Conduct of Business in the Assam Legislative Assembly for converting the State of Assam into a Scheduled Caste State. Mr, Speaker Sir, in this connection.

* Speech not corrected

I would like to reply in the floor of this August House for information of all Hon'ble Members. Hon'ble Speaker, Sri, according to 1991 Census. the total population in Assam was 2,24,14,322 out of which, 28,74,441 are tribals and 16,59,412, are Scheduled Castes. The respective percentage of total population being 12 82 % and 7.42%. Since iudependence, Assam has ben experiencing several tribal movements, peaceful and violent and combination of the two signalling a very complex problem of the national minorities within the Indian social and political system. As a part of the resolution on the issues raised by tribal movements, Assam experiences several re-organisation leading to drastic reduction of its size. Inspite of this re-organisation, tribals continue to form an important component of Assam's demographic Society and polity too. Even progressive dimension, and ethnic identity continue relentlessly in Assam. The desire of various groups of people once perceived to have been above all the caste Hindu structure or even of non hindu social from to themselves and are more materially launched agitation to secure overall recognition from the Government. Scheduled Castes and Scheduled Tribes have now acquired momentum. In this context of such desire the State Government should examine the proposals received from the Ahoms, the Chutias the Marans and the Mataks, tea and Ex-Tea tribe communities the Koch Raibanshis cammunity

for inclusion into the list of Scheduled Caste in Assam and recommended the same to Government of India. The Koch Rajbongshi communities have since been included into the list of ST. by the Government of Assam through an Ordinance promulgated by the President of India which became effective with effect from 27.1,96.

The Constitution of India provides for formation of a new State alternative areas boundaries existing States. However, it nowhere have provided declaring a State i. e. Tribal State. Sixth Schedule under Article 244 of the Constitution provides for the administration and control to scheduled areas and scheduled tribe. But the provision of the 6th Schedule is not applicable to the State of Assam. The Sicth Sehedule of the Constitution is applicable to Assam and merely two Hills Districts of the State are included in this schedule. The implementation of the Twin principle of life and culture require all communities inhabitated in this vast country should reach equal justice in all respects in order to enable those different communities to take an honourable position in the life of the Indian society irrespective of their caste, colour, creed and religion or place of habitation. Government is committed to these diversed groups of people for extending adequate opportunity to develop their group personality in consistent with the interest of them. Propensity to convert the group or restoration of a group to a particular social

status can be a panacea for ills of all round development of the State. That is required is the concerted efforts of ensure overall development of the communities in the State and to this, Government is committed. Thank you, Sir,

## Motion for Election of Member to University Courts

**মাননীয় অধ্যক্ষ :** আমাৰ বিভিন্ন দলৰ সময় আঢ়ৈ ঘণ্টা আছে, বিষয়টোৰ ওপৰত গুৰুত্ব সহকাৰে চাই কৰ বিচাৰো আমাৰ বিভিন্ন দলৰ দলপতি সকলক লৈ চলিত অধিবেশনৰ সময়ত এই বিষয়ে জনজাতীয় যিটো সমস্যা এই সমস্যাৰ ওপৰত আলোচনাত বহিবলৈ পাৰিলে ভাল হব। এই সম্পৰ্কত আপোনা-সকলক অবগত কৰা হব।

Now, I call upon Hon'ble Education, Minister, Shri Thaneswar Boro to move.

**Shri Thaneswar Boro (Minister) :** Sir, I beg to move "That this House do now elect seven Members of the Assam Legislative Assembly from amongst themselves to be the members of Guwahati Universiy Court under section 9 (I) (XXI) of the Guwahati University Act, 1947 ( as amended upto date )."

The vacancies have been caused by the dissolution of the Ninth Assam Legislative Assembly. Member so elected shall hold office for a period of 3 years from the date of their election under section 9 (2) of the Gauhati University Act, 1947 ( as amended upto date ).

**Mr. Speaker :** The Motion is moved. The Secretary.

ALA will notify the date, time and place for holding the election. if necessary.

Now, Hon'ble Minister, Higher Education, Shri Thaneswar Boro to move.

Shri Thaneswar Boro ( Minister ) : Sir, I beg to move "That this House do now elect seven Members of the Assam Legisiative Assembly from amongs themselves to be the members of the Dibrugarh University Court under Section 15 (1) (XVII) of the Dibrugarh University Act. 1965 ( as amended upto date )."

Mr. Speaker : The Motion is moved. The Secretary will notify the date, time and place for holding the election, if necessary ).

## Introduction of Government Bill

Mr. Speaker : Now Hon'ble Chief Minister to move.

Shri Prafulla Kumar Mahanta, ( Chief Minister ) : Sir, I beg leave to introduce "The Assam Khadi and Village Industries Board ( Amendment ) Bill, 1997."

Is it the pleasure of the House to grant leave to introduce "The Assam Khadi and Village Industries Board ( Amendment ) Bill, 1997."

( Voices )... Yes, yes.

Mr. Speaker : Leave is granted. Hon'ble Chief Minister to introduce the Bill.

Shri Prafulla Kumar Mahanta ( Chief Minister ). Sir I beg to introduce "The Assam Khadi and Village Industries Board ( Amendment Bill, 1997."

Secretary, ALA, read out the Title of the Bill,

"The Assam Khadi and Village Industries Board (Amendment) Bill, 1997"

Mr. Speaker : Time is very limited. Hon'ble Chief Minister will take about 45 minutes to reply on the Budget debate. Hon'ble Member, Shri Brindaban Goswami will continue his speech. Please briefy.

Mr. Speaker : Half an hour is extended. Now Shri Goswami to speak.

## General Discussion on the Budget

* শ্ৰীবৃন্দাবন গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈ আহিছো, যে যেতিয়ালৈকে অসমৰ ওপৰত কেন্দ্ৰৰ দীঘলীয়া কৰ্তৃত্ব থাকিব তেতিয়ালৈকে আমাৰ ৰাজ্যই এখন গণমুখী বাজেট দিব নোৱাৰিব। ইয়াৰ আগতে মই এটা প্ৰশ্ন আনিছিলো যে চাহ উদ্যোগত ১৫ কোটিতকৈ অধিক টকা, তেলত ৫৯ কোটি আৰু কয়লাৰ ক্ষেত্ৰত ২২ কোটি অথচ ৰাজ্যখনৰ মূল সম্পদ তেল কয়লা চাহৰ ওপৰত যদি আমাৰ ৰাজ্যৰ নিয়ন্ত্ৰণ নাথাকে তেতিয়ালৈকে আমি এই বিক্ৰী কৰৰ পৰা বঞ্চিত হৈ থাকিব লাগিব। ৰাজ্য চৰকাৰ বিক্ৰী কৰৰ পৰা পাবলগীয়া ধন খিনিৰ পৰা বঞ্চিত হৈ আহিব লগা হৈছে। সংবিধানৰ ৬৯ চনৰ অনুচ্ছেদ অনুসৰি এই আইন খন কেন্দ্ৰই কৰিব লাগে কিন্তু এই বিষয়ে কোনো ধৰণৰ আলোচনা হোৱা নাই। "ফলত আমি ৩৫ কোটিৰ পৰা ৪০ কোটি পৰ্যন্ত টকাৰ পৰা বঞ্চিত হৈ আহিছো। সংবিধানৰ ২৬৭ অনুচ্ছেদ অনুযায়ী আইন কৰি বিক্ৰী কৰাৰ জৰিয়তে কনচাইনমেণ্ট টেক্স লগাব পাৰি! এই ব্যৱস্থাটো যাতে কৰা হয় তাৰ কাৰণে অনুৰোধ জনালো। পৰিকল্পনাৰ এনে কিছুমান ভুল-ত্ৰুটিৰ কাৰণে আমাৰ ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা ঋণ হিচাবে লবলৈ বাধ্য হৈছো। ফলত আমি আজি কেন্দ্ৰৰ ওচৰত ৬৮৬৪ কোটি টকা ধাৰৰ বোজা

* Speech not corrected

লবলগীয়া হৈছো। ৰাজ্য চৰকাৰৰ যিটো অংশ আছে, এই অংশটোৰ এটা ন্যায় দিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই বাজেটত এটা দাবী কৰা হৈছে যাতে আমাৰ যিখিনি ঋণ কেন্দ্ৰৰ ওচৰত দিব লগীয়া আছে সেইখিনি যাতে উঠাই দিয়া হয়। অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেটত এটা উপযুক্ত কথাই কৈছে—কেন্দ্ৰীয় ধনৰ বিভাগৰ পৰা যাতে শতকৰা ২৯ ভাগ ৰাজ্য চৰকাৰৰ ফালৰ পৰা আনিব পাৰি সেই ক্ষেত্ৰত দশম বিত্তীয় আয়োগৰ ওচৰত উপযুক্ত ব্যৱস্থা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমি এটা কথাৰ বাবে কৈ উপলব্ধি কৰিছো আমি যিমানেই উন্নয়নৰ দিশ নিৰ্ণয় নকৰো বা উন্নতিৰ বাট মোকোলাও কিন্তু যেতিয়ালৈকে আমাৰ ৰাজ্যখনৰ প্ৰতি বছৰেই চলি থকা বানপানীৰ সমস্যাটো সমাধান নকৰে তেতিয়ালৈকে আমাৰ এই উন্নয়নৰ বাট পথ বিলাক নিৰৰ্থক হব। সেয়ে ব্ৰহ্মপুত্ৰৰ আৰু উপনৈ সমূহ নিয়ন্ত্ৰণৰ ব্যৱস্থা নকৰিলে বা এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব নোৱাৰিলে আমাৰ ৰাজ্যৰ উন্নয়নৰ দিশটো স্থবিৰ হৈ পৰিব। গতিকেই আমি এই ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আটাইতকৈ বেচি গুৰুত্ব দিয়াটো প্ৰয়োজন। অধ্যক্ষ মহোদয় আজি পুলিচৰ খিতানত শ শ কোটি টকা আইন শৃংখলাৰ নামত খৰচ কৰি থকা হৈছে সেইটো কেন্দ্ৰীয় চৰকাৰক বহন কৰাৰ কাৰণে বাধ্য কৰাব লাগে। কিয়নো আমি জনাত পাঞ্জাবে আইন শৃংখলাৰ নামত যি অতিৰিক্ত ধন খৰচ কৰিছিল সেই ধনখিনি কেন্দ্ৰীয় চৰকাৰে বহন কৰিছে। গতিকে ১৯৯১ চনৰ পৰা যিখিনি ধন আইন শৃংখলাৰ কাৰণে খৰচ হ'ল সেইখিনি কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে। মই আন এটা কথা অনুৰোধ কৰিব বিচাৰিছো সেইটো হ'ল আজি আমাৰ ৰাজ্য খনত উগ্ৰপন্থী কন্ট্ৰোল কৰাৰ নামত যি অতিৰিক্ত বাহিনী বাহিৰৰ পৰা আনি কোটি কোটি টকা খৰচ কৰি আছে সেই ব্যৱস্থা কৰাতকৈ আমাৰ ৰাজ্যতেই পুলিচ বিভাগটো আধুনিকীকৰণ কৰি তোলাত টকা-পইচা খৰচ কৰিব লাগে আৰু আমাৰ ইয়াৰে স্থানীয় যুৱকক লৈ নতুন বেটেলিয়ানৰ সৃষ্টি কৰিব লাগে। বিভিন্ন ঠাইৰ পৰা আইন-

শৃংখলাৰ নামত বাহিৰৰ মানুহ আনি টকা পইচা খৰচ কৰা হয়, গতিকে বেটেলিয়ন বুলি ইয়াৰ যুবক সকলক ললে আমাৰ প্ৰায় ৫৯ লাখ টকা খৰচ কমি যাব আৰু এই ধন ৰাজ্যৰ চৰকাৰৰ হাতত থাকিব। অসমৰ স্বাৰ্থত আমি আপোচ কৰিব নোৱাৰিম, উগ্ৰপন্থী সকলক ঘূৰাই অনাৰ ক্ষেত্ৰত বৰ্ত্তমানৰ পৰিস্থিতিৰ লগত খাপ খুৱাই গণতান্ত্ৰিক প্ৰক্ৰীয়া আৰম্ভ কৰিব লাগে আৰু যিবিলাক সমস্যাই আমাৰ ৰাজ্যখনক জুৰুলা কৰিছে এনে অৱস্থাত আমি কেন্দ্ৰৰ পৰা অনুদান আদায় কৰিব লাগে। ৰাজ্য চৰকাৰে এই সম্পৰ্কত পৰামৰ্শলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা প্ৰয়োগ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান ইনফ্ৰাষ্ট্ৰাকচাৰৰ প্ৰয়োজন। বিদ্যুতৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে অহা বছৰৰ পৰা ১০ বছৰৰ ভিতৰত ৰঙানদী হাইড্ৰেল ইলেক্ট্ৰিক প্ৰজেক্টত ৪০৫ মেগা ওৱাট, কঠালগুৰি জি, বি, পিডিত অতিৰিক্ত ১০০ মেগাওৱাট আৰু কপিলি হাইড্ৰেল প্ৰজেক্টত এক্সটেনচ কৰাৰ পাচত ১০০ মেগাওৱাট অতিৰিক্ত হব। মুঠ হব ৬০৫ মেগাওৱাট। এতিয়া পাইছে ৪৫০ মেগাওৱাট। এইটো উত্তৰ পূৰ্বাঞ্চলত উত্থাপন হব। গতিকে ধেমাজীৰ নৰ্থলক্ষিমপুৰত চৰ্টফল হব। তিনি চাৰি বছৰলৈ ইয়াৰ কোনো ব্যৱস্থা লোৱা নাই। এ ই. চি, বিয়ে কি কাম কৰিছে সেইটো আমাৰ চৰকাৰে চকু দিয়া নাই। এই বিলাক আমাৰ চৰকাৰে চোৱা দৰ্কাৰ। এইটো অটোনোমাচ বডি হলেও আমাৰ চৰকাৰে বিনিয়োগ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ২২০ কে ভি কনচট্ৰাকচনৰ কাৰণে সোনাবিল চাব ষ্টেচনত মাৰ্চ ১৯৮৬ ৰ পৰা ১৯৯২ ডিচেম্বৰলৈ যথেষ্ট টকা খৰছ কৰা হৈছে। তাত মাটিৰ কাৰণে ৯,৫৯ লাখ টকা প্ৰথমতে খৰছ কৰা হৈছে। তাৰ পাচত ১0, ০৪, ৭৯৭ টকা লেণ্ড পাৰচেজত খৰছ কৰা হয়। তাৰ পাচত চাৰকিউট ব্ৰেকাৰ, ফিলটাৰ মেচিন. লাইটেনিং, এৰেচটাৰ ট্ৰেন্সফৰমাৰ আদিৰ কাৰণে মুঠ ২, ৬৪, ৪২, ৮৪৯,00 কোটি টকা খটোৱাৰ পৰিপ্ৰেক্ষিতত কাম আৰম্ভ কৰা হ'ল। এক কোটি টকা মুকলি কৰি দিয়াৰ পাচত আজিও লাখ লাখ টকাৰ বস্তু তাত পৰি আছে। ট্ৰেন্সফৰমাৰ পৰি আছে আৰু আন আন ধৰণৰ

ইকুইপমেণ্টচ পৰি আছে। প্ৰথমতে হাইলেগু লোৱা হ'ল। তাৰ পাচত আকৌ লো লেগু লগা হ'ল। হাইলেগু তেতিয়া বিঘাই ৯ লাখ টকা আছিল। মাটিৰ মূল্য এতিয়া ২৫ লাখ টকা হৈছে। ইয়াৰ ফলত চৰকাৰৰ কোটি টকাৰো অধিক টকা নষ্ট কৰিছে। আজি এমাহৰ আগতে মই নিজেই সেই ঠাইলৈ গৈ আহিছো। এই কাৰণে যদি টকাৰ অপচয় হয় তেন্তে ইনফ্ৰাষ্ট্ৰাক-চাৰৰ কেনেকৈ গঢ় লব? কঠালগুৰি প্ৰকল্প যদি নহয় চামুগুৰিত হব লগা বাকী খিনি কামো হব নোৱাৰে। গতিকে বাকী থকা টকা খিনি যদি ঘূৰাই নিদিয়ে বা দিব নোৱাৰে সংশ্লিষ্ট কাম বিলাক কৰা সম্ভৱপৰ নহব। এই ক্ষেত্ৰত তেজপুৰৰ দুজন অফিচাৰে বন্ধ কৰি থৈছে। মুষ্টিমেয় দুজন অফিচাৰৰ কাৰণে বিদ্যুত বিভাগটোৰ সৰ্ব্বচ্চ হব নোৱাৰে। ই. চি বিটো তেওঁলোকৰ কাৰণে কৰাপচনৰ ঘাটি হব নোৱাৰে। সোণবিলৰ যদি ট্ৰেন্সমিচনৰ কেপাচিটি নাবাঢ়ে তেন্তে ইয়াৰ লগত গোটেই অসমৰ কথাটো জৰিত হৈ আছে। এনে ধৰণৰ কেতবোৰ অপৰিকল্পিত আঁচনিৰ কাৰণেই ৰাইজৰ ধন অপচয় হৈছে। চৰকাৰে এইবোৰৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লৈ চোৱা চিন্তা কৰিবলৈ ৰাইজৰ ধন অপচয় হোৱাটো বন্ধ হব। ৰাজ্য খনত চাহ, তেল, কাঠ, কয়লা আদিৰ দৰে সম্পদৰ ওপৰত ৰাজ্য চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই। সকলো বস্তু বাহিৰৰ পৰা আহে। আৰু সেয়ে কোটি কোটি টকা বাহিৰলৈ গৈছে। সেই সামগ্ৰী সমূহ আমাৰ ইয়াত উৎপাদন কৰাৰ ব্যৱস্থা কৰিব লাগে। বিক্ৰী কৰৰ যোগেদি ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত সংকুচিত হৈছে। গতিকে অসমৰ বাহিৰলৈ যোৱা ধন তৎকালিন ভাবে বন্ধ কৰিব লাগে। কৃষি ক্ষেত্ৰত সৰ্বাধিক ঔষধ দিব লাগে। সংগঠিত ভাৱে কৃষিক্ষেত্ৰ গঢ়ি তুলিব লাগে। জলসিঞ্চন, বিজ সাৰ আৰু বজাৰ সম্পৰ্কত পৰিলক্ষিত ব্যৱস্থা লব লাগে। মচুৰ মাহ, বুট আদি ৰাজ্যখনত যথেষ্ট ব্যৱহাৰ হয়। ৰাজ্যখনত প্ৰয়োজনীয় মিঠাতেল অনিয়ন, মাছ আদি শতকৰা ৮৫ ভাগ বাহিৰৰ পৰা আহে। এই বিলাকৰ কাৰণে প্ৰতি বছৰ অসমৰ পৰা ২০00 কোটি টকাৰো অধিক টকা বাহিৰলৈ যায়। এই ক্ষেত্ৰত ইনকাম জেনেৰেচনে

সহায় কৰিব। যিমান পৰা যায় সম্পদ বৃদ্ধি কৰিব লাগে। আৰু সঞ্চয় বঢ়াব লাগে। আৰু বাহিৰলৈ টকাটো ওলাই যোৱাত বাধা দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰত উদ্যোগ নীতি সুস্পষ্ট দৃষ্টি ভঙ্গি লব লাগে। আজি ওৱেষ্ট বেংগৰ পৰা আহি মানুহে উদ্যোগ দেখুৱাই ধন লৈ গৈছে। আজি যিবিলাক ৰুগ্ন উদ্যোগ আছে সেইবিলাক কি কাৰণে ৰুগ্ন হৈছে সেই কাৰণ বিলাক পৰ্য্যালোচনা কৰি সুস্থ উদ্যোগলৈ পৰিবৰ্ত্তীত কৰাৰ ব্যৱস্থা কৰিব লাগে। এই বিলাক কৰাৰ প্ৰয়োজন আছে। উদ্যোগৰ ক্ষেত্ৰত সদায়ে মূল ধনৰ প্ৰশ্ন আহে। এই ক্ষেত্ৰত বিত্ত মন্ত্ৰী মহোদয়ে মোৰ এটা প্ৰশ্নৰ উত্তৰত ৰাষ্ট্ৰীয়কৃত বেংকে কিমান ইনভেষ্ট কৰে সেই কথা মুকলিকৈ কৈছিল। ইয়াৰ বেচি ভাগে, বেচি ভাগ টকা অসমৰ বাহিৰলৈ লৈ যায়। গতিকে অসমতে বিনিয়োগ কৰি টকাটো অসমতে ৰখাৰ ব্যৱস্থা কৰিবলৈ চাব লাগে। বাহিৰৰ মানুহে স্থানীয়ভাৱে উদ্যোগ দেখুৱাই ধন বাহিৰলৈ লৈ গৈছে। গতিকে টেক্সটাইল চামৰা, কৃষি ভিত্তিক উদ্যোগ আদি বঢ়াবলৈ চেষ্টা কৰিব লাগে। তাৰোপৰি মেনপাৱাৰৰ প্লেনিং কৰিব লাগে। বৰ্ত্তমান ঋণ দিয়া লোৱেষ্ট স্কেল হৈছে ২৫,০০০। গতিকে এইটো যথেষ্ট নহয়। সেয়ে ২০০০০০ টকালৈ বঢ়াই দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনে কিছু বিশেষ পৰিস্থিতিৰ কাৰণে ৰিজাৰ্ভ বেংকক ৰাজ্য চৰকাৰে জোৰ দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজহুৱা খণ্ড বিলাকৰ ক্ষেত্ৰত যিবিলাক আছে সেই বিলাকৰ ক্ষেত্ৰত বাণিজ্যিক আৰু পৰিচালনাৰ ক্ষেত্ৰত স্বায়ত্ব শাসন দিব লাগে। ন' লচ ন' গেইন ধাৰণাটো ত্যাগ কৰিব লাগে। আজি এ, এচ, টি, চিয়ে কম দামতে গাড়ী কিনিছে। গতিকে আমাৰ যিবিলাক উন্নয়ণমূলক আঁচনি আছে সেইবিলাকত বাণিজ্যিক আৰু পৰিচালনাৰ ক্ষেত্ৰত স্বায়ত্ব শাসন দিয়াৰ বাবে চিন্তা কৰিব লাগে। এজন দক্ষ মানুহক তাৰ চেয়াৰমেন কৰিব লাগে। এই ক্ষেত্ৰত ৰাজনৈতিক বিচাৰ বিবেচনা কৰিব নালাগে। উপাধ্যক্ষ মহোদয়, আজি বাজেটৰ হেদত যিটো চাচপেন্দদেদ একাউন্টচ সেই ব্যৱস্থাটো পৰ্য্যালোচনা কৰিব লাগে।

কাৰণ এই একাউণ্টৰ নামত ৫ কোটি টকাৰ ব্যৱস্থাৰ বিপৰীতে থুচি মতে ১৫ কোটি টকা কোনো বিভাগে খৰচ কৰিলেও কোনো মাতোতা নাই। কাৰণ একাউণ্টচৰ কোনো ব্যৱস্থা নাই। বাজেট বহিৰ্ভূত ধন খৰচৰ ক্ষেত্ৰত বহুতো খেলিমেলিৰ কাৰণে প্ৰিণ্টিং এন্দ ষ্টেচনাৰী বিভাগৰ কিছুমান কথা চোৱাৰ কাৰণে ভাস্কৰ বৰুৱা কমিটি কৰি দিয়া হৈছিল আৰু সেই কমিটিয়েও ৰিপোৰ্ট দাখিল কৰিছে। অতি আচৰিত কথা যে, এই বিভাগে বহুতো বিভাগৰ প্ৰয়োজনতকৈ অধিক ফৰ্ম আৰু অন্যান্য কাগজপত্ৰ প্ৰিণ্ট কৰি সেইবোৰ এতিয়া ১৬/১৭ হাজাৰ টকা খৰচ কৰি ভাড়া ঘৰত ৰাখিব লগা হৈছে। অথচ যিবিলাক বিভাগে এইবোৰ ছপা কৰাইছিল তেওঁলোকেও এইবোৰ নিয়া নাই। এইটো পৰম্পৰাগত ভাৱে চলি আহিছে। গতিকে এই মেৰপেচত সোমাবলৈ বিচৰা নাই। কিন্তু আমি এটা ৰাষ্টা উলিয়াব লাগিব। উপাধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে ১৯৭৪-৭৫ চনত পাৰফৰমেন্স বাজেটিং আৰু ১৯৮৭-৮৮ চনত জিৰো বেচ বাজেটিং প্ৰৱৰ্ত্তন কৰিবলৈ ৰাজ্য সমূহলৈ নিৰ্দ্দেশ দিছিল। নহলে মাৰ্চলৈকে কিমান টকা খৰচ কৰা হ'ল তাৰ কোনো হিচাব নাই। সেয়ে বিত্তীয় শৃংখলা ৰক্ষাত এনে ব্যৱস্থা যদি সহায়ক হয় তেনেহলে চৰকাৰে বিবেচনা কৰাটো উচিত হব। তাৰ পিচত আমি আশা কৰিছো যে, আইন শৃংখলা ৰক্ষা কৰাৰ বাবে বিভাগ বিলাক সচেতন হওক। উপাধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয় পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ ক্ষেত্ৰত মিতব্যয়ি হোৱাৰ কথা কৈছে। সেইটো হলেও অপব্যয় অপচয় বন্ধ কৰাৰ স্থল আছে। বিত্ত বিভাগ সচেতন হলে ব্যয় নিয়ন্ত্ৰণ কৰণ আৰু বিত্তীয় অনুশাসন কঠোৰ ভাৱে মানি চলা সম্ভৱ হব। আয় ব্যয়ৰ স্থিৰতা অনাৰ কাৰণে প্ৰয়োজন হলে মধ্যকালিন পৰিকল্পনা আঁচনি লৈ আগবাঢ়িব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, সম্পদ সৃষ্টিত সৰ্ব্বাধিক গুৰুত্ব দিব লাগিব। আমাৰ চাহৰ ওপৰত কিছু টেক্স ৰেহাই দিয়া হৈছে। আজি দেখা গৈছে প্ৰায় ৯০ শতাংশ খাদ্য সামগ্ৰী বাহিৰৰ পৰা আহে। কৃষি সামগ্ৰী ওপৰত কৰ ৰেহাই দিয়া হৈছে। ইউৰিয়া

আদি সাৰৰ ওপৰত কৰ ৰেহাই দিয়া হৈছে তথাপি প্ৰায় ১০ কোটি টকাৰ সাৰ বাহিৰৰ পৰা অনা হয়। নামৰূপত সাৰ উৎপাদন হয় কিন্তু সাৰ যোগান ধৰিছে কলিকতাৰ বৈতানে। আজি বাগান বিলাকৰ যিটো অৰ্থনীতি আৰু তাত যদি আমাৰ চৰকাৰে তেওঁলোকক ৰেহাই দিয়ে সেই পৰিপ্ৰেক্ষিতত কোৱা হৈছে যে, ৭৫ শতাংশ অকচন বজাৰ কৰিব লাগিব। উপাধ্যক্ষ মহোদয়, আজি তেওঁলোকে আইন অৱমাননা কৰিছে। গতিকে চৰকাৰে এই বিষয়টোৰ প্ৰতি দৃষ্টি দিব লাগে। উপাধ্যক্ষ মহোদয়, আজি ট্ৰেক্টৰ, পাৱাৰটিলা, জীৱাণু নাশক দ্ৰব্য, টায়াৰ টিউব আদিৰ ওপৰত কৰ ৰেহাই দিয়া হৈছে এইটো ভাল হৈছে। লগতে কম্পিউটাৰ, ফেক্স মেচিন আদিত কৰ হ্ৰাস নকৰিবও পাৰিলেহেঁতেন। এই বিষয়টো চৰকাৰে বিবেচনা কৰিব লাগে। পেকেটৰ ভিতৰত থকা সামগ্ৰীৰ ওপৰত কৰ লগোৱা বাবে জনসাধাৰণৰ মূৰত কৰৰ বোজা পৰিছে। এক্ৰাইলিক সূতা আৰু পলিষ্টাৰত কৰ বঢ়াব নালাগে যদি কৰ বঢ়োৱা হয় তেনেহলে কাপোৰৰ দাম বাঢ়ি যাব। প্ৰতিযোগিতাৰ মাজলৈ ঠেলি দিয়া হব। স্থানীয় অনুস্থান এটাৰ যাতে উন্নতি হয় চাব লাগে। পেইন্টচ, বাৰ্নিচ, আঠা আদিত সৰ্ব্বসাধাৰণৰ প্ৰয়োজনীয় কৰ বৃদ্ধিৰ হাৰ কিছু কমাব পাৰিলে ভাল হয়। হালধী আৰু ধনীয়াৰ ওপৰত কৰ লগোৱা নাই যদিও জীৰা জালুকৰ ক্ষেত্ৰতো আৰোপ কৰা কৰ বাদ দিব পাৰিলে ভাল হয়। স্বাস্থ্য সেৱাৰ লগত জৰিত সামগ্ৰীৰ কৰ বৃদ্ধিৰ বিষটো বিবেচনা কৰিব লাগে। আন এটা কথা হ'ল আমাৰ যিটো এল, অ, চি চিষ্টেম কৰা হৈছে সেইটো ১৯৭৮ চনৰ পৰা কৰা হৈছে। এই চিষ্টেমটো পুনৰ বিবেচনা কৰিব লাগে। কাৰণ এই চিষ্টেমটোৰ জৰিয়তে বিভাগ বিলাকক নিয়ন্ত্ৰণ কৰাটো অলপ খেলিমেলি হৈছে। গতিকে বিত্ত বিভাগে এই চিষ্টেমটো সম্পৰ্কে পুনৰ বিচাৰ বিবেচনা কৰি বিভাগবোৰক যাতে টকা পইচাৰ খৰচৰ ক্ষেত্ৰত নিয়ন্ত্ৰনাধীন কৰিব পাৰি তাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ ওপৰিও কৰ কাটাল সংগ্ৰহৰ ক্ষেত্ৰত যিবিলাক সুৰুঙা আছে সেইবোৰ বন্ধ কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আই, এম, দি, টি এক্ট সম্পৰ্কেও বিভিন্ন

মহলত বিভিন্ন ধৰণৰ মতানৈক্য হৈ আছে। ১৯৯২ চনৰ পৰা এই শিক্ষানত আমাৰ চৰকাৰে প্ৰায় ৩ কোটি টকা খৰচ কৰিছে। সেই টকা আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নাই। সেই টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা অনাৰ ব্যৱস্থা কৰিব লাগে। আজি আমাৰ ৰাজ্যখনত উন্নয়ন মূলক কামৰ কাৰণে কেৱল দি, আৰ. দি. এ বিভাগতহে ধন আছে। কিন্তু এই ধন খৰচ কৰাৰ ক্ষেত্ৰতো বহুতো খেলিমেলি পৰিলক্ষিত হৈছে। মই নিজে এচটিমেট কমিটিত আছো আৰু দেখিছো গাওঁ পঞ্চায়তৰ গ্ৰাম সেৱক আৰু কেইজনমান কৰ্ম্মচাৰী লগ হৈ এই টকাবোৰ যধে মধে খৰচ কৰা দেখুৱাইছে। আজি আমাৰ জে, আৰ, ওৱাই আৰু নিশ্চিত নিয়োগ আঁচনিৰ ধন সমূহ খৰচ কৰাৰ ক্ষেত্ৰটো বহুতো খেলিমেলি হৈছে। গতিকে আমি গুৰুত্ব সহকাৰে বিষয়টো চাব লাগে। এইখিনিতে এটা কথা কব খুজিছো যে, আমাৰ ৰাজ্যখনত কিছুমান ৰাজনৈতিক বিশৃংখলতাৰ কাৰণে ৰাজ্যখনে উন্নয়নমূলক কাম কাজত আগবাঢ়িব পৰা নাই। সেই কাৰণে বৰ্ত্তমান চৰকাৰে আলফা, বি, এচ, এফ আদি সংগঠনবোৰে যিবোৰ দাবী লৈ ৰাজ্যখনত এক অশান্তিৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে সেইবোৰৰ সমাধানৰ কাৰণে আমি সকলো ৰাজনৈতিক দলে ৰাজনৈতিক বিশৃংখলা সমূহ নাইকীয়া কৰি তেওঁলোকক আলোচনাৰ মেজলৈ আনি তেওঁলোকৰ যিবোৰ মৌলিক আৰু গ্ৰহণযোগ্য দাবী সেই দাবীসমূহ বিবেচনা কৰিব লাগে। ইয়াৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰকো হেচা প্ৰয়োগ কৰিব লাগিব আৰু এই ক্ষেত্ৰত যাতে কোনো বৈশম্য নাৰাখে তাৰ কাৰণেও আমি চিন্তা চৰ্চা কৰিব লাগে। ৰাজ্যখনত চাহ, তেল, কয়লা আদিৰ দৰে সম্পদৰ ওপৰত ৰাজ্য চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই। বিক্ৰী কৰৰ যোগেদি ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰ সংকোচিত হৈছে কাৰণ চাহ প্লাইউদ, পেট্ৰোল জাত সামগ্ৰীৰ ক্ৰয় আন্তঃৰাজ্যিক ষ্টক ট্ৰেন্সফাৰৰ যোগেদি হয়। সেইটো অধিকাংশই ৰাজ্যৰ বিক্ৰী কৰৰ আয়ুক্তত নপৰে। এইটো উদ্বেগজনক বিষয়। ইয়াৰ ফলত ৰাজ্যখনৰ ৩৫/৪০ কোটি টকা উপাৰ্জনৰ সম্ভাৱনা নোহোৱা হৈছে। গতিকে এই

বিষটোৰ গুৰুত্ব দিবলৈ মই চৰকাৰক অনুৰোধ জনালো। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(Now Mr. Speaker vacated his Chair and Mr. Deputy Speaker occupied it).

**Mr. Depute Speaker :** Now, I request Mr. Rameshar Dhanowar to speak.

* **শ্ৰীৰামেশ্বৰ ধানোৱাৰ :** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই ৬৩৬·৫৮ কোটি টকাৰ যি ঘাটি বাজেট এই সদনত উত্থাপন কৰিছে সেই বাজেটখন এখন শ্ৰমিক বিৰোধী বাজেট বুলি মই আখ্যা দিব খুজিছো। এই কাৰণেই এই আখ্যা দিব খুজিছো যে আজি চৰকাৰী খণ্ডত যি ৪৮ টা উদ্যোগ আছে সেই আটাইবোৰেই ৰুগ্ন অৱস্থাত আছে আৰু ১৩ টা উদ্যোগ প্ৰায় মৃতপ্ৰায় অৱস্থা পাইছে। এই উদ্যোগ সমূহ পুনৰুদ্ধাৰ কৰাৰ কাৰণে বাজেটখনত কোনো ধৰণৰ ব্যৱস্থা ৰখা হোৱা নাই। এই উদ্যোগ সমূহ বন্ধ হৈ গ'লে হাজাৰ হাজাৰ শ্ৰমিকৰ পেটৰ ভাত মৰিব। দ্বিতীয়তে, নতুন উদ্যোগ নীতি গঢ়াৰ ক্ষেত্ৰত এই বাজেটখনত কোনো ধৰণৰ ব্যৱস্থা ৰখা হোৱা নাই। চৰকাৰে এটা কথা ঘোষণা কৰিছিল যে আমি সোনকালে নতুন উদ্যোগ নীতি ঘোষণা কৰিম। কিন্তু আজিলৈকে এই সম্পৰ্কত কোনো ধৰণৰ ব্যৱস্থা লোৱা আমি দেখা নাই। আজি আমাৰ ৰাজ্যখনত দিনক দিনে নিবনুৱা সমস্যাই এটা জ্বলন্ত সমস্যা হিচাপে দেখা দিছে। তেনে ক্ষেত্ৰত নতুনকৈ নিবনুৱা সমস্যা সমাধানৰ ব্যৱস্থা লোৱা বাদেই যিবিলাক ৰুগ্ন উদ্যোগ মৃতপ্ৰায় অৱস্থালৈ গৈছে সেই বিলাকো যদি পুনৰুদ্ধাৰ কৰাৰ কাৰণে ব্যৱস্থা হাতত নলয় তেনেহলে আৰু নিবনুৱা সমস্যা বৃদ্ধি পাব। আজি চৰকাৰে চাহৰ ওপৰত নতুনকৈ কিছুমান কৰ কাটালৰ ব্যৱস্থা কৰিছে। আগতে ক্ষুদ্ৰ চাহ বাগিচাবোৰক ৩০ বিঘা মাটি দিছিল। কিন্তু এতিয়া ৪ হেক্টৰ মাটিৰ চাহ বাগিচাক ক্ষুদ্ৰ চাহ বাগিচা হিচাবে ধৰি তেওঁলোকৰ পৰা কেঁচা পাতৰ বাবদ প্ৰতি কেজিত ২০ পইচাকৈ টেক্স লগোৱাৰ

* Speech not corrected

ব্যৱস্থা কৰিছে। ইয়াৰ ফলত ক্ষুদ্ৰ চাহ বাগিচাৰ মালিক সকলৰ ওপৰত যিটো মাধমাৰ পৰিব তাৰ পৰা এই কৃষক সকলে মুৰ দাঙিব নোৱাৰা অৱস্থা হব। তাৰোপৰি আন এটা কথা হ'ল ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ মাটি বিলাক ম্যাদি পট্টাৰ নহয় তেনেহলে তেওঁলোকে চাহ বোৰ্ডৰ পৰা ঋণ লব নোৱাৰে। তেওঁলোকে নিজা ৰবীয়াকৈ যিবিলাক চাহ খেতি কৰিছে তাৰ দ্বাৰাই তেওঁলোকে জীৱিকা নিৰ্বাহৰ পথ উলিয়াইছে, তেনে ক্ষেত্ৰত চৰকাৰে যদি এই ক্ষুদ্ৰ চাহ বাগিচাবোৰৰ ওপৰত কৰ লগাবলৈ হয় তেনেহলে সেই বাগিচা সমূহত যি ১০/১৫ জন মজদুৰে কাম কৰি আছে তেওঁলোকৰো পেটৰ ভাত মৰা অৱস্থা হব। তাৰোপৰি যি বিলাক ৰুগ্ন চাহ বাগিচা সেইবিলাকৰ অৱস্থা কি হব সেইটোও চিন্তা কৰি চোৱা উচিত। গতিকে কেঁচা পাতৰ ওপৰত যিটো কৰ লগোৱাৰ ব্যৱস্থা কৰিছে সেইটো উঠাই দিলে ভাল হয় আৰু তেতিয়াহলে এই বাগিচাবোৰ ৰক্ষা পৰাৰ সম্ভাৱনা আছে। তাৰোপৰি এই বাগিচা সমূহক যি ৭০ হেক্টৰকৈ মাটি দিয়াৰ কথা কৈছে সেই মাটিৰ জৰিয়তে যাতে চাহ বোৰ্ডৰ পৰা ঋণ আদি পাব পাৰে তাৰ ব্যৱস্থা কৰিব পাৰিলেহে এই চাহ বাগিচা সমূহে গা কৰি উঠাৰ শক্তি পাব। আন এটা কথা হ'ল— বৃহৎ চাহ বাগিচা সমূহৰ ক্ষেত্ৰত চাহ পাতৰ ওপৰত ৩০ পইচালৈকে কৰ বৃদ্ধি কৰা হৈছে। এইটো আগতে আছিল ৫০ পইচা। কিন্তু পিচত তাক নমাই আনি ১৮ পইচা কৰা হৈছিল আৰু চুপ্ৰিম ক'ৰ্টৰ নিৰ্দেশ মতে এইটো ২৫ পইচাৰ ভিতৰত ৰাখিবলৈ কৈছিল। গতিকে ৩০ পইচালৈকে বৃদ্ধি কৰাৰ বিষয়টো কিমান দূৰ যুক্তি সঙ্গত হৈছে সেইটোও চাবলগীয়া কথা।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে চাহ বাগিচাত থকা প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰীকৰণ আৰু প্ৰাদেশীকৰণ দুটা শব্দ ব্যৱহাৰ কৰিছে। কিন্তু আমি এটা কথা দেখিছো যে শিৱসাগৰ, গোলাঘাট, কাচাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাৰ বাগান সমূহ এই লিষ্টত ধৰা হয়। এতিয়া কথা হ'ল বাকী যিবিলাক জিলাত চাহ বাগিচা

আছে তেওঁলোকক এই লিষ্টত নধৰিলে প্ৰাথমিক স্কুলত দুপৰীয়া আহাৰ দিয়া যিটো ব্যৱস্থা কৰা হব তাৰ পৰা সেই স্কুলবিলাক বাদ পৰি যোৱাৰ সম্ভাৱনা আছে। গতিকে এই কথা বিলাক বিত্ত মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত স্পষ্ট কৰি দিলে ভাল হয়। এইবাৰৰ বাজেটত কিছুমান নতুন সামগ্ৰীৰ ওপৰতো কৰ বহুৱাৰ ব্যৱস্থা কৰিছে। এইবাৰ চাবোনৰ ওপৰত পুনৰ কৰ লগাই বিত্ত মন্ত্ৰী ডাঙৰীয়াই আমাক আকৌ মনিচালৰ গুটি ব্যৱহাৰ কৰিবলৈ দিছে নেকি সেই বিষয়ে জানিব নোৱাৰিলো। হালধি, ধনীয়াৰ বাহিৰে জীৰা, জালুক আদিও সাধাৰণ মানুহে ব্যৱহাৰ কৰা বস্তুৰ ভিতৰত পৰে। গতিকে এইবোৰৰ ওপৰতো কৰ ৰেহাই দিয়াৰ বাবে ব্যৱস্থা কৰিলে ভাল হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া পেকেটৰ কথা কৈছো। আজি-কালি পেকেটত নোহোৱা বস্তু একো নাই। সাধাৰণ এটা বস্তুও পেকেটত পোৱা যায়। নিমখ, মিঠাতেল আদিও পেকেটত পোৱা যায়। গতিকে সেইবিলাক বস্তুৰ ওপৰতো এতিয়া কৰ লাগিব। দ্বিতীয়তে কৈছো ৰোল্ড গোল্ডৰ কথা। ৰোল গোল্ড কোনে পিন্ধে যাৰ গোল্ড নাই। সেই দুখীয়া মানুহেহে পিন্ধে। যিয়ে সোণ কিনিব নোৱাৰে। তাতো কৰ লগাইছে। আটাই বিলাক দুখীয়া মানুহৰ ওপৰত পৰিব। কৰ সংগ্ৰহৰ ক্ষেত্ৰত মুখ্য মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বাজেটত এটা কথা উল্লেখ কৰিছে যে বাছ ভাড়া আৰু বাছৰ বয়-বস্তুৰ ক্ষেত্ৰত বৈষম্যৰ কথা কৈছে। দেখা যায় ইয়াৰ পৰা কৰ কমিছে। কৰ সংগ্ৰহৰ ক্ষেত্ৰত এটা ডাঙৰ লেকোনা আছে। তাৰ কাৰণে যোৱা বছৰ যি কৰ আছিল এই বছৰ কিমান আহিব তাৰ কোনো ধাৰণা নাই। আৰু এটা কথা চাব লাগিব আই, ও, চি, অইল ইণ্ডিয়ান লিমিটেড আৰু কোল ইণ্ডিয়া আদিৰ মাটিৰ খাজনা নিচেই কম। কিন্তু তেওঁলোকে ভাত মানুহ বহুৱাই পাব স্কুৱেৰ ফুটত ৬০-৬২ কৈ লৈ আছে। তাৰ পৰা ৰাজ্যিক চৰকাৰে ১০ ভাগৰ এভাগ পইচা নাপায়। উপাধ্যক্ষ মহোদয়, চাহ বাগিছাৰ মাটিৰ ক্ষেত্ৰত খাজনা বৃদ্ধি কৰা হৈছে। তেনে ক্ষেত্ৰত কোল ইণ্ডিয়া, আই, ও, চি আৰু অইল

ইণ্ডিয়াৰ ওপৰত কৰৰ ক্ষেত্ৰত মোৰ কালৰ পৰা কেইটামান পৰামৰ্শ দিব খুজিছো। মই আগতেও কৈছো যে কৰ সংগ্ৰহত এটা লেকোনা আছে। এই লেকোনাটো কোনখিনিত। মাননীয় বিত্ত মন্ত্ৰীয়ে উল্লেখ কৰিছে ১৯৯৭-৯৮ বিত্তীয় বছৰত বাছ যাত্ৰী আৰু বয়-বস্তুৰ ওপৰত ১৮.৪৪ কোটি টকা ধৰা হৈছে। ১৯৯৬-৯৭ চনৰ প্ৰকৃত আয় হৈছে ২৪.৩৬ কোটি টকা। যিটোত ডিফাৰেঞ্চ দেখা গৈছে। ইয়াত ডাঙৰ এটা লেকানো আছে। যিটোত ৰিচোৰ্চ কমি গৈছে। এইটো পৰিক্ষা কৰি দূৰ কৰিব লাগিব। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** Now, Hon'ble Member Shri Hemen Das.

**শ্ৰীহেমেন দাস :** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ পৰা আৰু কেইমাহ মান পিচত আমি স্বাধীনতাৰ সোণালী জয়ন্তী পালন কৰিম। আজি ৫০ বছৰ হ'ল। সেই সময়ৰ মানুহ মৰিছে। যিবিলাকৰ সেই সময়ত জন্ম হৈছিল সেই বিলাকৰ দাড়ি চুলি পকী আজি বৃদ্ধৰ শাৰীত নামিছে। ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে কৈছিল ৫০ চনৰ ভাৰতবৰ্ষৰ সংবিধান গ্ৰহণৰ পিচত আমি এখন ক্লাছলেচ কো-অপাৰেটিভ চছাইটি গঠনৰ কাৰণে আগবাঢ়ি যাম। দেশত যাতে শ্ৰেণী বৈশম্য আঁতৰাই শ্ৰেণী হিন সমাজেৰে ভাৰতবৰ্ষ আগবঢ়াই নিম। ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে যি নীতি ঘোষণা কৰিছিল সি চোচিয়েলিষ্ট পেটাৰ্ণৰ। জৱাহৰলাল নেহেৰুৱে আৰম্ভ কৰিছিল এক অৰ্থনৈতিক বুনিয়াদ। তাৰ মুল লক্ষ্য আছিল দেশখনক অৰ্থনীতিৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল কৰাৰ। কিন্তু ইতিহাসৰ নিৰ্মম। তেখেতৰ বংশধৰ সকলে দেশৰ বৰ অৰ্থনীতিৰ বুনিয়াদ গঢ়াৰ পৰিবৰ্তে দেশখন বিদেশীৰ হাতত বন্ধকত থোৱাৰ ব্যৱস্থা কৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ অৰ্থনীতি অসম চৰকাৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। অসম ভাৰতৰ পৰা বিচিন্ন নহয়। ভাৰতৰ অৰ্থনীতিৰ ভিত্তৰত অসম আৰু বেঙ্গলো আছে। একেখন সংবিধানতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী শ্ৰীজ্যোতি বসুৱে শপত গ্ৰহণ কৰিছে। আমাৰ মাননীয় উদ্যোগ মন্ত্ৰীয়ে উদ্যোগৰ

ক্ষেত্ৰত এটা প্ৰশ্নৰ সুন্দৰভাবে দিছে। জাগীৰোড আৰু ৫ গ্ৰামৰ কাগজ কলৰ কাগজ কিয় বিক্ৰী নহয়? উদাৰীকৰণ নীতিৰ ফলত বাহিৰৰ পৰা কাগজ আহিছে আৰু থলুৱা উদ্যোগীৰ কাগজৰ বিক্ৰী নাই। থলুৱা উদ্যোগ বন্ধ হৈ গৈছে। বিদেশৰ পৰা ভাল কাগজ আহিছে। গতিকে আজি বিপদ হৈছে। স্বাধীনতাৰ আন্দোলনৰ নেতৃবৃন্দই যি নীতি আগবঢ়াইছিল সেই নীতিৰ উদ্দেশ্য হ'ল স্ব-নিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তোলা। সেই নীতি জলাঞ্জলি দি চলিছে পৰনিৰ্ভৰশীল অৰ্থনীতি বা বহু জাতিকৰ ওপৰত বন্ধক যাব পৰা নীতি। শ্ৰীনৰসিংহ ৰাও আৰু শ্ৰীমনমোহন সিংহৰ অৰ্থনীতি আজি কংগ্ৰেছৰ ভিতৰতে বিৰোধিতা কৰিছে। এইটো এটা শুভ লক্ষণ। উপাধ্যক্ষ মহোদয়, এই ভুল নীতিৰ ফলত কি হৈছে লাষ্ট গেটলৈ গলেই দেখিব হাজাৰ হাজাৰ মাষ্টাৰ ৰোল শ্ৰমিকে ধৰ্মঘট কৰিছে। কিয় আজি অসমৰ হাজাৰ হাজাৰ মাষ্টাৰ ৰোল শ্ৰমিকে ৯০০ টকাত কাম কৰিবলগীয়া হৈছে। ৯০০ টকাত এটা পৰিয়াল পোহ যাব পাৰে জানো। কোনে সেইবিলাক কৰিছে। পঞ্চায়ত কৰিলে। ২৪০০ খন পঞ্চায়ত কৰিলে। তাত নিযুক্তিৰ কাৰণে কমাৰ্চ গ্ৰেজুৱেট বিচাৰিছিল। সেই কমাৰ্চ গ্ৰেজুৱেটক মহকুমা পৰিষদে চেক্ৰেটাৰী হিচাবে নিযুক্তি দিছে। কিন্তু তাত পোষ্ট নাই। সেইবিলাকক নিযুক্তি দি প্ৰতাৰণা কৰিলে। পঞ্চায়তৰ চেক্ৰেটাৰী কমাৰ্চ গ্ৰেজুয়েটসকলক ৯০০ টকা দৰমহা দিছে। এতিয়া তেওঁলোকে অফিচলৈ খবৰ কৰিলে পি, এণ্ড, আৰ, ডি বিভাগে পোষ্ট নাই বুলি কয়। পোষ্ট ক্ৰিয়েট নকৰিলে কেনেকৈ দৰ্মহা দিব। সেইটো নিয়োগনীতি ভুল আছিল। স্ব নিৰ্ভৰশীল নীতি বিসৰ্জন দিয়াৰ কাৰণে লাষ্ট গেটত মাষ্টাৰ ৰোল কৰ্মীয়ে ধৰ্মঘট কৰিবলগীয়া হৈছে। তেওঁলোকে দৰ্মহা পোৱাৰ কাৰণে আন্দোলন কৰিছে। যোৱা ১০-১৫ বছৰৰ পৰিণতি আজি আমি সকলোৱে ভোগ কৰিবলগীয়া হৈছে। ৰেহাই কোনেও পোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া অসমৰ বাজেটৰ বিষয়ে দুষাৰ কম। এই বাজেটত ৫৮০৪ কোটি ৮৭ লাখ ৬ হেজাৰ

টকা ধৰা হৈছে। এই টকাটো কেনেকৈ আহিল—বৰ্ত্তমান ৰাজ্য-খনৰ সংগৃহীত কৰৰ পৰা এইটো হল নেকি, হোৱা নাই। এইটো হৈছে ৰাজহুৱা ঋণ ৮৪৯ কোটি ৭ লাখ টকা। কেন্দ্ৰীয় চৰকাৰৰ ঋণ আছে ৫০৩ কোটি ৯৬ লাখ ৬০ হেজাৰ টকা। এনেকৈ কেন্দ্ৰৰ পৰা কোটি কোটি টকা ধাৰ কৰি আনিব লগা হৈছে। এনেকৈ ধাৰ ললে নচলিব। কেন্দ্ৰৰ পৰা মজুৰি পাওঁ, ১৭৩৪ কোটি ৬ হেজাৰ টকা। কেন্দ্ৰৰ পৰা পোৱা মঞ্জুৰী আৰু ঋণ খিনি বাদ দিলে প্ৰকৃততে আমাৰ আয় কিমান হব। আমি দেখিবলৈ পাইছো আমাৰ আয় হব ২৭১৬ কোটি ৯৩ লাখ ১৬ টকা আমাৰ ৰাজ্য খনে পাব। গতিকে আমাৰ আয় কৰ্লৈ গৈছে। বাজেটৰ ব্যয় একত্ৰিত নিধিত পৰা ৬১ কোটি ৪৭ লাখ ৬৬ হেজাৰ টকা। আমি এই টকাখিনিকে বিভিন্ন উন্নয়ন মূলক কামত খৰচ কৰিব লাগে। তেনে ক্ষেত্ৰত ঋণ পৰিশোধ কৰা যাব ১৫৮০ কোটি ৩৬ লাখ ৯২ হেজাৰ টকা। সুত পৰিশোধ কৰিলে টকা থাকিব ৪৫১৮ কোটি ১০ লাখ টকা। এই খিনিৰে আমি কাম কৰিম। 'নন প্লেন এক্সপেনডিচাৰৰ তালিকা দিছে। তাত বোধ হয় ৩৩ কোটি ১০ লাখ ৫৩ হেজাৰ টকা দিছে। এই নন প্লেন এক্সপেণ্ডিচাৰৰ আই আমি কেনেকৈ বহাম। আয় বঢ়াবৰ কাৰণে সম্পদ সৃষ্টি কৰিব লাগিব। এই সম্পদ সৃষ্টি কৰিবলৈ হলে আমি কি কৰিব লাগিব। সম্পদ সৃষ্টিৰ ক্ষেত্ৰত কম কৰি দিছে। 'কেপিটেল এক্সপেণ্ডিচাৰত ধাৰ্য্য কৰা হৈছে ১৫৩৩ কোটি ১১ লাখ ২১ হেজাৰ টকা। ইয়াৰ ৯০০·৩০ কোটি টকা ঋণ পৰিশোধত ব্যয় হব। আমাৰ অসমক আগবঢ়াই নিবলৈ মূল ধন বেছি ব্যয় কৰিব লাগিব। এই যি ১৫৩৩ কোটি ১১ লাখ ২১ হাজাৰ টকা কেপিটেল এক্সপেণ্ডিচাৰত ধৰা হৈছে তাৰ পৰা ঋণ পৰিশোধ ৯ শ কোটি ৩০ লাখ ৯৪ হেজাৰ টকা ঋণ পৰিশোধত ব্যয় হব। আমাৰ মূল ধনৰ পৰা ১৫ শ কোটিৰ পৰা ৯ শ কোটি টকা ঋণ পৰিশোধ কৰা হব। এই ঋণ কিয় হল তাৰ হিচাব চাব লাগিব। টকা ধাৰ কৰিবলৈ হলে সেই টকাৰ উৎপাদন কৰিব লাগিব। উৎপাদনৰ ক্ষেত্ৰত ধন বিনিয়োগ কৰিব লাগিব। ১৯৯৫ চনত

প্ৰকৃতত্তে ঋণ হৈছিল ২৬৪৩ কোটি ৪ লাখ ৮৮ হেজাৰ টকা। উৎপাদনৰ ক্ষেত্ৰত কম খৰচ হৈছে। আমি দেখিছো ৰাস্তা ঘাট বন্ধ হৈ গৈছে, জলসিঞ্চনৰ কাম কৰা নাই। আমি উৎপাদনক্ষম সৃষ্টি কৰিব পৰা নাই। যিটো আই, এম, এফ পৰা টকা ধাৰলৈ বিচাৰিছে তেওঁলোকে কৈছে যে আগৰ টকা ধাৰ মাৰিলেহে টকা ধাৰলৈ দিব। গতিকে এতিয়া ধাৰ মাৰিবলৈ আই, এম, এফৰ পৰা টকা লৈছে। আমাৰ কেপিটেল এক্সপেণ্ডিচাৰ কম। এটা ক্ষেত্ৰত বাঢ়িছে। সেইটো গড়কাপ্তানী বিভাগত ১৫২ কোটি টকা কেপিটেল এক্সপেণ্ডিচাৰ। গতিকে ইয়াৰ ফলত ৰাস্তা ঘাট হব। ৪৫ কোটি টকা বান নিয়ন্ত্ৰণত দিছে! এইটো সমৰ্থন যোগ্য নহয় কিন্তু গড়কাপ্তানী বিভাগৰ বিষয়টো সমৰ্থন যোগ্য। কিচাৰিটো কেপিটেল এক্সপেণ্ডিচাৰ লাগে। হেণ্ডলুম এণ্ড টেক্সটাইল বিভাগত ৰেভিনিউ এক্সপেণ্ডিচাৰ ডাবল হৈছে। এইটো ভাল কথা হৈছে। কিন্তু কেপিটেল এক্সপেণ্ডিচাৰ নহলে উৎপাদন আশা কৰিব নোৱাৰি। ভৱিষ্যতে মূলধন বিনিয়োগত যাতে গুৰুত্ব দিয়ে।

মাননীয় উপাধ্যক্ষ মহোদয়, চাহ বাগিছাৰ ওপৰত এগ্ৰিকালচাৰ ইনকাম টেক্স লগাইছে। এইটোত বিৰোধী পক্ষৰ কিছুমান মাননীয় সদস্যই আপত্তি কৰিছে। কিন্তু মই চৰকাৰক ধন্যবাদ দিছো ইনকাম টেক্স বঢ়োৱা কাৰণে। আগৰ বাজেটত আছিল এগ্ৰিকাল-চাৰ ইনকাম টেক্স ৩৫ কোটি টকা। এইবাৰ বাজেটত ধৰা হৈছে ৬১ কোটি টকা। কৰ সংগ্ৰহৰ ক্ষেত্ৰত কও যে মোক এজন দোকানিয়ে কলে আমি যিথিনি কৰ চৰকাৰক দিও তাতোকৈ বহুত বেছি কৰ আমাৰ পৰা লৈ যায়। এই কৰ দিয়াৰ কাৰণে আমি ২ হেজাৰ আঢ়ৈ হেজাৰ টকা খৰচ কৰিব লগা হয়। গতিকে আপুনি চৰকাৰক কব যাতে আমি কৰ হিচাপে ১৫ শ টকা দিব লগা হয় তাত ইনকাম টেক্সৰ ইন্সপেক্টৰ বা চুপাৰিনটেণ্ডেণ্টক দিব লগা নহয়। যদি এই বিষয়াবিলাক নহলহেতেন এই গোটেই পইচাবিলাক চৰকাৰকে দিব পৰা গ'লহেতেন। এই বিলাক বন্ধ কৰিবৰ কাৰণে চেষ্টা কৰক।

উদ্যোগ বিভাগৰ কথা কৈছো— উদ্যোগ আৰম্ভ কৰিবলৈ

চৰকাৰৰ ফালৰ পৰা পাঁচ হেজাৰ টকা দিয়ে ডি, আই, চিৰ জৰিয়তে। মই জেনেৰেল মেনেজাৰক সোধাত কলে যে তেখেত সকলেও জানে পাঁচ হেজাৰ টকাত কোনো উদ্যোগ নহয়। পাঁচ হেজাৰ টকাৰে উদ্যোগ কৰিব নোৱাৰে যদিও এইটো চৰকাৰৰ নীতি। পাঁচ হেজাৰ টকা ঋণ দি চৰকাৰে কাকো উদ্যোগ গঢ়িবলৈ দিব নোৱাৰে। সেয়ে এই নীতি পৰিহাৰ কৰিব লাগে। আৰু নতুন নীতি লব লাগে ; নহলে আগ নাবাঢ়ে। উদ্যোগ গঢ়িবলৈ হলে মূলধন বৃদ্ধি কৰিব লাগে। তেতিয়াহে আমি ৰুগ্ন উদ্যোগবিলাক জীয়াই ৰাখিব পাৰিম। কৰ সংগ্ৰহৰ ক্ষেত্ৰত নিশ্চয় কিছুমান কথাই জনসাধাৰণক চুই যায়। যেনে : চাবোন— এইটো সৰ্বসাধাৰণ মানুহে ব্যৱহাৰ কৰা বস্তু। মাননীয় মুখ্যমন্ত্ৰীয়ে সৰ্বসাধাৰণে ব্যৱহাৰ কৰা বস্তুৰ ওপৰত কৰ ৰেহাই দিছে সেইটো আমি ভাল পাইছো। মূলধন বৃদ্ধি হলে দেশত সম্পদ সৃষ্টি কৰিব পাৰে আৰু তেতিয়াহলে অসম স্বাৱলম্বীৰ পথত আগবাঢ়ি যাব পাৰিব। আমাৰ মাননীয় সদস্য শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াৰ লগতে সুৰ মিলাই কওঁ যে স্বাধীন অসমৰ দাবীৰ যুদ্ধ আজিৰে পৰা পৰিহাৰ কৰিবলৈ এই পবিত্ৰ সদনৰ যোগেদি অসমৰ যুৱক সকললৈ আহ্বান জনালো। অতি সোনকালে আলোচনা কৰি শান্তিৰ পৰিবেশ সৃষ্টি কৰক। ১৯৯১ চনৰ পৰা আজিলৈকে প্ৰায় ৪৪০ কোটি টকা চিকিউৰিটি ৰিলেটিদ এক্সপেণ্ডিচাৰত খৰচ হৈছে। যিকোনো পৰিস্থিতিৰ সঠিকভাৱে সন্মুখীন হব পাৰিলে অসম আগবাঢ়ি যাব পাৰিব। অসমৰ সকলো যুৱক-যুৱতীকে সকলো সমস্যা আলোচনাৰ মাধ্যমেদি সমাধান কৰিবৰ কাৰণে আবেদন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Deputy Speaker** : Now, I call upon Shri A.B.S. Jotdar to Speak.

**শ্ৰীএ, বি, এচ, জোদ্দাৰ :** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৪ মাৰ্চ তাৰিখে এই পবিত্ৰ সদনত বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিলে তাৰ ওপৰত দুআষাৰ কবলৈ ওলাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমি জানো যে

প্ৰতি বিত্তীয় বছৰৰ কাৰণে এখন ৰাজ্য বা চৰকাৰৰ দায়িত্বত থকা সকলে সেই বিত্তীয় বছৰত কি কৰিব তাৰ এটা স্পষ্ট নীতি বা ধাৰণাৰ প্ৰতিফলন কৰে। কিন্তু উপাধ্যক্ষ মহোদয়, ১৪ মাৰ্চ তাৰিখে যেতিয়া আমাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীয়ে সদনত বাজেটখন পঢ়ি শুনালে তাৰ লগে লগে এবাৰ পঢ়ি চালো। ঘৰতো কেবাবাৰো পঢ়িলো। কিন্তু অসমৰ যিবিলাক বৰ্ত্তমান জ্বলন্ত সমস্যা সেই সমস্যা সমাধানৰ কোনো বিষয় এইখন বাজেটত বৰ্তমান নাপালো। উপাধ্যক্ষ মহোদয়, এই পাঁচ দলীয় মৰ্চা চৰকাৰৰ পৰা অসমৰ জনসাধাৰণে বহুতো কিবা আশা কৰিছিল। কিন্তু আজি আমি দেখিছো এই বাজেটখনে জনসাধাৰণৰ সমস্ত আশা-আকাংখা ধূলিস্যাত কৰিলে আৰু আমাৰ জনসাধাৰণক প্ৰতাৰণা কৰিছে। ইতিমধ্যে আমাৰ দলৰ পক্ষৰ পৰা লগতে চৰকাৰৰ সমৰ্থনক সদস্যসকলে আজি চৰকাৰৰ যিটো কৰ নীতি সেই কৰ নীতিক সমালোচনা কৰিছে। কৰৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰীৰ যিটো বক্তব্য সেই বক্তব্যত আমি দেখিছো তেখেতে ভাত কৈছে যে সৰ্বসাধাৰণ ৰাইজৰ প্ৰয়োজনীয় সামগ্ৰীৰ বাহিৰে বাকী সামগ্ৰীৰ ওপৰত কৰ আৰোপ কৰা হৈছে। অন্য সামগ্ৰীত নাই বুলিয়েই কব পাৰি। মই অন্য সামগ্ৰীৰ ওপৰত কৰ আৰোপ কৰি কৰৰ বোজা সৰ্বসাধাৰণ ৰাইজৰ ওপৰত জাপি দিব বিচৰা নাই। উপাধ্যক্ষ মহোদয়, দেখা গৈছে যে যিবিলাক বস্তুৰ ওপৰত কৰ বহুৱা হৈছে, আজি সদনৰ প্ৰত্যেকজন সদস্যই স্বীকাৰ কৰিছে সেই বস্তুখিনি আজি সৰ্বসাধাৰণ ৰাইজৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী। চাবোন, ডিটাৰজেন্ট পাউদাৰ, ডাঢ়ি-চুলি কটা সামগ্ৰী। এই প্ৰতিটো বস্তুৱে জনসাধাৰণৰ প্ৰয়োজনীয় সামগ্ৰী। ইয়ে প্ৰমাণ কৰে এইখন এখন ত্ৰুটিপূৰ্ণ বাজেট। এই বাজেট দুৰ্বল শ্ৰেণী আৰু দুখীয়া শ্ৰেণীৰ বিৰোধী বাজেট। সেইদিনা আমাৰ দলৰ ডাঃ অৰ্ধেন্দু দেই এটা কথা কৈছিল এই বাজেটখন তাৰেই প্ৰতিফলন। শাসক দলৰ কেবাজনেও কিছুমান কতুক্তি কৰিছে। তেওঁলোকে কৈছে যে বাজেটখন অভিজ্ঞ লোকৰ দ্বাৰা প্ৰস্তুত কৰিছে যিসকল অভিজ্ঞ লোকে এই বাজেটখন প্ৰস্তুত কৰিছে তেওঁলোকৰ জনসাধাৰণৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত্ত কোনো

ধাৰণা নাই। এই বাজেটখন এখন জমা খৰচ হে। এই বাজেট-খন চতুৰ্থ শ্ৰেণীৰ জমা খৰচ বুলি কব পাৰি। এই বাজেটখন এই বিধান সভাত দাখিল নকৰি চতুৰ্থ শ্ৰেণীৰ যিটো পাঠ্যক্ৰম আছে সেই পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰ কাৰণে প্ৰেৰণ কৰা উচিত আছিল।

উপাধ্যক্ষ মহোদয়, আজি অসমৰ যিটো জ্বলন্ত সমস্যা সেইটো হৈছে নিবনুৱা সমস্যা। এই নিবনুৱা সমস্যা সমাধানৰ কোনো কথা ইয়াত উল্লেখ নাই। শিক্ষকসকলৰ কোনো কথা ইয়াত উল্লেখ নাই। বিত্ত মন্ত্ৰীয়ে কেৱল কেন্দ্ৰীয় চৰকাৰে আৰু প্ৰধান মন্ত্ৰীয়ে আশ্বাস দিছে বুলি উল্লেখ কৰিছে। এইখন বাজেটত আন একো উল্লেখ নাই। উপাধ্যক্ষ মহোদয়, যোৱা নিৰ্বাচনত অ, গ, প, দলে নিৰ্বাচনী প্ৰতিশ্ৰুতি দিছিল যে দুখীয়া জনসাধাৰণক দুটকীয়া চাউল দিয়া হ'ব, ৰুগ্ন হৈ পৰা উদ্যোগ সমূহক পুনৰুজ্জীৱিত কৰাৰ কাৰণে ব্যৱস্থা লোৱা হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, এই বিধান সভা পৱিত্ৰ সদনতে মুখ্যমন্ত্ৰীয়ে কৈছে যে অসমৰ আইন শৃংখলাৰ অৱনতি আৰু অস্থিৰ অৱস্থাৰ কাৰণে বাহিৰৰ উদ্যোগ পতি অসমত উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি নাহে। যোৱা ৪ ডিচেম্বৰত উদ্যোগ মন্ত্ৰীয়ে কৈছিল যে অসমৰ ছয়টা উদ্যোগ যুটীয়া খণ্ডলৈ হস্তান্তৰ কৰা হ'ব। কিন্তু সেই কথাবিলাক এই বাজেটত উত্থাপন বা প্ৰতিফলিত ন'হল। বাহিৰৰ উদ্যোগপতি-সকল যদি উদ্যোগ স্থাপন কৰিবলৈ নাহে, অসমৰ নিবনুৱা সমস্যা সমাধান সম্ভৱ নহয়। আমাৰ যিখিনি মৃতপ্ৰায় উদ্যোগ আছে সেইখিনি যদি আমি পুনৰুজ্জীৱিত কৰিব নোৱাৰো তেনেহলে নিবনুৱা সমস্যা সমাধান নহয়। আনহাতে আমাৰ নিবনুৱা সমস্যা দিনে দিনে বাঢ়ি গৈ আছে। উদ্যোগসমূহ যদি বন্ধ হৈ যায় নিবনুৱা সমস্যা সমাধানৰ কোনো পথ নাই। উপাধ্যক্ষ মহোদয়, আজি এই ছয়টা উদ্যোগৰ বনুৱাসকলে ২২ মাহ দৰ্মহা পোৱা নাই। চিকিৎসাৰ অভাৱত শ্ৰমিকৰ মৃত্যু হৈছে। এই বাজেট শ্ৰমিক বিৰোধী বাজেট বুলি কব পাৰি। উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাজ্যপাল ডাঙৰীয়াই চৰ অঞ্চলৰ সৰ্বাঙ্গীণ উন্নতিৰ কথা

কৈছিল। শাসক দলৰ সদস্য এজনে কৈছিল যে টকা বঢ়োৱা হৈছে। বাজেটৰ ওপৰত বক্তব্য ৰাখিছে। ১ কোটি ১০ লাখ টকা চৰ অঞ্চলৰ বাবে ধাৰ্য্য কৰা হৈছে। আমি জানো যে ১ কোটি ১০ লাখ টকাৰ প্ৰায় ৭0 লাখ টকাৰ কৰ্মচাৰী সকলক দৰ্মহা দিওঁতে খৰচ হ'ব। আৰু আন কাম কৰিবলৈ টকা নাথাকিব। আজি ৰাজ্যপাল ডাঙৰীয়াৰ ভাষাত কৈছে যে চৰ অঞ্চলত শিক্ষা, যাতায়ত, চিকিৎসা, খোৱা পানী আদিৰ ব্যৱস্থা কৰা হ'ব। উপাধ্যক্ষ মহোদয়, এটা দমকল বহুৱালে ৬ পৰা ৭ হেজাৰ টকা লাগে। আজি ৰাজ্য চৰকাৰৰ উপযুক্ত গ্ৰান্টৰ অভাৱত টকা ঘূৰি যাবলগীয়া হৈছে। গতিকে মই কব বিচাৰিছো এই বাজেটখন শ্ৰমিক বিৰোধী বাজেট। তাৰোপৰি স্বনিয়োজনৰ কথা কৈছে। আমাৰ দিছপুৰ লাষ্ট গেটত ঠিকাদাৰ সকলে ধৰ্ণা দিয়া দেখিছিলো। ঠিকাদাৰসকলে প্ৰায় ১ হেজাৰ কোটি টকা পাবলগীয়া আছে। যোৱা নিৰ্বাচনৰ আগতে পৰিকল্পনা কাৰ্য্যসূচীৰ অধীনত যিখিনি কাম কৰা হ'ল, ৰাস্তা, দলং নিৰ্মাণ কৰা হ'ল সেই টকা ঠিকাদাৰ সকলক দিয়াৰ কোনো ব্যৱস্থা এই বাজেটত উল্লেখ কৰা নহ'ল। এইখন বাজেট শ্ৰমিক বিৰোধী বাজেট বুলি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Deputy Speaker : Now, I call upon Shri Derhagra Mushahary to speak.

শ্ৰীদেৰহাগ্ৰা মুছাহাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ আলোচনাৰ ওপৰত মই কিছুমান ক্ষেত্ৰত অৱশ্যে সমৰ্থন কৰিম আৰু কিছুমান ক্ষেত্ৰত সমৰ্থন কৰিব নোৱাৰো। কাৰণ অৱশ্যে কিছুমান আছে। মই কব বিচাৰিছো যে জনজাতীয় সকলৰ উন্নয়নৰ কাৰণে পিচপৰা জাতিৰ উন্নতিৰ কাৰণে অলপ মোটা ধন ধৰি দিয়া ভাল আছিল। বি-এ-চিৰ কাৰণে যোৱা ডিচেম্বৰ মাহত যিখিনি টকা ধৰিছিল তিনি মাহৰ কাৰণে ধৰা টকাতকৈ এতিয়া কম টকাহে ধৰা হৈছে। লালুং অট' নোমাচ কাউন্সিল, ৰাভা হাচং অট' নোমাচ কাউন্সিল আৰু মিচিং অট' নোমাচ কাউন্সিলৰ দ্বাৰা তেওঁবিলাক পিচপৰা কাৰণে তেওঁলোকৰ সামাজিক অৰ্থনৈতিক অনগ্ৰসৰতা

কাৰণে কাউন্সিল দিয়া হৈছে আৰু সেই বাবেই তেওঁলোকৰ উন্নতিৰ কাৰণে অলপ বেছি ধন ধৰিব লাগিছিল। লগতে এটা কথা কব বিচাৰিছো যে যিবিলাক বিভাগলৈ এই ধন ধাৰ্য্য কৰা হয় সেই ধন কি ভাবে ব্যৱহাৰ হয় সেইটো আমি সকলোৱে জানো। প্ৰত্যেক বছৰে ধন আবণ্টন দিয়া হয়, খৰচো কৰা হয় কিন্তু কেনে ভাবে খৰচ কৰা হয় তালৈ চালে দেখা যায় যে কোনো লাভজনক কামত খৰচ কৰা নহয়। সকলো বিলাক কামতে আমাৰ অভিযোগ আছে। প্ৰায় বিলাক অনৰ্থক যায়। বিশেষকৈ কব বিচাৰিছো জনজাতীয় সকলৰ উন্নতিৰ কাৰণে তিনিটা বিভাগ আছে ডিৰেক্টৰেট লেভেলত। এ-টি-ডি-এ, কৰপোৰেশ্যন আৰু ট্ৰাইবেল ওৱেলফেয়াৰ অফিচ। অথচ আমি জানিবলৈ পাইছো এই তিনিওটা বিভাগৰ পৰা জনজাতীয় সকলৰ কোনো লাভা লাভ হোৱা নাই। এই তিনিওটা বিভাগৰ জৰিয়তে যিমান খিনি ধন জনজাতীয় সকলৰ উন্নতিৰ কাৰণে আবণ্টন কৰা হয় সেই বিলাক আচলতে কামত লগা নাই। আজিলৈকে কোনেও কব নোৱাৰিব যে এই তিনিটা বিভাগৰ টকাৰে জনজাতীয় সকলৰ উন্নতিৰ কাৰণে কিবা কাম হৈছে বুলি।

উপাধ্যক্ষ মহোদয়, ইয়াৰ লগতে কেইটামান বিভাগ আছে। মই কবলৈ গলে একো কাম নোহোৱা বিভাগ। ফৰেষ্ট বিভাগটোৰ পৰা কিবা লাভা-লাভ হৈছে জানো? ফৰেষ্ট বিভাগত যিমান টকা নধৰক কিয় একো কাম এই বিভাগে কৰিব পৰা নাই। আচলতে তেওঁলোকৰ আচনিবোৰেই ভুল। ইয়াৰ লগতে মই কব খুজিছোঁ। ডি, আৰ. ডি এ বুলি যিটো বিভাগ আছে সেই বিভাগটোতে বেছি টকা দিয়া আছে নানান উন্নয়নমূলক কামৰ বাবে। এই বিভাগটোৱেই গোটেই বিলাক বিভাগৰ কাম অলপ অলপ কৈ কৰি আছে। কিন্তু এই বিভাগটোত টেকনিকেল মানুহ কম। টেকনিকেল মানুহ নথকাৰ কাৰণে ডি. আ, ডি, এৰ বহুতো আচনি বা স্কীমৰ টকা অপচয় হয়। ৰাস্তা ঘাট বা জলসিঞ্চন আদিৰ কোনো এটা প্ৰজেক্ট আজিলৈকে সম্পূৰ্ণভাবে কৰিব পৰা নাই। ইয়াৰ ফলত এক কোটি খৰছ কৰি কৰিব পৰা কামটোত ১০ লাখ মান টকাৰহে কাম হয়। ঠিক তেনে ধৰণে আমি আজি বাজেট

আলোচনাৰ সময়ত দেখা পাইছো যে বহু টকা এই বিভাগত আবণ্টন দিয়া হৈছে কিন্তু আমি যদি কাম কৰাৰ ক্ষেত্ৰত আৰু খৰচ কৰাৰ ক্ষেত্ৰত কোনো উন্নত ধৰণৰ আঁচনি লব নোৱাৰো আৰু আন্তৰিকতাৰে সৈতে কাম কৰিব নোৱাৰোঁ তেন্তে কোনো ধৰণৰ মঙ্গলজনক কাম আমি দেশৰ কাৰণে কৰিব নোৱাৰিম। আৰু আমাৰ ঘাটি বাজেট সদায়ে ঘাটি বাজেট হৈয়ে থাকিব। কোনো দিনেই আমি চাৰপ্লাচ্ বাজেট পাব নোৱাৰিম। আজি আমাৰ অসমৰ জলবায়ুৰ অৱনতি ঘটিছে। এই ক্ষেত্ৰত অসমৰ জল-বায়ু ৰক্ষণাবেক্ষণ কৰাৰ কাৰণে আমাৰ বনজ সম্পদ অতি মূল্যৱান। সেয়ে এই ক্ষেত্ৰত যিখিনি ধন আবণ্টন দিয়া হয় সেই ধনৰ দ্বাৰা কিবা লাভজনক কাম কৰিব লাগে। যেনে আজি ৰাস্তাৰ কাষে কাষে যি গছ গছনি ৰোৱা হয় এই গছ সাধাৰণ অন্য গছ নলগাই তাৰ সলনি ৰবাৰ গছ লগাব পাৰি। তেতিয়া আনে কাটিও নিনিয়ে কাৰণ এই গছ অন্য কামত নাহে। কিন্তু ইয়াৰ দ্বাৰা ৰবাৰ উৎপাদন কৰিব পৰা হব, ইয়াৰ গুটি ৰস আদিও পাব পৰা যাব আৰু ৰবাৰ গছৰ দ্বাৰা আমাৰ আৱহাওৱাও ৰক্ষণা-বেক্ষণ কৰিব পৰা যাব। লগতে আন এডুকেটেড্ আন এমপ্লইড ইউথ্ সকলো ইয়াৰ দ্বাৰা লাভবান হব পৰা আঁচনি চৰকাৰে লব পাৰিব। ইয়াৰ দ্বাৰা আমাৰ বহু লাভ হব বুলি মই আশা কৰিছো। জলবায়ু ৰক্ষণাবেক্ষণ হোৱাৰ উপৰিও বহু লাভ-জনক উদ্যোগৰ আচনি ইয়াৰ দ্বাৰা লব পৰা যাব। সময় কম কাৰণে কিছুমান এৰি এৰি কথা কবলগীয়া হৈছে। আমাৰ উত্তৰ ভাৰতৰ ভূটান সীমান্ত অঞ্চল আৰু পূব পশ্চিমে ৰাস্তা যদি তৈয়াৰ কৰিব পাৰে তেতিয়াহলে সেই ৰাস্তাৰ ওপৰত আৰু আশে পাশে আমি যি বনাঞ্চল দেখিছোঁ তাত কি কি পোৱা যায় আমি নাজানো। গতিকে এইবোৰ ঠাইত বেপাৰ বাণিজ্য কৰিবৰ হলে ৰাস্তা ঘাট আদি হলেহে আমি জানিব পাৰিম আমাৰ কাৰণে সুচল হব। ইয়াৰ লগতে আমাৰ যি ৰাষ্ট্ৰীয় ঘাই পথ আছে তাত যিটো ভীৰ হয় সেইটোও ইয়াৰ দ্বাৰা কমি যাব আৰু অতি পিচপৰা অঞ্চল বিলাকৰ উন্নতিৰ কাৰণে সহায়ক হব। মই কব

1997

খুজিছোঁ। যিমান ধন আবণ্টন কৰিছে তাৰ পৰা যদি লাভজনক কাম কৰিব পৰা যায় তেন্তে বাজেটৰ ঘাটি বহু কমাব পৰা যাব। টেক্সৰ কথাত মই বৰ বেছি নকওঁ কাৰণ টেক্স লগালে আমাৰ দেশৰ বহু ৰাজহ বাঢ়িব। মই প্ৰথমেই কওঁ প্ৰাকৃতিক সৌন্দৰ্য্য আমি ভাল পাওঁ। আমাৰ অতি পিচপৰা ভিতৰুৱা অঞ্চলবিলাক চাবোনৰ সলনি মানুহে এবিধ আলতীয়া মাটি ঘহি বহু বছৰ ধৰি জীৱন যাপন কৰি আহিছে। সেই আলতীয়া মাটিৰ পৰিৱৰ্ত্তে এতিয়া কোনোমতে চাবোন ব্যৱহাৰ কৰিবলৈ লৈছে মাত্ৰ। কিন্তু আজি চাবোনৰ ওপৰত কৰ বঢ়াবৰ কাৰণে চাবোন বৰ্জন কৰিবলগীয়া অৱস্থা হৈছে। সেই কাৰণে সৌন্দৰ্য্য বঢ়াবৰ কাৰণে চাফচিকুণ হবলৈ চাবোনৰ আৱশ্যক। কিন্তু চাবোনৰ ওপৰত যিটো কৰ লগাইছে সেইটো অন্ততঃ ৰাদ দিব বুলি আশা কৰিছোঁ। ইয়াৰ লগতে লেডাৰৰ চুটকেছত কৰ লগাইছে। আজিকালি আৰু আগৰ টিণৰ চুটকেছ পাবলৈ নাই। অতি গৰীৱ হলেও আজিকালি লেডাৰৰ চুটকেছহে ব্যৱহাৰ কৰা দেখা যায়। ভি, আই, পি চুটকেছ ধনী সকলেহে ব্যৱহাৰ কৰে। সেই কাৰণে মই কব বিচাৰিছোঁ যে ভি, আই, পি চুটকেছৰ ওপৰতহে কৰটো লগাব লাগে। মই আৰু বেছি নকওঁ যি খিনি আবণ্টিত ধন সেই খিনি যাতে ভালদৰে ব্যৱহাৰ কৰা হয় আৰু য'ত টেকনিকেল মানুহৰ প্ৰয়োজন বা এক্সপাৰ্টৰ প্ৰয়োজন বিভিন্ন বিভাগত যিবোৰ আচনি লোৱা হয় সেইবোৰ যাতে সুচাৰুৰূপে কৰিব পৰা যায় সেইটো চৰকাৰে চকু দিব লাগিব। এইখিনিকে কৈ মই মোৰ বাজেট বক্তৃতাৰ সমৰ্থনত বক্তব্য ৰাখি আলোচনা সামৰণী মাৰিলো।

(Mr. Deputy Speaker vacated his chair and Mr. Speaker occupied it.

**Mr. Speaker :** Now, I request Hon'ble Member Shri Atul Bora to speak.

* **শ্ৰীঅতুল বৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তীয় বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহন্তদেৱে গতানুগতিকতাৰ পৰা ফালৰি

---

* Speech not corrected

কাটি আহি ১৯৯৭-৯৮ চনৰ কাৰণে যিখন বাজেট সদনত উত্থাপন কৰিছে, সেই বাজেখটনৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। বিগত ৫০ বছৰ পিছৰ সময়ছোৱাত যিবিলাক ৰাজনৈতিক দলে ৰাজ্যখন শাসন কৰিছিল সেই ৰাজনীতিবিদ সকলৰ দূৰদৰ্শিতাৰ অভাৱৰ কাৰণে আজি আমাৰ ৰাজ্যখনত আয় বৃদ্ধি আৰু সম্পদ বৃদ্ধিৰ বাবে কোনো ব্যৱস্থা হাতত লব নোৱাৰিলে। ৰাজ্যখনৰ সম্পদ আহৰণ আৰু বিকাশৰ বাবে আৰু সম্পদ উৎপাদন আৰু উৎপাদিত সামগ্ৰীৰ বজাৰ সৃষ্টি কৰিবৰ কাৰণে সমগ্ৰ অৰ্থনৈতিক ব্যৱস্থাটোৱেই ফোপোলা হৈ পৰিছে। সম্পদ বঢ়োৱাৰ কাৰণে আনহে নালাগে ১৯৯০-৯১ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা যি নীতি সেই অৰ্থনৈতিক নীকা সংস্কাৰ নকৰাৰ ফলত ৰাজ্যখনত ধনী সকল অধিক ধনী হল আৰু দুখীয়া সকল অধিক দুখীয়া হৈ পৰিল। মাননীয় বিত্তীয় মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰিছে। প্ৰকৃতাৰ্থত অসমখন সীমামুৰীয়া ৰাজ্য হোৱা কাৰণে দেশৰ নিৰাপত্তাৰ কথা দোহাই দি উত্তৰ পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ গাঠনিৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। ইয়াৰ ফলত কোনো বাহিৰৰ উদ্যোগপতিয়ে অসমত উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি নাহিল। ফলত উদ্যোগৰ ক্ষেত্ৰত গোটেই দেশখনেই নিশকতীয়া হৈ পৰিল। এই বাজেটত উদ্যোগ বিনিয়োগৰ জৰিয়তে আৰু সম্পদ আহৰণৰ জৰিয়তে ৰাজ্যখনত অৰ্থনীতি বৃদ্ধি কৰাৰ বাবে এটা পৰিবেশ সৃষ্টি কৰিব বিচাৰিছে। এইবাৰ বাজেটৰ বিশাল মাটিয়েই আমাৰ অৰ্থনৈতিক অৰাজকতাকে সূচাইছে। আমাৰ চৰকাৰে ৯ মহীয়া শাসনৰ অৰ্থনীতি কুচ-কাৱাজৰ ফল নহয়। এইটো প্ৰণালী বদ্ধভাৱে উত্তৰাধিকাৰীভাৱে আমাৰ চৰকাৰে পোৱা বাস্তৱ ৰূপ। আমাৰ চৰকাৰৰ হাতত সম্পদ আহৰণৰ ক্ষেত্ৰত কোনো চুম্বম্যাদী প্ৰস্তাৱ নাই। আমাৰ অৰ্থনীতি আৰু ৰাজহ সংগ্ৰহৰ পৰিধি সীমিত। সেয়ে গতানুগতিকভাৱে বাজেট প্ৰস্তুত কৰি ভৱিষ্যত প্ৰজন্মক পঙ্গু কৰিব বিচৰা ব্যৱস্থা বাজেটত নাই। থিক তেনেকৈ অৰ্থনৈতিক গতিশীল কৰাৰ আমি পক্ষপাতি। সেইবাবেই আমাৰ চৰকাৰে বৰ্ত্তমান আৰ্থিক ভাৰসাম্য কেনেকৈ ৰক্ষা কৰিব পাৰি

তাৰ ওপৰত চৰকাৰে গুৰুত্ব দিছে। যাঠিৰ দশকত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ৰয়েলিটি বৃদ্ধি কৰি এটা উদ্যোগ স্থাপনৰ বাবে গুৰুত্ব উপলব্ধি কৰিছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অমনোযোগিতাৰ বাবেই কৰিব পৰা নগ'ল। সময় কম হোৱাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিছিলে তাক সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Speaker :** I have only five minutes time. This goes to Smti. Rupam Kurmi.

**শ্ৰীমতী ৰূপম কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৪ তাৰিখে বিত্তীয় বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে সদনত যি ৬৩৮ কোটি টকা ঘাটি বাজেট উত্থাপন কৰিলে, এই বাজেটৰ প্ৰতি প্ৰতিবাদ জনাই মই কেইটামান কথা কব খুজিছো। অধ্যক্ষ মহোদয়, এই বাজেটখন এন টি ওমেন বাজেট বুলি মই ঘোষণা কৰিছো। আমাৰ দলৰ মাননীয় সদস্য সকলে ইতিমধ্যে পুংখানুপুংখ ভাৱে গোটেই কথাখিনিৰ তেওঁলোকে প্ৰতিবাদ জনাই আহিছে। মই মহিলাৰ ওপৰত চমুকৈ কব বিচাৰো। অধ্যক্ষ মহোদয়, দেখা গৈছে মহিলা সকলে দোক-মোকালিতে উঠি হাতত কাপোৰ আৰু চাবোন এটুকুৰা লৈ যিসকল মহিলাই পুখুৰীলৈ গা ধুবলৈ যায়, সেই মহিলাসকলৰ হাতত লোৱা চাবোন টুকুৰাৰ ওপৰত কৰ লগোৱা হৈছে। গতিকে ইয়াৰ ফলত দেখা গ'ল কৰ বঢ়োৱাৰ ফলত অসমবাসীৰ সকলো মহিলা ধনী দুখীয়া আনকি দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা মহিলা সকলো বাদ যোৱা নাই। সকলোকে চুই গৈছে। আকৌ দেখা গৈছে মহিলাসকলে ব্যৱহাৰ কৰা কচমেটিক সামগ্ৰীৰ ওপৰতো কৰ লগাইছে। আনকি দামী বস্তুৰ কথা নকওঁৱেই। মহিলা সকলে সৌন্দৰ্য্য বঢ়াবৰ কাৰণে যি ফুট বা বিন্দী লয়, এই বিন্দীৰ ওপৰতো কৰ বঢ়াইছে। অধ্যক্ষ মহোদয়, অন্ততঃ যিখিনি অত্যন্ত আৱশ্যকীয় সামগ্ৰী যেনে—ইমিটেচন গোল্ড সাধাৰণতে দুখীয়া মানুহে সোণৰ পৰিবৰ্ত্তে ব্যৱহাৰ কৰে। তাৰ ওপৰতো বিত্তমন্ত্ৰী মহোদয়ে কৰ বঢ়াইছে। যাৰ ফলত হয়তো আমাৰ মহিলাসকলে অলঙ্কাৰ ব্যৱহাৰ কৰিব নোৱাৰা হব। মঙ্গল সূত্ৰৰ দাম বঢ়াৰ ফলত মহিলাসকলে

মঙ্গলসূত্র ব্যৱহাৰ কৰিব নোৱাৰিব। তাৰ ওপৰিও মছলা আদি অত্যাৱশ্যকীয় সামগ্ৰী আৰু পুৰুষে ব্যৱহাৰ কৰা দাড়ি খুৰোৱা ব্লেড ইত্যাদিৰ কাম বঢ়াইছে। গতিকে আমি চমুকৈ কব বিচাৰিছো যে চৰকাৰে আমাৰ কথা কিমান চিন্তা কৰিছে যে মহিলা সকলে ব্যৱহাৰ কৰা নেপকিন আদিৰো দাম বঢ়াইছে। অন্তত: চাহ বাগানত কাম কৰা ৪০ লাখ চাহ শ্ৰমিকে বাগিছাত কাম কৰি দৈনিক মজুৰীৰ ওপৰতে জীয়াই থাকিব লাগে। তেওঁলোকৰ কাৰণে এই সামগ্ৰীসমূহৰ কাৰণে তেওঁলোকৰ ওপৰত ৰেহাই দিলে গৰীব ভাই-ভনী সকল, চাহ বাগানৰ মহিলাসকল আৰু যাৰ একো ইনকাম নাই সেই সকলে ৰেহাই পাব। ইয়াৰ লগতে কব খুজিছো লেডাৰৰ চুটকেচৰ ওপৰতো দাম বঢ়াইছে আৰু আমাৰ হৰিজন ভাই সকলে প্লাষ্টিকৰ চেণ্ডেল কিনি ব্যৱহাৰ কৰে। এইবিলাক সামগ্ৰীৰ ওপৰত কৰ লগোৱাৰ বাবে তেওঁলোকে এই সামগ্ৰীসমূহ ব্যৱহাৰ কৰাত অপাৰগ হব। মুখ্যমন্ত্ৰী মহোদয়ে ঠিকাদাৰ সংগঠনে যি দাবী তুলি আজি লাষ্ট গেটত যি ধৰ্ণা দি আছে সেইসকলৰ কাৰণে বাজেটত ধন ধৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ টি গাৰ্ডেনৰ এডুকেশ্বন চেল আছে, এই চেলৰ চল্লিশ লাখ শ্ৰমিক শিক্ষাৰ ক্ষেত্ৰত আগুৱাই লৈ যাবলৈ পদক্ষেপ লোৱা দেখা নগল। পঞ্চাশ বছৰ পিচত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত শিক্ষাৰ ক্ষেত্ৰত তেখেতসকলক অগ্ৰাধিকাৰ দিয়া নাই, দিব বুলি মই আশা কৰিছো। শিক্ষকসকলে যি ধৰ্মঘট কৰি আছে, তেখেত সকলৰ যি পইচা পাবলগীয়া আছে সেই পইচা দিয়াৰ ব্যৱস্থা কৰিবনে? তেখেত সকলৰ প্ৰাপ্য দিয়াৰ ব্যৱস্থা কৰিলে শিক্ষাৰ মানদণ্ড আগুৱাই লৈ যাব পাৰিব। বৃহৎ চাহ বাগিছাসমূহৰ ক্ষেত্ৰত প্ৰতি কেজি চাহত আগতে কৰ আছিল ১৮ পইচা, সেই কৰ বৃদ্ধি কৰি এতিয়া কৰা হৈছে ৩০ পইচা। ইয়াৰ দ্বাৰা চল্লিশ লাখ শ্ৰমিকক অন্ধকাৰলৈ ঠেলি দিয়া হৈছে। ত্ৰিশ পইচা বঢ়োৱাৰ পিচত বাগিছা শ্ৰমিকৰ কল্যান মূলক কাম কৰিবলৈ বাগিছাৰ পৰিচালকে আগবাঢ়িবলৈ নেযায়। বাগিছাৰ যি ঘৰ-দুৱাৰ ৰিপেয়াৰিং আদি কাম বিলাক একো নহব। কৃষিৰ ক্ষেত্ৰত ৰাজহ বঢ়াই দিয়া হৈছে। সকলো

ক্ষেত্ৰতে কৰ বঢ়োৱাটো ঠিক হোৱা নাই। এই খিনি কৈ মই বাজেটৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** I now request the Hon'ble Chief Minister to reply on the Budget.

**Shri Prafulla Kumar Mahanta** (Chief Minister) : The revenue of States only come from royalty and sales tax, Between 1981-82 and 1989-90, the cumulative earning of the Central Government amounted to more than Rs. 48,000/- crores, leaving aside the substantial retained earnings of the oil companies, while the earning of Assam and Gujrat together from royalty and sales tax during the corresponding period was a paltray Rs, 4300/- crores. A gap of around Rs, 2000 crores between the Central Government and Assam and Gujrat earning from ill revenue in 1981-82 has gone up today to nearly Rs. 9000 crores within a span of 9 years.

We strongly feel that the special situation in the State also the chronic backwardness of the area must be borne in mind and the sharing of oil-based revenue be placed on are equitable footing without any further delay.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৭-৯৮ চনৰ অৰ্থাৎ এই বছৰৰ ১৪ মাৰ্চ তাৰিখে আমাৰ বাজেট উত্থাপন কৰা হৈছে। এই বাজেট সম্পৰ্কত যোৱা এমুৱেল ফাইনেনচিয়েল ষ্টেটমেণ্ট সম্পৰ্কে কবলৈ বিচাৰিছো। আৰম্ভণিতে শ্ৰীদত্ত ডাঙৰীয়া আৰু শ্ৰীমতী কুৰ্ম্মী ডাঙৰিয়ানীৰ লগতে মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শৰ বাবে তেখেত সকলক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

---

* Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, বাজেটত বিত্তীয় প্ৰাক্ কলন বিচৰা হৈছে। কিছুমান মাননীয় সদস্যই জমা খৰচৰ হিচাবৰ কথা কৈছিল, মই জমা খৰচৰ কোনো কাৰণ বিচাৰি পোৱা নাই। এনুৱেল ফাইনে্ন-চিয়েল ষ্টেট্মেন্ট সম্পৰ্কে মই আগতে এনেকুৱাকৈ কৈছো—১৯৯৬ চনৰ ১৯৯৬-৯৭ চনৰ বিত্তীয় বাজেট উত্থাপন কৰাৰ সময়ত যিটো কৰা হৈছিল বৰ্ত্তমান চৰকাৰে তাৰ ওপৰত গুৰুত্ব দিব, সেই বিলাক পুনৰ উল্লেখ কৰা নহয়। ১৯৯৬-৯৭ চনৰ বাজেট প্ৰাক্ কলন মতে ঘাটি আছিল ৭৬৬.২ শ কোটি টকা। ১৯৯৮ চনৰ বাজেট প্ৰাক্ কলন ৬৩৬'৫৮ কোটি টকা ঘাটি হব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, বাজেট সম্পৰ্কে বিভিন্ন সমালোচনা কৰা হৈছে। কিন্তু আমি স্পষ্ট ভাবে কওঁ যে অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে এইখন বাজেট সদনত উত্থাপন কৰা হৈছে। এই বাজেট প্ৰস্তুতৰ ভিত্তিত কি বিষয়ৰ ওপৰত ব্যৱস্থা হাতত লোৱা হৈছে, ৰাজ্যখনৰ কি ধৰণে উন্নতি কৰিব পৰা যাব এই বিষয়ে আলোচনা কৰা হৈছে। চৰকাৰে সকলো বিশেষ বিশেষ সমস্যা সম্পৰ্কে আলোচনা কৰি কৈছো, এইটো মই আগতেই কৈছো। বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদক ইতিমধ্যে ৩৮.৩৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। মিছিং স্বায়ত্ব শাসিত পৰিষদলৈ ১৫.৮১ কোটি টকা, স্বায়ত্ব শাসিত পৰিষদলৈ ৫'৮৪ কোটি টকা, লালুং স্বায়ত্ব শাসিত পৰিষদলৈ ২.৭৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। অনুসূচিত জাতি আৰু জনজাতি কল্যানৰ বাবে ১৯৯৭-৯৮ চনৰ বাৰ্ষিক পৰিকল্পনা ধন ৮৮.৬৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। চৰ অঞ্চলৰ কাৰণে ১.১০ কোটি টকা ধাৰ্য্য কৰা হৈছে। আগতে বিত্তীয় নিগম গঠন হোৱা নাছিল, ৰেজিষ্ট্ৰেচন হোৱা নাছিল। এই ক্ষেত্ৰত পা কোটি টকা ধাৰ্য্য কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ বিভিন্ন কাৰ্য্যসূচী আছে। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ৩১৪৫ খন নিম্ন বুনিয়াদী বিদ্যাল এই আচনিত সামৰি লব। দুই লাখ পাচ হেজাৰ ছাত্ৰ-ছাত্ৰী আচনিত উপকৃত হব পাৰিব। ইয়াৰোপৰি ১৯৯৭-৯৮ চনৰ বা ৰ পি, ডি, এচ, ৰ জৰিয়তে অসমৰ দুখীয়া মানুহক চাউল দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমি বহুত ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক নিভ ৰ

কৰিব লাগে বুলি মত পোষণ কৰা হৈছে। আমি বেছিকৈ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্ভৰশীল হৈছো নেকি? তেখেত সকলৰ চৰকাৰৰ দিনৰ এখন স্মাৰক পত্ৰ পঢ়িব বিচাৰিছো। ৰয়েল্‌টি আৰু চেল টেক্স ইয়াৰ পৰা ৰাইজৰ ৰেভিনিউ আহে, এই কথা উল্লেখ আছে।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰোপৰি উল্লেখ কৰা আছে আমি আমাৰ বাজেট উত্থাপন কৰি অয়ইল ৰয়েল্‌টি, চিকিউৰিটি এক্সপেনডিচাৰ এই বিলাক ৰেভিনিউ দেখুৱাইছো। বাজেটত ঘাটি উত্থাপন কৰা নাই। ইয়াৰ আগতে এবাৰ এই বিলাক জৰিত কৰি বাজেটত বাহি কৰা দেখুৱা আছে। আমি স্পষ্ট কৰি কৈছো, দেখুৱা নাই। আমি উত্থাপন কৰা বাজেটখন বিভিন্ন ধৰণে সমালোচনা কৰা হৈছে, মই এই বিষয়ে কবলৈ নেযাওঁ।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ চনত ৰাজ্য বিধান সভাৰ নিৰ্ব্বাচনত ডঃ মনমোহন সিং আহিল আৰু তেখেতৰ লগত আলোচনা কৰাৰ পিচত বাজেট উত্থাপন কৰা হৈছিল। সেইখন পঢ়ি চাব কৈছো, ২২ মাৰ্চ তাৰিখ, তেতিয়াৰ বিত্ত মন্ত্ৰীয়ে কৈছিল "২০ মাহ আগতে কাৰ্যভাৰ গ্ৰহণ কৰা এই চৰকাৰে গভীৰ অৰ্থনৈতিক সংকটৰ সন্মুখীন হয়।"

মাননীয় অধ্যক্ষ মহোদয়, আমি আকৌ কবলৈ বিচৰা নাই, সঁচা ছবি জনসাধাৰণৰ আগত ডাঙি ধৰিব বিচাৰিছো। এই ক্ষেত্ৰত মাননীয় সদস্য সকলে পৰামৰ্শ আগ বঢ়াব পাৰে। ১৯৯৫-৯৬ চনৰ ২২ মাৰ্চ তাৰিখৰ তেখেত সকলে যিখন বাজেট আগ বঢ়াইছিল, সেই খনৰ দুটামান কথা কবলৈ বিচাৰিছো। "হিংসা আৰু সন্ত্ৰাসবাদ জৰ্জৰিত অৱস্থাৰ পিচ মুহূৰ্ত্তৰ পৰা উদ্ধৰ হোৱা আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক পূৰ্ণ গঠনৰ কামত আমি এতিয়া ব্যস্ত আছো। শান্তি কেৱল বলৰ ব্যৱস্থাৰেই নহয়, শান্তি জনকল্যাণ আৰু উন্নয়নৰ স্থায়ী প্ৰচেষ্টাৰে বৰ্ত্তাই ৰাখিব পাৰি। সন্ত্ৰাসবাদ আৰু হিংসাৰ আঘাত কেৱল অনুকম্পাৰে নহয়, প্ৰভুত পৰিমাণৰ আৰ্থিক উন্নয়নৰ কাম কাজ আৰু সামাজিক ন্যায়ৰ জৰিয়তেহে ইয়াৰ ওপৰত ঘটাব পাৰি। দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু কৰ্ম্মসংস্থানৰ ব্যৱস্থাটোৱেই হল আমাৰ জন সাধাৰণৰ মৌলিক সমস্যা, যাৰ বাবে আমি সকলোৱেই

আমাৰ নিজ নিজ দলৰ কথা পাহৰি এক যুক্তি সংগত সমন্বয়ৰ ভিত্তৰত এই সমস্যাৰ মোকাবিলা কৰিবৰ বাবে ঐক্যবদ্ধ ভাৱে সৰ্বশক্তি প্ৰয়োগ কৰি আগবাঢ়ি আহিব লাগিব।"

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আৰু কৈছো আৰু আছে পঢ়ি দিব বিচৰা নাই। কিন্তু বাস্তৱ সন্মত যি বাজেট সেই বাজেটহে উত্থাপন কৰা হৈছে। ১৯৯৭-৯৮ চনৰ এষ্টিমেটত দেখুওৱা হৈছে।

.... Estatemetes of inflows into the cansolidated Fund of the State in 1997-98 are (1) loans from the Centre Rs. 504 crores, (2) Grants from the Centre—Rs. 393 crores, (3) Non-Plan Grants from Centre—Rs. 187 crores, (5) State Plan Grants—Rs. 1155 crores, (6) Share of Central Tax—Rs. 1145 crores (7) Non-Tax Revenue—Rs. 377 crores, (8) State Taxes—Rs. 916 crores and (9) Others—Rs. 858 crores.

Estimates of outflows from the Consolidated Fund of the State in 1997-98 are (1) Power—Rs. 115 crores (2) Irrigation and Flood Control—Rs. 252 crores, (3) Crop Husbandry—Rs. 149 crores (4) Industries and Minerals—Rs. 175 crores, (5) Social Welfare—Rs. 253 crores, (6) Health &. F. W.—Rs. 252 crores, (7) Roads and Bridges & Transport Rs. 327 crores, (8) Police—Rs. 419 crores, (9) Ways and Means Adv. Repayment—Rs. 650 crores, (10) Debt Servicing—Rs. 930 crores, (11) Education, Sports and Culture—Rs. 1301 crores and (12) Others Rs. 1337 crores.

এই সমূহ উৎসৰ পৰা বাজহ 'ইনফ্'ল'ৰ বিষয়ে কোৱা হৈছে। ঠিক তেনেকৈ 'আউট-ফ্'লৰ বিষয়ে কোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীসুখেন্দু শেখৰ দত্ত ডাঙৰীয়াই তেখেতৰ ভাষণত ঘৰুৱা ৰাজ্যিক আয়ৰ বৃদ্ধিৰ ব্যৱস্থাৰ কোনো উল্লেখ নাই বুলি অভিযোগ কৰিছে। মই মোৰ বাজেট ভাষণত ৰাষ্ট্ৰীয় জনমুৰি আয় আৰু ৰাজ্যিক জনমুৰি আয়ৰ মাজত থকা বৈষম্য দূৰ কৰাত চৰকাৰে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰিছো। আনুষ্ঠানিক বিত্ত আৰু ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ পৰ্য্যাপ্ত প্ৰবাহৰ অভাৱত চৰকাৰে উন্নয়নমূলক কাম কাজত বিশেষ ভূমিকা লব লগীয়া হৈছে। ৰাজ্যিক চৰকাৰে পৰিকল্পনা পুঁজিৰ অধিক বিনিয়োগৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে অনবৰত যোগাযোগ কৰি থকা হৈছে। মই মোৰ বাজেট ভাষণত উল্লেখ কৰিছো যে ১-৪-৯৬ তাৰিখৰ পৰা ৰাজ্য চৰকাৰে সংশোধিত হাৰত খাৰুৱা তেলৰ ৰয়েলটি পাবলগীয়া আছে। তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰনালয়ে খাৰুৱা তেলৰ ৰয়েলটিৰ হাৰ প্ৰতি তিনিবছৰৰ মূৰত নিৰ্দ্ধাৰিত কৰে। সেয়েহে ৰাজ্য চৰকাৰৰ বিশেষ কৰণীয় নাথাকে।

মাননীয় সদস্য সুখেন্দু শেখৰ দত্তই 'ইকনমিক ৰিফৰ্মচ কমিটি' গঠনৰ পৰামৰ্শ দিছে। এই সংক্ৰান্তত মই জনাব খুজিছো যে ইতিমধ্যে আমাৰ ৰাজ্যৰ উন্নতিৰ পৰামৰ্শৰ বাবে বহু কেইখন কমিটি গঠন কৰা হৈছে। যেনে—এল, চি, জেইন কমিটি, দিনেশ গোস্বামী কমিটি, কুপাৰ এণ্ড লি'ৱেণ্ড কনচাল্টেন্ট আৰু কেইমাহ মানৰ আগতে ডাঃ জয়ন্ত মাধৱ কমিটি সকলোবোৰ কমিটিয়ে বিশেষকৈ ৰাজ্যত অধিক ধন বিনিয়োগৰ বাবে প্ৰচেষ্টা চলাবলৈ আৰু প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিছে। আমাৰ ইয়াত আন্তঃগাথনি সুবিধাবোৰ নাথাকিলে কোনো ব্যক্তিয়ে নাইবা অনুষ্ঠানে ধন বিনিয়োগ কৰিবলৈ আগবাঢ়ি নাহিব আৰু সেই বাবে মই মোৰ ভাষণত আন্তঃগাথনিৰ উন্নতিৰ ওপৰত গুৰুত্ব দিছিলো।

মাননীয় সদস্য চিলভিয়াচ কন্দপানে অভিযোগ কৰিছে যে চৰকাৰে ৰাইজৰ বাবে কাম কৰাৰ কোনো প্ৰতিশ্ৰুতি বাজেট ভাষণত ডাঙি ধৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ

বাজেট ভাষণৰ আৰম্ভণিতেই উল্লেখ কৰিছো যে যোৱা ১৩ ডিচেম্বৰ ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰটোৰ সম্পূৰ্ণ বাজেট উত্থাপন কৰাৰ সময়ত বৰ্ত্তমান চৰকাৰে অগ্ৰাধিকাৰ দিয়া গুৰুত্বপূৰ্ণ দিশ সমূহ বিস্তৃত ভাৱে উল্লেখ কৰা হৈছিল। গতিকে এইখিনি কথাৰ পুনৰাবৃত্তি কৰা নাই। তাৰোপৰি এই অধিবেশনৰ ৰাজ্যপালৰ ভাষণত চৰকাৰৰ কৰ্ম্মসূচীৰ বিতং বিৱৰণ দাঙি ধৰা হৈছে। মোৰ ভাষণত বিভিন্ন বিভাগত দিয়া ধনৰ আবন্টনৰ কথা উল্লেখ কৰা হৈছে।

মাননীয় সদস্য শ্ৰীগিৰীণ বৰুৱাই দিয়া পৰামৰ্শ যেনে-ভাৰত চৰকাৰক চিকিউৰিটি এক্সপেনদিচাৰ ৰিইমবাৰচ্ কৰা আৰু ৰাষ্ট্ৰীয় বেংক সমূহক বেছি পৰিমাণে ধন বিনিয়োগ কৰাৰ বাবে হেঁচা দিয়া সংক্ৰান্তত মই জনাব খোজো যে চৰকাৰে এই বিষয়ত যাৱতীয় ব্যৱস্থা ইতিমধ্যে হাতত লৈছে।

স্পেচিফিক কেটেগৰিৰ ভিত্তৰত আছে আইন-শৃংখলাৰ নামত যি টকা খৰচ হয় সেইটো আমাৰ ৰাজ্য চৰকাৰৰ পৰা দিব লাগে। কিন্তু অৰুনাচল, নগালেণ্ড চৰকাৰে এই টকা দিব নালাগে। আমিও এই টকা কেন্দ্ৰীয় চৰকাৰক দিবৰ বাবে ইতিমধ্যে জনাইছো।

মাননীয় সদস্য শ্ৰীঅৰ্ধেন্দু দে ডাঙৰীয়াই বাজেটখনৰ ওপৰত মন্তব্য কৰিছে যে বাজেটখনত এখন কল্যাণমুখী ৰাজ্যৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা নাই। মই কব বিচাৰিছো যে মই এখন ৰাজ্যৰ বাস্তৱ ৰূপ প্ৰতিফলিত কৰিব খুজিছো। বিশেষকৈ বিত্তীয় দিশত। চৰকাৰৰ বৰ্ত্তমান কল্যাণমূলক আঁচনি চলি থাকিব। মই মোৰ বাজেটত মধ্যাহ্ন ভোজন আঁচনিয়ে ৰাজ্যৰ প্ৰতিটো নিম্ন প্ৰাথমিক বিদ্যালয়কে সামৰি লোৱা হব বুলি কৈছো। আমি দৰিদ্ৰ সীমাৰেখাৰ তলৰ প্ৰায় ১৯ লাখ পৰিয়ালক ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দ্বাৰা ৰেহাই মূল্যত ( প্ৰতি কেজি ৩'৫০ টকাকৈ ) চাউল দিবলৈ ভাৰত চৰকাৰৰ সহযোগত আঁচনি হাতত লৈছো। আগৰ চৰকাৰে সহায় কৰিবলৈ লোৱা ১৬ লাখ পৰিয়ালৰ বিপৰীতে ১৯ লাখ পৰিয়ালক সহায় কৰিবলৈ বিচৰা হৈছে।

মই মোৰ বাজেট ভাষণত চৰকাৰৰ বিত্তীয় পৰিস্থিতিৰ বিষয়ে

বিতংভাৱে উল্লেখ কৰাৰ কাৰণ হ'ল মাননীয় সদস্য সকলে বিত্তীয় পৰিস্থিতিৰ বিতং আভাস পালে এই পৰিস্থিতি সুস্থিৰ কৰাৰ বাবে পৰামৰ্শ দিব পাৰিব।

চৰকাৰৰ যদি ৰূপায়ণৰ বাবে সঠিক পৰিমাণৰ ধন নাথাকে কেৱল আঁচনি ঘোষণাৰ দ্বাৰা মই ৰাইজক বিভ্ৰান্ত কৰিব খোজা নাই।

কাৰ্বি লাংপি প্ৰকল্প ৰূপায়ণৰ দায়িত্ব অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক দিয়া হৈছে। এ, এচ, ই, বিৰ বাবে বাজেটত প্ৰয়োজনীয় পুঁজি ধৰা হৈছে। প্ৰকল্প ৰূপায়ণৰ বাবে চৰকাৰৰ ধনৰ ওপৰিও অনুষ্ঠান আদিৰ পৰা ঋণ লোৱা ব্যৱস্থা কৰিব পৰা যাব।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মই তিনি বিঘালৈকে ভূমি ৰাজহ মাফ দি সেই ঠাইত ৫ বিঘা কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে। তিনি বিঘা নিৰিক্ষ নতুন নহয়। বৰ্ত্তমানৰ নিৰিখেই বাহাল ৰখা হৈছে। এইটো কথা মনত ৰাখিব লাগিব যে ভূমি ৰাজহ জমা দিলে ভূমি সংক্ৰান্ত নথী পত্ৰ আদি 'আপটুদেট' কৰি ৰখাত সহায় হয়। আমাৰ চৰকাৰে মহিলাৰ উন্নতিৰ বাবে সদায় প্ৰধান্য দি যাব।

চৰকাৰৰ বৰ্ত্তমান বিত্তীয় পৰিস্থিতিত পৰ্য্যাপ্ত পৰিমাণৰ ধন স্বায়ত্ব শাসিত পৰিষদ কেইখনলৈ আৱন্টন দিয়া হৈছে। ভৱিষ্যতে শ্ৰীমতী ব্ৰহ্মই পৰামৰ্শ আগবঢ়োৱাৰ দৰে অধিক ধন দিবলৈ চেষ্টা কৰা হব।

মই আগবঢ়োৱা কৰ প্ৰস্তাৱৰ ওপৰত প্ৰায় সদস্য সকলে তেখেত সকলৰ নিজ নিজ বক্তব্য ডাঙি ধৰিছে। দুই এগৰাকী সদস্যৰ বাহিৰে বক্তব্য ৰখা প্ৰায় সকলো সদস্যই এই প্ৰস্তাৱৰ প্ৰতি আদৰণি জনোৱাৰ বাবে মই সুখী হৈছো।

চাহ বাগিচাৰ ওপৰত লগোৱা অধিক নিদ্ধাৰিত ভূমি কৰৰ বাবে শ্ৰমিক সকলে 'চাফাৰ' কৰিব বুলি শ্ৰীকন্দপান ডাঙৰিয়াই কৰা মন্তব্য অমূলক। প্ৰচলিত শ্ৰমিক আইন আদিৰ দ্বাৰা আমাৰ চৰকাৰে নিশ্চিত কৰিব যে চাহ শ্ৰমিক সকল তেওঁলোকৰ প্ৰাপ্য খিনিৰ পৰা বঞ্চিত নহয়।

কৰ প্ৰস্তাৱৰ দ্বাৰা চহকী শ্ৰেণীক সহায় কৰিব বিচৰা হোৱা নাই। ট্ৰাক/মটৰ গাড়ীৰ টায়াৰ, স্কুটাৰ, ট্ৰেক্টৰত কৰৰ হাৰ কমোৱাত প্ৰধান কাৰণ হ'ল 'ট্ৰেড ডিভাৰচন' ৰোধ কৰা। মোৰ কৰ প্ৰস্তাৱৰ দ্বাৰা যাতে সৰ্বসাধাৰণ ৰাইজৰ ওপৰত হেচা নপৰে সেইটো মই চকু দিছো। চাবোনৰ ওপৰত কৰ বঢ়োৱাৰ বাবে বেচি ভাগ সদস্যই আপত্তি কৰিছে। সৰ্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰা চাবোন বিশেষকৈ কাপোৰ ধোৱা চাবোন আদিৰ কৰ নবঢ়োৱাৰ বাবে বিবেচনা কৰি চাম।

माननीय অধ্যক্ষ মহোদয়, সৰ্ব্বসাধাৰণ ৰাইজৰ ক্ষতিগ্ৰস্ত যাতে নহয় তাৰ কাৰণে ইনক্লুচিভ অ'ল টেক্সচ বুলি লিখা থাকে। আগৰ চৰকাৰৰ দিনতো যেতিয়া বাজেট উত্থাপন কৰিছিল তেতিয়া 'বেবী-ফুদ'ৰ ওপৰত কৰ বঢ়াই দিছিল। তাৰ পৰা দাম কমা নাই, কিন্তু কোম্পানীৰ লাভ হ'ল। এই বিষয়ে বিবেচনা কৰি চাম যাতে সৰ্বসাধাৰণ ৰাইজ ক্ষতিগ্ৰস্ত নহয়। ইয়াৰ উপৰিও কোনোবা মাননীয় সদস্যই কৈছে যে ঘিউৰ ওপৰত কৰ বঢ়োৱা হৈছে। মই স্পষ্ট ভাবে জনাব বিচাৰিছো যে ঘিউৰ ওপৰত কোনো কৰ লগোৱা হোৱা নাই। এইটো 'প্ৰু' হব লাগিছিল। এইটো ভুলকৈ ছপা হব পাৰে। আমাৰ মাননীয় সদস্য হলিৰাম টেৰাং ডাঙৰীয়াই প্ৰেষ্টিচাইড আৰু ইনচেকটি চাইডৰ ওপৰত কৰ হ্ৰাস কৰা বিষয়ে মন্তব্য কৰিছে। এই কৰ চাহ বাগান বিলাকক সহায় কৰিবলৈ হ্ৰাস কৰা হোৱা নাই। বৰ্ত্তমান এই কেইবিধ সামগ্ৰী বাগান বিলাকে বেছি ভাগ অসমৰ বাহিৰৰ পৰা কিনি আনিছে নাইবা ষ্টক ট্ৰেনচ্‌ফাৰ কৰি আনিছে। বৰ্ত্তমান আমি সেই কাৰণে কৰ নাপাও। এতিয়া কৰৰ হাৰ চেন্ট্ৰেল চেল টেক্সৰ সমান কৰাৰ পিছত আশা কৰা হৈছে যে বাগান বোৰে অসমৰ ভিতৰতেই এইবোৰ কিনিব পাৰিব আৰু বিক্ৰীকৰ পাম। ইয়াৰ ভৱিষ্যতে আমাৰ খেতিয়ক সকল লাভবান হব পাৰিব। ফেক্স মেচিন/কম্পিউটাৰ আদিতো একেই কাৰণত কৰৰ হাৰ হ্ৰাস কৰা হৈছে। পেকেটৰ ওপৰত বিক্ৰী হোৱা সৰ্ব সাধাৰণ ৰাইজে ব্যৱহাৰ কৰা নিমখ, মিঠাতেল আদি সামগ্ৰীৰ ওপৰত বিক্ৰী কৰ

নাই। যিহেতু এইবোৰ সামগ্ৰী চিডোল ওৱান অৰ্থাৎ একজিমটেড আইটেমচ্ আণ্ডাৰ আসাম জেনেৰেল চেল টেক্স এক্ট ১৯৯৩। সদনত কোনোবা মাননীয় সদস্যই উল্লেখ কৰিছে যে বিভিন্ন পেকেট কৰা ফুডৰ ওপৰত কৰ লগোৱা হৈছে। যিহেতু এইবোৰ সামগ্ৰী চিডোল ওৱানৰ ওপৰত। সেই কাৰণে তাত আছে যে exempted item under Assam general sale tax 1993. গতিকে চাউল, আটা, ময়দা, নিমখ, মিঠাতেল আদি সামগ্ৰী পেকেট হলেও এই বিলাক সামগ্ৰী টেক্সৰ ভিতৰত নপৰে। ইয়াৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজ ক্ষতিগ্ৰস্ত নহয় বৰং লাভবানহে হব। আমাৰ কেইবা গৰাকী মাননীয় সদস্যই গ্ৰামোন্নয়নৰ কাম আদিৰ অগ্ৰগতি হোৱা নাই বুলি সমালোচনা কৰিছে। এইখিনিতে মই উল্লেখ কৰি থোৱা ভাল হ'ব যে ১৯৯৫-৯৬ চনত ৰুৰেল ডেভেলপমেন্ট শিতানত জে, আৰ, ওৱাই, আই, আৰ, ডি, পি, ই, এ, এচ আদিৰ বাবে ষ্টেট চেয়াৰ চৰকাৰে মোকলাই নিদি ৰেভিনিউ ডেপজিটত থয় আৰু তাৰ বাবে ১৯৯৬-৯৭ চনত চেন্ট্ৰেল চেয়াৰৰ টকা পোৱাত অসুবিধা হৈছে। আমাৰ চৰকাৰে যোৱা বছৰৰ আৰ, ডিত থোৱা ৪১ কোটি টকাৰ ভিতৰত মুঠ ২০ কোটি টকা মোকলাই দিয়াৰ ওপৰিও ১৯৯৬-৯৭ চনত সমূহ টকা মোকলাই (প্ৰায় ৪৮ কোটি) দিছে। আৰু ভৱিষ্যতে ৰুৰেল ডেভেলপমেন্ট স্কীম বোৰ ৰূপায়ণত কোনো অসুবিধা নহব বুলি ভবা হৈছে। গ্ৰামোন্নয়নক প্ৰাধান্য দিয়াৰ বাবে এই চৰকাৰে ডি, আৰ, ডি, এ বোৰলৈ টকা বিলিজ কৰি দিয়াত গুৰুত্ব আৰোপ কৰিছে। প্ৰতি সমষ্টিতে গড় হিচাবে গ্ৰামোন্নয়ন শিতানত প্ৰায় ২.৮১ কোটি টকা মোকলাই দিয়া হৈছে। ইয়াৰ ভিতৰত ই, এ, এচ, জে, আৰ, ওৱাই, এম, এল, এ এৰিয়া ডেভেলপমেন্ট, ফাণ্ড ইউনাইটেড ফাণ্ড ধৰা হৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এখেত সকলে কাম হোৱা নাই বুলি যিটো অভিযোগ আনিছে এই অভিযোগ সম্পুৰ্ণ সত্য নহয়। এতিয়া মই নেচনেল হাইওৱেৰ সম্পৰ্কত কব বিচাৰিছো। নেচনেল হাইওৱে বোৰৰ অৱস্থা শোচনীয়। এই চৰকাৰে দায়িত্ব-ভাৰ গ্ৰহণ কৰাৰ পিচত এতিয়ালৈ দৰমহাৰ উপৰিও ৱৰ্কচ্‌ৰ

২৭ কোটি টকা ইয়াৰ বাবে মোকোলাই দিছে। আগৰ চৰকাৰে ৰাষ্ট্ৰীয় ঘাই পথ সমূহৰ বাবে সঠিক পৰিমাণৰ ধন মোকোলাই নিদিয়াৰ বাবে বছৰেকীয়া ধনৰ আবন্টন কেন্দ্ৰীয় চৰকাৰে হ্ৰাস কৰিছে। এই বছৰত মোকোলাই দিয়া ধন যোৱা পাঁচ বছৰৰ ভিতৰত সৰ্বাধিক। যোৱা পাঁচ বছৰত ৰাষ্ট্ৰীয় ঘাই পথৰ বাবে দিয়া ধনৰ পৰিমাণ এনে ধৰণৰ (দৰমহাৰ বাহিৰে)। ১৯৯২-৯৩ চনত ২৮°৫২ কোটি টকা, ১৯৯৩-৯৪ চনত ২৪'৯৯ কোটি টকা, ১৯৯৪-৯৫ চনত ১২'৫৬ কোটি টকা, ১৯৯৫-৯৬ চনত ১৩°৬৪ কোটি টকা আৰু ১৯৯৬-৯৭ চনৰ কাৰণে ২৭°৭৪ কোটি টকা দিয়া হৈছিল। গতিকে চৰকাৰৰ তৰফৰ পৰা সৰ্ব-সাধাৰণ ৰাইজৰ উন্নতিৰ কাৰণে বিভিন্ন আঁচনি আৰু কাৰ্য্যসূচী হাতত লোৱা হৈছে। ইয়াৰ উপৰিও ৰুৰেল ডেভেলপমেণ্ট স্কীমৰ ক্ষেত্ৰত টোটেল এলোকেচন হৈছে ২৯৪ কোটি টকা। কিন্তু ১৯৯৬-৯৭ চনত টোটেল ফাণ্ডচ্ এভেইলেবুল হৈছে ২৫৮ কোটি টকা। ঠিক তেনেকৈ এম, এল, এ এৰিয়া ডেভেলপমেণ্ট স্কীমৰ কাৰণে টোটেল এলোকেচন আছিল ১২°৬০ কোটি টকা আৰু ৰিলিজ কৰা হৈছে ১২°৬০ কোটি টকা। গতিকে ইয়াৰ দ্বাৰা প্ৰমাণিত হৈছে যে আমাৰ চৰকাৰে বিভিন্ন অঞ্চলৰ উন্নতিৰ কাৰণে গুৰুত্ব আৰোপ কৰিছে। আমাৰ মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়াই 'চাচ্পেঞ্চ একাউচনৰ' পৰা কোটি কোটি টকাৰ বস্তু কিনাৰ কথা কৈছে। প্লেনৰ কামৰ চাচপেঞ্চ একাউন্সৰ পৰা সামগ্ৰী কিনা বন্ধ কৰি কামৰ কাৰণে আৱন্টন কৰা ধনৰ পৰা লাগতিয়াল সামগ্ৰী কিনাৰ ব্যৱস্থা কৰা হৈছে। নন্প্লেন কামটো এই ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ কথা চিন্তা কৰি থকা হৈছে আৰু এই ক্ষেত্ৰত গোটেই বিষয়টো চৰকাৰৰ বিচাৰাধীন হৈ আছে। মাননীয় সদস্য ৰামেশ্বৰ ধানোৱাৰ ডাঙৰীয়াই তেল উৎপাদন হোৱা মাটিৰ ওপৰত যি কৰ সম্পৰ্কীয় কথা উত্থাপন কৰিছে সেই ক্ষেত্ৰত মই জনাব বিচাৰিছো যে তেল আদি উৎপাদন হোৱা মাটিৰ ওপৰত চৰকাৰে চাৰফেচ ৰেণ্ট হিচাপে কৰ আৰোপ কৰিছিল। সেই সংক্ৰান্তত এটা কেছ বৰ্ত্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ত বিবেচনাধীন হৈ

আছে। ১৯৯০ চনত কয়লা উৎপাদন হোৱা মাটিত লেণ্ড স্পেচিফাইড টেক্স লগোৱা হৈছিল। পিছে ভাৰত চৰকাৰে কয়লাৰ ৰয়েল্টী বঢ়াই দিয়াত এই স্পেচিফাইড্ লেণ্ড টেক্স অন কোল উঠাই লোৱা হয় যোৱা ১৯৯৩-৯৪ চনত। বৰ্ত্তমান আমি কয়লাৰ ৰয়েল্টী পাওঁ পাৰ মেট্ৰিক টন ১২০ টকা। ৰুগ্ন উদ্যোগৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যুটীয়া খণ্ডত সজীৱ কৰিবলৈ ব্যৱস্থা হাতত লৈছে। ইতিমধ্যে এই সংক্ৰান্তত বিজ্ঞাপন দিয়া হৈছে। চৰকাৰে অতি সোনকালে নতুন উদ্যোগ নীতি ঘোষণা কৰিব। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই সৰু সৰু ব্যৱসায়ীৰ ওপৰত্ত তেওঁলোকৰ বছৰেকীয়া টকাৰ লেন্-দেনৰ ওপৰত এটা নিৰ্দ্ধাৰিত বিক্ৰীকৰ লগোৱাৰ যিটো কথা উল্লেখ কৰিছিল সেইটো পৰীক্ষা কৰি চোৱা হব আৰু উদ্যোগ বিভাগে দিয়া ঋণৰ পৰিমাণ বিত্তীয় পৰিস্থিতি অনুপাতে বঢ়োৱাৰ যি কথা উত্থাপন কৰিছে আমাৰ চৰকাৰে সেইটো কথা বিবেচনা কৰিব। ১৯৯৫-৯৬ চনলৈকে ২৬৪৩ কোটি টকা ঋণ আছিল। এই বৃহৎ পৰিমাণৰ ঋণ বিশেষকৈ ওৱেজ এণ্ড মিনচ্ এডভাঞ্চ প্ৰতিমাহে আমি অভাৰ ড্ৰাফট্ হিচাপে প্ৰায় ১৫০ ৰ পৰা ২০০ কোটি টকা লওঁ আৰ, বি, আই ৰ পৰা আৰু মাহৰ শেষত তাক আকৌ ঘূৰাই দিওঁ। গতিকে প্ৰায় ২০০০ কোটি টকা লোৱা হয় আৰু ফিৰৎ দিয়া ওৱেজ এণ্ড মিনচ্ এডভাঞ্চ ( অভাৰড্ৰাফট্ৰ ) বিপৰীতে। এই বাজেটত যদিও আমি ৮৪৯ কোটি টকা ধৰিছো সৰ্ব শেষত হয়তো প্ৰায় ২০০০ কোটি টকা হব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ উপৰিও পৰিকল্পনা বহিঃভূ্তৰ ক্ষেত্ৰত মই যোৱা বাজেট বক্তৃতাত ১-৪-৯৬ তাৰিখত পৰিশোধ কৰিবলগীয়া ঋণৰ পৰিমাণ মুঠ ৫০৯৫ কোটি টকা বুলি উল্লেখ কৰা মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে। কিন্তু মহাগাণনিকে দাখিল কৰা হিচাপৰ পৰা ১-৪-৯৬ তাৰিখে পৰিশোধ কৰিবলগীয়া ঋণৰ পৰিমাণ মুঠ ৫৩২০ কোটি টকা বুলি ঠাৱৰ কৰা হৈছে। ইয়াৰে ৩৮৬৪ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণ। ই সৰ্ব মুঠ ঋণৰ শতকৰা ৭২ ভাগ। গতিকে ১-৪-৯৬ তাৰিখত জনমূৰি ঋণৰ বোজা হৈছে ২১১৫ টকা। বৰ্ত্তমানে পোৱা

তথ্য অনুসৰি ১-৪-৯৬ তাৰিখত ঋণৰ পৰিমাণ ৫৬৪৯ কোটি টকা বুলি অনুমান কৰা হৈছে আৰু জনমুৰি ঋণৰ বোজা হবগৈ ২১৯৮ টকা। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আমি অলপ অসুবিধাত পৰিছো। ৰেভিনিউ ডিপজিতত যি টকা জমা ৰখা হ'ল এই টকা আমাৰ ৰেভিনিউ বুলি ধৰা হৈছে। কিন্তু সেই টকাতো আমাৰ জমা টকা নহয়। সেই ক্ষেত্ৰত আমাৰ চৰকাৰে এই বিষয়টো পৰিষ্কাৰ কৰিবৰ কাৰণে তেখেত সকলৰ লগত যোগাযোগ কৰা হৈছে আৰু আমাৰ চৰকাৰৰ তৰফৰ পৰা লিখা হৈছে। গতিকে মাননীয় সদস্য সকলে বাজেট সম্পৰ্কত আগ-বঢ়োৱা বিভিন্ন পৰামৰ্শৰ কাৰণে মই তেখেত সকলক আন্তৰিক ধন্যবাদ জনাইছো আৰু তাৰ লগতে আমি আশা ৰাখিছো কৰ সংগ্ৰহৰ ক্ষেত্ৰত থকা আসোঁৱাহ সমূহ দূৰ কৰিব পাৰিলে আৰু যদি আমাৰ প্ৰতিটো বিভাগৰ কাম বিলাক সুচাৰুৰূপে সম্পূৰ্ণ কৰিব পৰা যায় তেতিয়াহলে অদূৰ ভৱিষ্যতে আমাৰ ৰাজ্যখনক বিত্তীয় দিশত স্বাৱলম্বী কৰি তুলিব পৰা যাব। আমাৰ চৰকাৰে গাওঁৰ শিল্পী সকলক সকাহ দিবলৈ সমবায় প্ৰতিষ্ঠানৰ দ্বাৰা উৎপাদিত কঁাহ পিতলৰ সামগ্ৰী সমূহকো বিক্ৰী কৰৰ পৰা মুক্ত ৰাখিব বিচাৰিছো। ইয়াৰ দ্বাৰা সৰ্থেবাৰী, হাজো আদি ঠাইৰ কঁাহ পিতলৰ সামগ্ৰী তৈয়াৰ কৰা শিল্পী সকল লাভবান হব পাৰিব। সেইটো তেখেত সকলৰ বহুদিনীয়া দাবী আছিল। শেষত মই পুনৰ বাজেট বক্তৃতাত আগবঢ়োৱা পৰামৰ্শৰ বাবে মাননীয় সদস্য সকলক ধন্যবাদ জনাই মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

শ্ৰীআব্দুল মোক্তাডিৰ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আসাম মাইনৰিটি ফাইনেন্সিয়েল কোৰপৰেশ্যনৰ কাৰণে ৫ কোটি টকা বাজেট প্ৰভিজন কৰা হৈছে, কিন্তু এই বছৰত বাজেট প্ৰভিজন নাই, গতিকে এইবাৰ কোৰপৰেশ্যন কেনেকৈ ফাংশন কৰিব? যোৱাবাৰ ৬ লাখ টকা চেংশন দিয়া হৈছিল কিন্তু এভেইল কৰিব নোৱাৰিলে। এইবাৰো একেই অৱস্থা হব, ঘূৰাই দিব লাগিব। মই জানিব বিচাৰিছো এইবাৰ বাজেট প্ৰভিজন কৰা হৈছে নে নাই?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) :** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতে এই কোৰপৰেশ্যনটো ৰেজিষ্ট্ৰেশ্যন হোৱা নাছিল, ৰেজিষ্ট্ৰেশ্যন নহলে পইচা কেনেকৈ পাব ? এতিয়া যিহেতু ৰেজিষ্ট্ৰেশ্যন হৈছে এতিয়া পইচা দিয়া হৈছে ।

**শ্ৰীচিত্ৰভিউচ কন্দপান :** মাননীয় অধ্যক্ষ মহোদয়, আমি গোটেইখিনি মাননীয় সদস্যৰ হৈ মই এটা অনুৰোধ কৰিছিলো যে এম, এল, এ এৰিয়া ডেভেলপমেণ্টৰ টকাতো বৃদ্ধি কৰিব লাগে । তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল পিচত চোৱা হব, গতিকে এতিয়া উপযুক্ত সময় হৈছে । কাৰণ এম, পিৰ কাৰণে ১ কোটি টকা ধৰা হয় । এতিয়া বিধায়কৰ কাৰণে অলপ বঢ়াই অন্তত : ৫০ লাখ টকা কৰিব পাৰি ।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) :** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা সিদ্ধান্ত আলোচনাৰ জৰিয়তে কৰিব পৰা হব কিন্তু ইমান বেচি বৃদ্ধি কৰা সম্ভৱ নহব, অলপ বঢ়াব পৰা যাব । অধ্যক্ষ মহোদয়, আমি নেক্সট ফাইনেন্সিয়েল ইয়াৰ ২০ লাখ মান কৰিব পৰা হব ।

**শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী :** মাননীয় অধ্যক্ষ মহোদয়, মাইনৰিটি ফাইনেন্সিয়েল ডেভেলপমেণ্টৰ কোৰপৰেশ্যনৰ কাৰণে ব্যৱস্থা কৰিছো বুলি কৈছে আৰু পাচ কৰিছে কিন্তু টকা ক'ত পাব ?

**Mr. Speaker :** Now, the House stands adjourned till 9. A. M on thursday the 20th March, 1997.

## ADJOURNMENT

The House then stood adjourned at 1.55 P. M. till 9.00 A. M. on thursday the 20th March, 1997.

D. Talukdar
Secretary,
Assam Legislative Assembly

Dispur
The 19th March, 1997

১৯৯৬-৯৭ চনৰ প্ৰাকৃতিক দুৰ্যোগৰ সাহাৰ্য্য শিতানৰ পৰা জিলা ভিত্তিত আবেদনৰ তালিকা :

| | জিলা | আবণ্টিত টকাৰ পৰিমাণ |
|---|---|---|
| ১। | ডিব্ৰুগড় | ৭·১৭২ লাখ। |
| ২। | শিৱসাগৰ | ৫১·৭৯৪ ,, |
| ৩। | যোৰহাট | ৮২·১৭৭ ,, |
| ৪। | গোলাঘাট | ১৬·০৩৯ ,, |
| ৫। | ধেমাজী | ৩৭৮·৩৮৬ ,, |
| ৬। | লক্ষীমপুৰ | ১২৫·১৮ ,, |
| ৭। | শোনিতপুৰ | ২·৩১ ,, |
| ৮। | নগাওঁ | ১০·৪৬২ ,, |
| ৯। | মৰিগাওঁ | ৩·৩৮০ ,, |
| ১০। | বৰপেটা | ৫৬·১৯১০ ,, |
| ১১। | দৰং | ১০৯·২৩ ,, |
| ১২। | নলবাৰী | ৬৯·২৭১ ,, |
| ১৩। | কামৰূপ | ১৮৬·১০৭ ,, |
| ১৪। | ধুবুৰী | ২৮·১০৯ ,, |
| ১৫। | গোৱালপাৰা | ৩৭৫·৭৯৩ ,, |
| ১৬। | কোকৰাঝাৰ | ৭·৫৩৫ ,, |
| ১৭। | বঙাইগাওঁ | ১৬·১৮ ,, |
| ১৮। | কাছাৰ | ৫·৩২৮ ,, |
| ১৯। | কৰিমগঞ্জ | ৩·৭৪৩ ,, |
| ২০। | হাইলাকান্দি | ৩·৬২৩ ,, |
| | | মুঠ ১২০০·০০ লাখ। |
| | | ( এহেজাৰ দুশ লাখ টকা ) |

অসম বিধান সভাৰ ১৯৯৭ চনৰ মাৰ্চ মাহত বহা বাজেট অধিবেশনত শ্ৰীদিলীপ কুমাৰ শইকীয়া, বিধায়ক মহোদয়ে সোধা প্ৰশ্নৰ সন্দৰ্ভত কামৰ অগ্ৰগতিৰ তালিকা—

**ধেমাজী মহকুমাৰ অন্তৰ্গত আঁচনিসমূহ :**

| আঁচনি | আঁচনি ব্যয় | কামৰ অগ্ৰগতি |
|---|---|---|
| 1. F. D. R. to closing of breaches at 10th and 11th K. M. of B/dyke from Deorighat to Sissikalghar by construction of retirement including siltation measures for 1996-97 (Closing of breaches at Korengchapari) | Rs. 279.322 lakhs | 40% |
| 2. F. D. R. to closing of breache at 5th K.M. including construction of Cofferdam and channel cutting of extension Jiadhol dyke L/B from Basin to Tirigharia for 1996-97 | Rs, 14.99 Lakhs | 2% |
| 3. F.D.R. to marginal embkt. along L / B of Jiadhol river from Tinighoria to Rly. line for 1996-97 (Closing of breach at 6th and 7th K. M.) | Rs. 8.422 Lakhs | 10% |

**উত্তৰ লক্ষীমপুৰ মহকুমাৰ অন্তৰ্গত আঁচনিসমূহ**

| আঁচনি. | আঁচনি ব্যয় | কামৰ অগ্ৰগতি |
|---|---|---|
| | | মাটিৰ কাম |
| 1. F. D. R. to Ranganadi R/B cmbk. from N. T. Koad to Kherkati for 1996-97 (Breach closing including A/E works at 4th K, M.) | Rs. 21.20 Lakhs | 96% শিলন কাম মাটিৰ কাম |

| | | |
|---|---|---|
| 2. F. D. R. to Ranganadi L/B embkt. from Ampora to Amtota for 1996-97 ( Breach closing work at 17 K.M. including A/E works. ) | Rs. 44.43 Lakhs | 50% শিলৰ কাম নাই |
| 3. F. D. R. to Bodyke from Badati to Jamuguri for 1996-97 (Breach closing work by retirement at 1st K.M. of Moridikrong R/B Guide bund ). | Rs. 19.82 Lakhs | কাম আৰম্ভ হোৱা নাই। |

ঢকুৱাখানা মহকুমাৰ অন্তৰ্গত আঁচনিসমূহ

| আঁচনি | আঁচনি ব্যয় | কামৰ অগ্ৰগতি |
|---|---|---|
| 1. F. D. R. to Dhakuakhana Korha bund for 1996-97 ( Breach closing at 3rd and 7th K.M. ). | Rs. 19.00 Lakhs | 25% |
| 2. F. D R. to B/dyke from Sissikalghar to Tekeliphuta for 1996-97 ( A/E Measures by boulder retirement and temporary pro-siltation measure in between 19th and 21st ( K.M. ) Matmara. | Rs. 24.00 Lakhs | কাম আৰম্ভ হোৱা নাই |

মাজুলী মহকুমাৰ অন্তৰ্গত আঁচনিসমূহ :

| আঁচনি | আঁচনি ব্যয় | কামৰ অগ্ৰগতি |
|---|---|---|
| 1. F. D. R. to check dam for protecting of B/dyke from Haldibari to Bessamara at Sonowal Kacharigaon for 1996-97. | Rs. 5.24 Lakhs | কাম আৰম্ভ হোৱা নাই। |
| 2. F. D. R. to check dam across Chumaimari channel ( Note protection works repairing ) for 1996-97. | Rs. 3.86 Lakhs | কাম আৰম্ভ হোৱা নাই। |

## COLLECTION OF REVENUE FROM 1991 to 1996
## IN CRORES

| Sl. No. | Period/Year | Current | Arrear | Total collection |
|---|---|---|---|---|
| 1. | 1991-92 | 1.51 | 3.00 | 4.51 |
| 2. | 1992-93 | 1.55 | 3.00 | 4.55 |
| 3. | 1993-94 | 1.73 | 3.63 | 5.36 |
| 4, | 1994-95 | 1.62 | 2.37 | 3.98 |
| 5. | 1995-96 | 1.51 | 2.21 | 3.73 |

## ANNEXURE – III

**বসবাস কৰি থকা পৰিয়ালৰ নামৰ তালিকা**

| গাওঁ | দাগ নং | পৰিয়ালৰ নাম |
|---|---|---|
| নটবামা | ২ | ১। মঃ মহচৰ ৰহমান |
| | | ২। শ্ৰীদেৱৰাজ দাস |
| | | ৩। শ্ৰীদ্বিজেন গোস্বামী |
| | | ৪। শ্ৰীগগণ বৰ্মন |
| | | ৫। শ্ৰীশ্যামলাল ৰয়। |
| জতিয়া | ১৪৪ | ১। মঃ বৌচৰ আলী |
| | | ২। মঃ নুৰ হুছেইন |
| | | ৩। মঃ মহিবুদ্দিন আহমেদ |
| | | ৪। মঃ চামচুল আলী |
| | | ৫। মঃ জুলফিকাৰ আলী |
| | | ৬। মঃ নেকিবৰ ৰহমান |
| | | ৭। চামচুল হক |
| | | ৮। চন্দ্ৰকান্ত কাকতি |
| কাহিলিপাৰা | ৩০৭ | ১। মঃ জালাল আলী |
| | | ২। মঃ ৰফিক আলী |
| | | ৩। চহিৰানু। |
| | | ৪। আকবৰ আলী |

৫ । জাহাঙ্গীৰ হক
৬ । আনোৱাৰ হুছেইন ।
৭ । ৰহিম আলী
৮ । ৰেজিয়া বেগম ।
৯ । দেৰাজুদ্দিন আহমেদ

## ANNEXURE—IV

**Names of villages included in the Scheme for the Year 1995-96 and 1996-97 in Tatabor.**

| Sl. No. | New Village | Sl. No. | Intensification |
|---|---|---|---|
| 1. | Bhagya Lakhmi | 1. | Madhupur grant-2 |
| 2. | Borsaikata grant | 2. | Rongdoikhat. |
| 3. | Grant No.-80 | 3. | Jungle Block. |
| 4. | Saraipani Grant No-4 | 4. | Saraipani Grant-56 |
| 5. | Saraipani Grant No-2 | 5. | Buruk Baruah Gaon ( Timtimia ) |
| 6, | Kakodonga Block No-1 | 6. | Mahimabari habi gaon |
| 7. | Block No-III | 7. | Mahimabari gaon ( Silikhabari ) |
| | | 8. | Dhekiajuli ( Sonari gaon ). |

## ANNEXURE—V

**Names for New villages for the year 1995-96 & 1996-97**

District—Dhubri

| Sl. No. | Name of village | Circle | Census Code. |
|---|---|---|---|
| 1. | Bamunkara | Bilashipara | 4/40/23 |
| 2. | Selundanga | Golokganja | 2/10/132 |

| | | | |
|---|---|---|---|
| 3. | Tongarita | Dhubri | 3/30/214 |
| 4. | Jogipara | Mankachar | 8/60/108 |
| 5. | Malhakhowa-I | South Salmara | 7/70/160 |
| 6. | Simlakanoli | Bilashipara | 4/40/44 |
| 7. | Chirakhowa-IV | Bogribari | 6/40/157 |
| 8. | Naicharkuti Chapor | Golokganj | 2/10/75 |
| 9. | Tharigrambita | Dhubri | 3/30/189 |
| 10. | Chokopara pt-III | Bilashipara | 4/40/41 |
| 11. | Bagulamari pt-I | Boguribari | 6/40/149 |
| 12. | Harkhata Musulman-para | Chapor | 5/50/149 |
| 13. | Rangapari | Mankachar | 8/60/91 |
| 14. | Udmari pt-I | Bilashipara | 4/40/109 |
| 15. | Jatikura | Chapor | 5/50/105 |
| 16. | Bashbari pt-I | Golokganja | 2/10/38 |
| 17. | Bashbari pt-II | do | 2/10/37 |
| 18. | Sasapani | do | 2/20/8 |
| 19. | Katangjhora | Chapor | 5/50/30 |
| 20. | Kumardihi pt-II | do | 5/50/143 |
| 21. | Tokpara Jhawpara pt-I | Boguribari | 6/40/143. |

—x—

পরিশিষ্ট (ক)

| Sl. No. | Name of village | Circle | Census code. |
|---|---|---|---|
| 1. | Uchitagaon | Golokganja | 2/10/97 |
| 2. | Domardaha pt-III | do | 2/10/140 |
| 3. | Adabari-I | Dhubri | 3/30/135 |
| 4. | Chagalchara pt-I | do | 3/30/169 |
| 5. | Uddmari pt-II | Bilashipara | 4/40/141 |
| 6. | Bhyamraipara | Chapor | 5/50/132 |
| 7. | Bongalipara pt-II | Bilashipara | 4/40/161 |
| 8. | Suapata-3 | Bilashipara | 4/40/186 |
| 9. | Chirakhowa | Mankachar | 8/60/81 |
| 10. | Gopalpur | do | 8/60/107 |
| 11. | Chagalchara pt-III | Dhubri | 3/30/171 |
| 12. | Jhagra pt-I | do | 3/30/172 |
| 13. | Jhagra pt-IV | do | 3/30/129 |
| 14. | Batuatali | Golokganja | 2/10/105 |
| 15. | Uttar Raipur-III | do | 2/10/82 |
| 16. | Majirgaon | Chapor | 5/50/24 |
| 17. | Simlabari pt-I | do | 5/50/114 |
| 18. | Dumardaha pt-IV ( Barabari Chalan ) | Golokganja | 2/10/109 |
| 19. | Japusabari pt-IV ( Mazpara ) | Agomoni | 1/20/54 |
| 20. | Pochor Kandi ( Sonapur ) | Mankachar | 8/60/54 |
| 21. | Barakalia Suryamani | S. Salmara | 7/70/110 |
| 22. | Samrasali ( Bogapara ) | Mankachar | 8/60/87 |
| 23. | Sundarpara pt-IV | S. Salmara | 7/70/81 |
| 24. | Kaldoba-3 (Jardobarpara) | Agomoni | 1/20/45 |
| 25. | Chagolia-II ( Pundibari ) | do | 1/20/2 |
| 26. | Japusabari pt-III (Saijerkut) | do | 1/20/53 |
| 27. | Kaimari pt-V ( Simalbari ) | do | 2/20/8 |
| 28. | Purni | Golokganja | 2/20/53 |
| 29. | Debotole pt-III ( Santipur ) | Dhubri | 3/30/48 |

অনুবদ্ধ (ক)

বিভিন্ন বিভাগৰ কেন্দ্ৰীয় ভাণ্ডাৰে থকা গোচৰৰ সংখ্যা

| ক্ৰমিক নং | বিভাগৰ নাম | কেন্দ্ৰীয় ভাৰে গোচৰ সংখ্যা |
|---|---|---|
| ১। | কৃষি বিভাগ | ৯৯ |
| ২। | সাধাৰণ প্ৰশাসন (ক) বিভাগ | ২ |
| ৩। | সচিবালয় প্ৰশাসন ( নজৰত ) বিভাগ | ৪ |
| ৪। | পাৰ্বত্য অঞ্চল বিভাগ | ২ |
| ৫। | শ্ৰম আৰু নিয়োগ বিভাগ | ৩৭ |
| ৬। | সচিবালয় প্ৰশাসন ( সংস্থাপন ) বিভাগ | ১৬ |
| ৭। | ৰাজনৈতিক (খ) বিভাগ | ১৩ |
| ৮। | ৰাজ্যপালৰ সচিবালয় | ৩ |
| ৯। | গৃহ (গ) বিভাগ | ৪ |
| ১০। | সাধাৰণ প্ৰশাসন (খ) বিভাগ | ৪৮ |
| ১১। | প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগ | ১ |
| ১২। | হস্তত াত বস্ত্ৰ আৰু ৰেচম বিভাগ | ২৮ |
| ১৩। | সীমান্ত অঞ্চল বিভাগ | ৩ |
| ১৪। | পঞ্জীয়ন বিভাগ | ১০ |
| ১৫। | শিক্ষা ( প্ৰাথমিক আৰু মাধ্যমিক বিভাগ ) | ২,৭৫২ |
| ১৬। | ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ | ১১ |
| ১৭। | বিত্ত বিভাগ | ৪৩৯ |
| ১৮। | জলসিঞ্চন বিভাগ | ১৬৫ |
| ১৯। | শিক্ষা ( চি, টি, এম ) বিভাগ | ১৮ |
| ২০। | নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগ | ২ |
| ২১। | বিধান বিভাগ | ৬ |
| ২২। | ভৈয়াম জনজাতি আৰু অনুন্নত সম্প্ৰদায় বিভাগ | ১২ |
| ২৩। | মীন বিভাগ | ৩৬ |
| ২৪। | ৰাজনৈতিক (ক) বিভাগ | ৪০ |
| ২৫। | গড়কাপ্তানি বিভাগ | ৩৪৫ |
| ২৬। | বান নিয়ন্ত্ৰণ বিভাগ | ১১৩ |
| ২৭। | আবকাৰী বিভাগ | ৩৯ |

| জিলা | গোচৰৰ সংখ্যা |
|---|---|
| ২৮। জনস্বাস্থ্য কাৰিকৰী বিভাগ | ৪৬ |
| ২৯। পৌৰ প্ৰশাসন বিভাগ | ৫৮ |
| ৩০। ৰাজহ (পত্তন) বিভাগ | ৪১৫ |
| ৩১। সমবায় বিভাগ | ১০৪ |
| ৩২। গুৱাহাটী মহানগৰ উন্নয়ণ বিভাগ | ৪০ |
| ৩৩। কৰ্মচাৰী (ক) বিভাগ | ১২ |
| ৩৪। উচ্চ শিক্ষা বিভাগ | ১৫০ |
| ৩৫। গৃহ (খ) বিভাগ | ৪০ |
| ৩৬। বিত্ত (ক) বিভাগ | ৫ |
| ৩৭। গৃহ (ক) বিভাগ | ৬২৪ |
| ৩৮। ভূমি সংৰক্ষণ বিভাগ | ১৪ |

## গড়কাপ্তানি বিভাগ

| | |
|---|---|
| ১। শিৱসাগৰ | ১৩ |
| ২। যোৰহাট | ১৭ |
| ৩। নগাওঁ | ২৮ |
| ৪। কামৰূপ | ৯৬ |
| ৫। বৰপেটা | ২১ |
| ৬। নলবাৰী | ১৩ |
| ৭। দৰং | ১৫ |
| ৮। শোনিতপুৰ | ১৩ |
| ৯। ধেমাজী | ৪ |
| ১০। কোকৰাঝাৰ | ৭ |
| ১১। ধুবুৰী | ৫ |
| ১২। কৰিমগঞ্জ | ৬ |
| ১৩। শিলচৰ | ১০ |
| ১৪। হাইলাকান্দি | ২ |
| ১৫। কাৰবি আংলং | ৩ |
| ১৬। উত্তৰ কাছাৰ | ২ |
| ১৭। বঙ্গাইগাওঁ | ১২ |
| ১৮। মৰিগাওঁ | ৩ |
| ১৯। গোৱালপাৰা | ৮ |
| ২০। গোলাঘাট | ৩ |
| ২১। ডিব্ৰুগড় | ৬ |
| ২২। লক্ষীমপুৰ | ১ |
| মুঠ | ২৮৮ |

## বান নিয়ন্ত্ৰণ বিভাগ

| জিলা | গোচৰৰ সংখ্যা |
|---|---|
| ১। বৰপেটা | ৫ |
| ২। কামৰূপ | ১৯ |
| ৩। গোৱালপাৰা | ৫ |
| ৪। কাছাৰ | ১৫ |
| ৫। উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলা | ২ |
| ৬। কোকৰাঝাৰ | ২ |
| ৭। ধেমাজী | ৮ |
| ৮। লক্ষীমপুৰ | ৩৩ |
| ৯। যোৰহাট | ৫ |
| ১০। ডিব্ৰুগড় | ২ |
| ১১। নগাওঁ | ৫ |
| ১২। নলবাৰী | ৭ |
| ১৩। দৰং | ২ |
| ১৪। শোনিতপুৰ | ১ |
| ১৫। মৰিগাওঁ | ২ |
| মুঠ | ১১৩ |

| জিলা | গোচৰৰ সংখ্যা |
|---|---|

## আবকাৰী বিভাগ

| | | |
|---|---|---|
| ১। | কামৰূপ | ১৩ |
| ২। | দৰং | ২ |
| ৩। | ধুবুৰী | ২ |
| ৪। | ডিব্ৰুগড় | ৬ |
| ৫। | শোনিতপুৰ | ১ |
| ৬। | বৰপেটা | ১ |
| ৭। | যোৰহাট | ৩ |
| ৮। | তিনিচুকীয়া | ৭ |
| ৯। | শিলচৰ | ১ |
| ১০। | কাৰবি আংলং | ২ |
| ১১। | শিৱসাগৰ | ১ |
| | মুঠ | ৩৯ |

## জনস্বাস্থ্য কাৰিকৰী বিভাগ

| | | |
|---|---|---|
| ১। | বৰপেটা | ২ |
| ২। | শিৱসাগৰ | ৩ |
| ৩। | গোৱালপাৰা | ২ |
| ৪। | দৰং | ৩ |
| ৫। | নগাওঁ | ৬ |
| ৬। | কামৰূপ | ৪ |
| ৭। | কাৰবি আংলং | ৩ |
| ৮। | কাছাৰ | ৫ |
| ৯। | হাইলাকান্দি | ২ |
| ১০। | নলবাৰী | ২ |
| ১১। | ডিব্ৰুগড় | ১ |
| ১২। | শোনিতপুৰ | ১ |
| ১৩। | কৰিমগঞ্জ | ৩ |
| ১৪। | যোৰহাট | ১ |
| ১৫। | উত্তৰ কাছাৰ জিলা | ১ |
| ১৬। | লক্ষীমপুৰ | ২ |
| | মুঠ | ৪১ |

## পৌৰ প্ৰশাসন বিভাগ

| | জিলা | গোচৰৰ সংখ্যা |
|---|---|---|
| ১। | যোৰহাট | ১১ |
| ২। | নগাওঁ | ৯ |
| ৩। | তিনিচুকীয়া | ২ |
| ৪। | দৰং | ৩ |
| ৫। | শোনিতপুৰ | ৬ |
| ৬। | ধুবুৰী | ৩ |
| ৭। | শিলচৰ | ৪ |
| ৮। | কৰিমগঞ্জ | ২ |
| ৯। | শিৱসাগৰ | ২ |
| ১০। | কামৰূপ | ৪ |
| ১১। | ডিব্ৰুগড় | ৩ |
| ১২। | বৰপেটা | ৪ |
| ১৩। | গোলাঘাট | ১ |
| ১৪। | বঙ্গাইগাওঁ | ২ |
| ১৫। | গোৱালপাৰা | ১ |
| ১৬। | হাইলাকান্দি | ১ |
| | মুঠ | ৫৮ |

## ৰাজহ ( পত্তন ) বিভাগ

| | জিলা | গোচৰৰ সংখ্যা |
|---|---|---|
| ১। | কামৰূপ | ১০৬ |
| ২। | নলবাৰী | ১৯ |

| | | |
|---|---|---|
| ৩। | বৰপেটা | ২০ |
| ৪। | বঙ্গাইগাওঁ | ৩০ |
| ৫। | কোকৰাঝাৰ | ১০ |
| ৬। | গোৱালপাৰা | ৭ |
| ৭। | ধুবুৰী | ৬ |
| ৮। | দৰং | ২১ |
| ৯। | শোনিতপুৰ | ১৫ |
| ১০। | ধেমাজী | ৪ |
| ১১। | লক্ষীমপুৰ | ৬ |
| ১২। | নগাওঁ | ২১ |
| ১৩। | মৰিগাওঁ | ৭ |
| ১৪। | গোলাঘাট | ৭ |
| ১৫। | যোৰহাট | ২৩ |
| ১৬। | শিৱসাগৰ | ২২ |
| ১৭। | ডিব্ৰুগড় | ২১ |
| ১৮। | তিনিচুকীয়া | ১৬ |
| ১৯। | কাছাৰ | ৪৩ |
| ২০। | কৰিমগঞ্জ | ২৮ |
| ২১। | হাইলাকান্দি | ১০ |
| | মুঠ | ৪১৫ |

## সমবায় বিভাগ

| | জিলা | গোচৰৰ সংখ্যা |
|---|---|---|
| ১। | কামৰূপ | ২৩ |
| ২। | বৰপেটা | ১ |
| ৩। | নলবাৰী | ২ |
| ৪। | ধুবুৰী | ১০ |
| ৫। | গোৱালপাৰা | ৫ |
| ৬। | শোনিতপুৰ | ৪ |
| ৭। | দৰং | ৪ |
| ৮। | মঙ্গলদৈ | ১ |
| ৯। | বঙ্গাইগাওঁ | ১ |
| ১০। | ধেমাজি | ৪ |
| ১১। | ডিব্ৰুগড় | ১ |
| ১২। | তিনিচুকীয়া | ১ |
| ১৩। | শিৱসাগৰ | ৬ |
| ১৪। | যোৰহাট | ৫ |
| ১৫। | নগাওঁ | ১৭ |
| ১৬। | মৰিগাওঁ | ৫ |
| ১৭। | কাছাৰ | ১৩ |
| ১৮। | কৰিমগঞ্জ | ১ |
| | মুঠ | ১০৪ |

## ভূমি সংৰক্ষণ বিভাগ

| | জিলা | গোচৰৰ সংখ্যা |
|---|---|---|
| ১। | নলবাৰী | ২ |
| ২। | বৰপেটা | ১ |
| ৩। | নগাওঁ | ৪ |
| ৪। | কোকৰাঝাৰ | ১ |
| ৫। | কামৰূপ | ১ |
| ৬। | যোৰহাট | ১ |
| | মুঠ | ১০ |

## মীন বিভাগ

| ক্ৰমিক নং | জিলা | গোচৰৰ সংখ্যা |
|---|---|---|
| ১। | মৰিগাওঁ | ৭ |
| ২। | নগাওঁ | ৪ |
| ৩। | লক্ষীমপুৰ | ১ |

| | | |
|---|---|---|
| ৪। | যোৰহাট | ৪ |
| ৫। | ডিব্রুগড় | ৩ |
| ৬। | শিৱসাগৰ | ১ |
| ৭। | কামৰূপ | ২ |
| ৮। | দৰং | ২ |
| ৯। | কাছাৰ | ২ |
| ১০। | কৰিমগঞ্জ | ১ |
| ১১। | বৰপেটা | ২ |
| ১২। | ধুবুৰী | ১ |
| ১৩। | বঙাইগাওঁ | ১ |

## ANNEXURE—VII

ৰাজনৈতিক (ক) বিভাগ

| ক্রমিক নং | জিলা | গোচৰৰ সংখ্যা |
|---|---|---|
| ১। | দৰং | ৯ |
| ২। | তিনিচুকীয়া | ৮ |
| ৩। | নলবাৰী | ৫ |
| ৪। | ডিব্রুগড় | ৪ |
| ৫। | কামৰূপ | ৪ |
| ৬। | যোৰহাট | ২ |
| ৭। | নগাওঁ | ১ |
| ৮। | মৰিগাওঁ | ২ |
| ৯। | হাফলং | ২ |
| ১০। | কোকৰাঝাৰ | ১ |
| ১১। | কাৰ্বি আংলং | ১ |
| ১২। | বঙাইগাওঁ | ১ |

## ANNEXURE - VIII

বিভিন্ন বিভাগত আৱন্টন দিয়া ধন।

| | | |
|---|---|---|
| ১। | কৃষি বিভাগ | ৫,২৩,৪০,০০০ টকা |
| ২। | পশুপালন বিভাগ | ৬২,৯৮,৮০০ টকা |
| ৩। | বাননিয়ন্ত্রণ বিভাগ | ১২,০০,০০,০০০ টকা |
| ৪। | জনস্বাস্থ্য কাৰিকৰী বিভাগ | ১,২০,০০,০০০ টকা |
| ৫। | জলসিঞ্চন বিভাগ | ৬,০০,০০,০০০ টকা |
| ৬। | ৰাজনৈতিক 'খ' বিভাগ ( চৰ অঞ্চলৰ উন্নয়নৰ বাবে ) | ১৯,৫৮,৪০০ টকা |
| ৭। | গড়কাপ্তানী বিভাগ | ১০,০০,০০,০০০ টকা |
| ৮। | বন বিভাগ ( কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে ) | ৫০,০০,০০০ টকা |
| ৯। | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ | ৫০,০০,০০০ টকা |
| ১০। | ৰাজহ বিভাগ ( ভূমিলেখ অধিকৰ্ত্তাৰ যোগে ) | ১,০০,০০,০০০ টকা |
| ১১। | পৌৰ নিগম / পৌৰ সভা আৰু নগৰ সমিতিৰ বাবে ( পৌৰ প্ৰশাসন বিভাগ ) | ৫,০০,০০,০০০ টকা |
| | মুঠ | ৪২,২৫,৯৭,২০০ টকা |

( ৪২ কোটি, ২৫ লাখ, ৯৭ হেজাৰ, ২০ টকা )

—X—